শিশু আলোচনী

# শিশু-মঞ্জৰী

দশম সংখ্যা

৫৬৩ শঙ্কৰাব্দ ঃ নবেম্বৰ ২০১১ চন

সম্পাদক

ভবেন দুৱৰী


**শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০১১ খ্ৰীষ্টাব্দ

**SISHU MONJ0RI : ** *A Child-Magazine of Srimanta Sankaradeva Sangha, published by Sahitya Sakha Samittee for and on behalf of Srimanta Sankaradeva Sangha : November : 2011*

*Editor : Sri Bhaben Duari* *Price Rs : 25.00*

**© শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

কাতি ঃ ৫৬৩ শঙ্কৰাব্দ ঃ নবেম্বৰ, ২০১১

**প্ৰকাশক ঃ**

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীজীৱকান্ত নাথ
সম্পাদক ঃ ড° জগত চন্দ্ৰ কলিতা

**সম্পাদনা সমিতি** ঃ শ্ৰীভবেন দুৱৰী, *সম্পাদক*
সদস্যদ্বয় ঃ শ্ৰীৰূপেশ্বৰ নেওগ
ঃ শ্ৰীসমৰ তালুকদাৰ

**মূল্য ঃ ২৫.০০ (পঁচিশ) টকা**

ছপা সংখ্যা ঃ ১,৫০০

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্‌ছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰৰ শুভেচ্ছাবাণী



জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সপ্তদশ বাৰ্ষিক শিশু আৰু আই-মাতৃ সমাৰোহ উপলক্ষে প্ৰকাশিতব্য 'শিশু-মঞ্জৰী'লৈ স্বাগত সম্ভাষণ জনোৱাৰ লগতে অন্তৰভৰা শুভেচ্ছা জনাইছোঁ।

'শিশু-মঞ্জৰী' এটি নাম যাৰ লগত নিবিড়ভাৱে জড়িত হৈ আছে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অভিলাষী আঁচনিৰ এটা এৰাব নোৱাৰা সম্পৰ্ক। মানুহ হ'বৰ বাবে মানুহৰ থাকিব লাগিব জীৱনজোৰা সাধনা। শৈশৱৰ শেতেলিত লুতুৰি-পুতুৰি শিশু মনে কৈশোৰৰ দুৱাৰদলি গছকি আগবঢ়া যৌৱনৰ প্ৰাণচঞ্চল হোন্দোলদোপ পৰিক্ৰমা পাৰ হৈ পৌঢ়ত্বৰ পূৰ্ণতা প্ৰাপ্তিৰ দিশে। এই গতিৰ উপলব্ধিৰে শিশু মনৰ প্ৰতিপাহি সুকোমল পুষ্পৰ সুস্বাদ সুমধুৰ প্ৰাণ বৈভৱে মানৱ সমাজৰ সামগ্ৰিক বিকাশৰ সূচনা কৰে। ওঁঠত ওঁঠ লগাই আৰম্ভ হোৱা যাত্ৰাৰম্ভই শিশুসকলক জীৱন পথৰ স্বৰ্ণীল আকাশখনৰ প্ৰতি মাৰ্গ দৰ্শন কৰায়। এই দৰ্শনত আছে পোৱাৰ আনন্দ, গৈ থকাৰ অনাবিল পৰাকাষ্ঠা।

শিশু যদি প্ৰকৃততে মানুহৰ পিতৃ— (Child is the father of man) হয় তেতিয়া হ'লে এই শৈশৱ কেতিয়াও অৱহেলাৰ যোগ্য হ'ব নোৱাৰে। পিতৃ-মাতৃ, ভাই-ভাতৃ, ইষ্ট-মিত্ৰ, সকলোৰে বাবেই জীৱনৰ এই সুৰুয উঠা সময়কণ কি ৰূপে সুন্দৰ কৰি তোলা যায় তাৰ প্ৰতি গভীৰ প্ৰত্যয়েৰে, প্ৰেম আৰু প্ৰীতিৰ আৱেশেৰে এবাৰ ভবাৰ সময়।

মানুহ হ'ব লাগিব সঁচা মনৰ, মানুহ কৰিব লাগিব মানৱতাৰ মহান মন্ত্ৰৰে। সাহিত্য, সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, দৰ্শন সমস্ত ক্ষেত্ৰত এই মানৱতাৰ বীজ অঙ্কুৰিত কৰিব লাগিব।

শিশু মানেই গতিৰ আৰম্ভ।
শিশু মানেই জীৱনৰ প্ৰথম পুৱা।
শিশু মানেই এখন সৰস ৰসাল পৃথিৱী।

'শিশু-মঞ্জৰী'ৰ সকলো পক্ষলৈ শুভেচ্ছাৰ কৰণি আগবঢ়ালো। ইতি

সেৱাৰে—
শ্ৰীৰজনীকান্ত দত্ত

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ



**জয় গুৰু শঙ্কৰ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এটি জাতীয় অনুষ্ঠান হিচাপে আত্মপ্ৰতিষ্ঠা লাভ কৰিছে। এনে এক পৰিৱেশত নৱপ্ৰজন্মৰ শিক্ষা, নৈতিকতা, স্বভাৱ-চৰিত্ৰ আদি সৰ্বাঙ্গীন দিশত শিশুসকলক সুপৰিকল্পিতভাৱে গঢ় দিয়াৰ নৈতিক দায়িত্ব অনুষ্ঠানটিয়ে বহন কৰাৰ প্ৰাসঙ্গিকতা আহি পৰিছে। এই উদ্দেশ্য আগত ৰাখি শিশু-কল্যাণৰ দিশত কেনে ভূমিকা লোৱা উচিত সেই সম্পৰ্কে গঠনমূলক কাৰ্য-কলাপেৰে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।

প্ৰাথমিক ব্যৱস্থামতে, শিশুসকলৰ কোমল মনতে আধ্যাত্মিক চিন্তাৰ বীজ ৰোপণ কৰাৰ প্ৰয়োজন আছে। সেয়েহে সঙ্ঘৰ সংবিধানৰ গুৰুপৰিচয় দফাত ৬ বছৰৰ বয়সৰ পৰা এগৰাকী সমাজৰ অভিজ্ঞলোকৰ দ্বাৰা কেনেকৈ গুৰুপৰিচয় কৰিব লাগে তাৰ নিৰ্দেশনা দিয়া হৈছে।

দ্বিতীয়তে, 'শিশু কল্যাণ দিৱস' শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ঘোষণা কৰিছে। আমাৰ উপাস্যদেৱ ভগৱান কৃষ্ণৰ জন্ম দিৱসটি ভাৰতীয় পৰম্পৰা মতে জন্মাষ্টমী হিচাপে পালিত হৈ আহিছে। এই পৱিত্ৰ দিৱসটি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শিশুসকলৰ উদ্দেশ্যে শিশু কল্যাণ দিৱস হিচাপে ঘোষণা কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে এই দিনটো কেৱল পৰম্পৰাগতভাৱে উদ্‌যাপন নকৰি, শিশুসকলৰ কল্যাণৰ বাবে কিছু সুকুমাৰ কলা-শিক্ষাৰ কাৰ্যসূচী লৈ শিশুসকলৰ বৌদ্ধিক উত্তৰণত সঙ্ঘৰ প্ৰাথমিক, আঞ্চলিক, জিলাসমূহে বিভিন্ন কাৰ্যসূচী ল'ব পাৰে।

তৃতীয়তে, প্ৰাথমিক পৰ্যায়ৰ পৰা সকলো শাখাতে শিশুসমাৰোহ অনুষ্ঠিত কৰিবলৈ সাংবিধানিক নিৰ্দেশনা দিয়া হৈছে। এনেদৰে যিসমূহ সমাৰোহৰ কাৰ্যসূচী লোৱা হয় তেনে কাৰ্যসূচীসমূহৰ জৰিয়তে যাতে শিশুসকলৰ সৰ্বাঙ্গীন বিকাশ হয় তাৰ প্ৰতি সচেতন হ'ব লাগে। বিভিন্ন পৰ্যায়ৰ সমাৰোহত শিশুসকলক যোগদান কৰাৰ বাবে অভিভাৱক আৰু প্ৰাথমিক-আঞ্চলিক-জিলাই তৎপৰতাৰে মনোনিৱেশ কৰিব লাগে।

চতুৰ্থতে, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শিশুৰ উপযোগীকৈ **'শিশু-মঞ্জৰী'**ৰ দৰে যি আলোচনী প্ৰকাশ কৰিছে, সেই আৰ্হিমতে বিভিন্ন জিলা শাখাই শিশু আলোচনী, প্ৰাৰ্থনা পুথি, চিত্ৰাঙ্কণ আদি প্ৰকাশত গুৰুত্ব দিব লাগে। কেইখনমান জিলাই এই কাম কৰি শিশু কল্যাণৰ দিশত অৰিহণা যোগাইছে। উদাহৰণ স্বৰূপে যোৰহাট জিলা শাখাই 'কমল' নামে এখনি শিশু আলোচনী ভালেদিন ধৰি প্ৰকাশ কৰি আহিছে। এখনি প্ৰাৰ্থনা পুথিও প্ৰকাশ কৰিছে।

পঞ্চমতে, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শঙ্কৰী সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। বিভিন্ন স্থানত প্ৰতিষ্ঠা হোৱা এই বিদ্যালয়সমূহে শিশুসকলক সঙ্গীত-সাধনাৰ প্ৰতি আকৰ্ষিত কৰিছে। মাটি আখৰাৰ দৰে নৃত্যৰ

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ



**জয় গুৰু শঙ্কৰ**

অনুশীলনে শিশুৰ দৈহিক বিকাশ আৰু সঙ্গীত কলাৰ প্ৰতি উপযুক্তভাৱে গঢ় দিব পাৰে। সঙ্গীত বিদ্যালয়সমূহৰ যোগেদি গীত-নৃত্য-বাদ্যৰ সাধন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে উপযুক্ত পাঠ্যক্ৰম যুগুত কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংস্কৃতি শাখাই পৰীক্ষা পৰিষদৰ দ্বাৰা উপাধি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ষষ্ঠতে, "শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়" নামে এলানি বিদ্যালয় খুলি উঠি অহা প্ৰজন্মক নৈতিক আধ্যাত্মিক বাতাবৰণেৰে উপযুক্ত নাগৰিক গঢ়ি তোলাৰ আঁচনি বাস্তৱায়িত কৰিছে। এনে বিদ্যালয়সমূহত নৈতিক আৰু আধ্যাত্মিক শিক্ষাত বিশেষভাৱে মনোযোগ দিব পৰা পাঠ্যক্ৰম সঙ্ঘই নিজাকৈ প্ৰস্তুত কৰিছে। মূল্যবোধৰ শিক্ষা, শঙ্কৰী সঙ্গীতৰ শিক্ষা, সঙ্ঘৰ আন্তঃগাঠনিৰ সুশিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰতিবছৰে অভিজ্ঞ শিক্ষকৰ দ্বাৰা শিক্ষক প্ৰশিক্ষণত গুৰুত্ব দি আহিছে। বিজ্ঞান, ইংৰাজী, অঙ্ক আদি বিষয়ৰ ওপৰতো বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

এনেবোৰ ব্যৱস্থাৰ উপৰি বিভিন্ন কেন্দ্ৰীয় সমাৰোহত শিশু কল্যাণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আলোচনা-চক্ৰ আদি অনুষ্ঠিত কৰা হৈ আহিছে। বৰ্তমান বছৰৰ সমাৰোহ ৰঙিয়া জিলা শাখাৰ ব্যৱস্থাপনাত ৰঙিয়া শঙ্কৰদেৱ নগৰত অনুষ্ঠিত হৈছে। এই সমাৰোহত শিশু সন্মিলন আৰু আলোচনা চক্ৰই কাৰ্যসূচীত স্থান পাইছে। সঙ্ঘৰ দ্বাৰা প্ৰকাশিত 'শিশু-মঞ্জৰী'খনৰো দশম সংখ্যা প্ৰকাশ পাইছে। সমাৰোহৰ উদ্যোক্তা আৰু শিশু-মঞ্জৰীৰ সম্পাদক প্ৰমুখ্যে সম্পাদনা সমিতিৰ প্ৰতিজন সদস্য-সদস্যালৈ কৃতজ্ঞতা জনাইছো। শিশু-মঞ্জৰীত প্ৰকাশিত লেখাসমূহৰ বাবে সংশ্লিষ্ট লেখক-লেখিকাসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সেৱাৰে--

২০-১০-২০১১
**মূল কাৰ্যালয়, নগাঁও**

**শ্ৰীহৰিপ্ৰসাদ হাজৰিকা**
**প্ৰধান সম্পাদক**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকৰ নিৱেদন





'শিশু-মঞ্জৰী' শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই শিশুসকলৰ উদ্দেশ্যে প্ৰকাশ কৰা এখনি বাৰ্ষিক পত্ৰিকা।

'মঞ্জৰী' শব্দৰ অভিধানিক অৰ্থ হৈছে ফুলৰ বা ফলৰ ঠাৰি, গজালি বা অঙ্কুৰ। শিশুৰ উদ্দেশ্যে লেখা সৰল, ৰসাল আৰু মননশীল সমষ্টিয়েই শিশু-মঞ্জৰী। শিশুসকল অঙ্কুৰ বা গজালিৰ দৰে সুন্দৰ আৰু পৱিত্ৰ। শিশুসকলৰ এই সুন্দৰতা আৰু পৱিত্ৰতাখিনি কেনেদৰে সঞ্চয় আৰু সঞ্জীৱিত কৰি তেওঁলোকৰ জীৱন সুন্দৰ আৰু ৰঙীন কৰাত অৰিহণা যোগাব পাৰি সেইখিনি যোগাবলৈকে 'শিশু-মঞ্জৰী' আলোচনীভাগৰ যোগেদি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰচেষ্টা চলাই আহিছে।

এনে এক মহৎ কাৰ্যৰ কথা চিন্তা কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০০২ চনতে এখনি শিশুসকলৰ উপযোগী এখনি বাৰ্ষিক আলোচনীৰ সূত্ৰপাত কৰে। তেতিয়াৰ পৰাই প্ৰতি বছৰে শিশু সমাৰোহত আলোচনীখন ধাৰাবাহিকভাৱে প্ৰকাশ কৰা হৈছে। এইবাৰ আলোচনীখনে দশম বছৰত ভৰি দিছে। এইটো কাৰ্যকালত প্ৰকাশ পাবলগা আলোচনী ভাগৰ সম্পাদনাৰ দায়িত্ব আমাৰ ওপৰতে পৰিল। এখন আলোচনী সম্পাদনা কৰিব পৰা জোখাৰে আমাৰ সমল আৰু সামৰ্থ নাই। তথাপি উঠি অহা শিশুসকলৰ জীৱন সুচল আৰু সফল কৰাৰ এটা বাৰ্তা দিব পাৰোনেকি তাকে ভাবি সেৱাৰ মনোভাৱেৰে দায়িত্বভাগ শিৰ পাতি ললো।

শিশুসকলক উদগনি যোগাব পৰা লেখাৰ সংখ্যা তাকৰ আৰু শিশুৰ উদ্দেশ্যে লেখা লিখকৰ সংখ্যাও সীমিত। শিশুসকলেও লেখা-মেলা কমকৈ কৰে। সেয়েহে উৎকৃষ্ট মানৰ প্ৰয়োজনীয় লেখাৰ অভাৱ। তথাপি বিভিন্নজন সদাশয় ব্যক্তিক অনুৰোধ কৰি যি কেইটা গল্প, প্ৰবন্ধ, কবিতা আদি পোৱা হ'ল তাকে সম্পাদনাৰ মেজত দাঙি ধৰিলো। সম্পাদনা সমিতিয়ে যিধৰণে দিহা দিলে তাৰে ফলশ্ৰুতিতে আলোচনীখনে প্ৰকাশ পালে।

সৰুকালতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ এটি কবিতাৰ 'হুৱেৰ দি মাইণ্ড ইজ উইডাউথ ফিয়েৰ, হুৱেন দি হেড ইজ হেল্ড হাই' কবিতাফাকিয়ে আমাক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল। সচাঁকৈয়ে মন যেতিয়া নিৰ্ভীক হয় আৰু শিৰ যাৰ সদা-উচ্চ (উচ্চ চিন্তাযুক্ত), তেনে ব্যক্তিয়ে নিশ্চয় এটা উচ্চমানবিশিষ্ট জীৱনৰ অধিকাৰী হ'ব পাৰে। তেনে এটা ভাবৰ বীজ

# সম্পাদকৰ নিৱেদন



শিশুসকলৰ মাজত সিঁচি দিব পাৰিনেকি তেনে উদ্দেশ্যেৰে আগবাঢ়িলো। পানীৰ ভৰ বাঢ়িলে নদীয়ে নিজে গতি লয়। শিশুসকলৰ মনত এটা মহৎ জীৱন জীয়াৰ ভাবৰ ভৰ বঢ়াই দিব পাৰিলে তেওঁলোকে নিজৰ জীৱনৰ গতি নিজে ল'ব পাৰিব। এয়ে আমাৰ বিশ্বাস। এনে মনোভাৱেৰে আলোচনীখন সজোৱাৰ মানস কৰিছিলোঁ। কিন্তু পৰিতাপৰ বিষয় যেনে ধৰণৰ সমল আমি আশা কৰিছিলোঁ তেনে ধৰণৰ সমল আমাৰ হাতলৈ যথাসময়ত আহি নোপোৱাত আলোচনীখন মনৰ মতে সজাব নোৱাৰিলোঁ। যি নহওক যিসকল সদাশয় ব্যক্তিয়ে তাৰাসৰৰ বহুমূলীয়া সময় অন্য সৃজনীমূলক কাম বাদ দি হ'লেও শিশুসকললৈ বুলি যিখিনি লেখা আগবঢ়ালে তাকে আমি আশিষ নির্মালি বুলি গ্ৰহণ কৰিলোঁ। এই শুভানুধ্যায়ী ব্যক্তিসৱলৈ আমি সভক্তিৰে কৃতজ্ঞতাৰ সেৱা জনালোঁ।

আলোচনীখন প্ৰকাশৰ বেলিকা যিসকল ব্যক্তি বিশেষে দিহা-পৰামর্শ, সহায়-সহযোগ আগবঢ়াই আমাক কৃতাৰ্থ কৰিলে তেখেতসকলকো এই আপাহতে শ্ৰদ্ধাপূৰ্বক সেৱা জনাইছোঁ। বিশেষকৈ সাহিত্য শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীযুত জীৱকান্ত নাথ আৰু শ্ৰীযুত জগত চন্দ্ৰ কলিতা বাপদ্বয় আৰু অন্য দুগৰাকী সহযোগী সদস্য শ্ৰীযুত ৰূপেশ্বৰ নেওগ আৰু শ্ৰীযুত সমৰ তালুকদাৰ বাপ দুজনাৰ শলাগ ল'লো। সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধি বাপে অক্ষৰ বিন্যাস আৰু ৰূপসজ্জাৰ লগতে মাতৃ অফছেট প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীযুত কমলাকান্ত বৰা বাপজনাই যথা সময়ত ছপা-বন্ধা কামখিনি কৰি দিয়াৰ বাবে দুয়োজনালৈকে আন্তৰিক শলাগ যাচিলোঁ।

আমাৰ কাৰ্যকালত ৫৬৪ শঙ্কৰাব্দত শিশু-মঞ্জুৰীৰ অন্য এটি সংখ্যা প্ৰকাশ দায়িত্ব আমাৰ ওপৰতে ন্যস্ত থাকিব। গতিকে উক্ত সংখ্যাটিৰ বাবে উপযুক্ত লেখা বিচাৰি এই সুযোগতে আহ্বান জনালোঁ।

অৱশেষত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা আৰু শুধৰণি বিচাৰি আৰু লগতে গঠনমূলক পৰামৰ্শ আশা কৰি পুনৰবাৰ সেৱা জনালোঁ।

সেৱাৰে—
ভবেন দুৱৰী

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## 'শিশু-মঞ্জৰীৰ পাতে পাতে..



প্ৰবন্ধ শিতান


- আমি শিকোঁ আহঁা ঃ যাদৱ শইকীয়া/১
- কৰতল কমল ঃ সিদ্ধ দত্ত /৩
- উপনিষদৰ ৰহঘৰা ঃ বংশীৰাম বড়ো/৪
- অধমে লোকৰ দোষ দেখা পায় ঃ বৰদা শইকীয়া/৬
- ইংৰাজী ভাষা শিক্ষাৰ প্ৰয়োজনীয়তা ঃ মুকুন্দ দাস/৭
- বিদ্যালয়ত নিয়মানুৱৰ্তিতা ঃ প্ৰাপ্তি গগৈ/৯
- পৰিৱেশ সংৰক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ জুৰি হাজৰিকা/১০
- কুমাৰ কাল আৰু শিক্ষা ঃ বাবুল বৰা/১৪
- নৈতিক আৰু আধ্যাত্মিক শিক্ষা আৰু আমাৰ শিশু ঃ ধনেশ্বৰ হুজুৰী/১৪
- গুৰু শিষ্যৰ আত্মিক সম্বন্ধ- এটি আলোকপাত ঃ ডাঃ সমৰ তালুকদাৰ/১৬
- বৰগীতৰ বিষয়ে কিছু কথা ঃ প্ৰফুল্ল কুমাৰ হাজৰিকা/১৯
- ভগৱান শ্ৰীকৃষ্ণ আৰু অসম ঃ ইতিহাসৰ আঁত ধৰি ঃ ৰূপেশ্বৰ নেওগ/২১
- বদুলা পদ্ম আতা ঃ অজয় বৰুৱা/২৩
- ৰজা পৰীক্ষিতৰ মুক্তিলাভ ঃ বিন্দুপ্ৰভা হাজৰিকা/২৬
- অভয় দানত পৰে ধৰ্ম নাহি আন ঃ ভূমিধৰ দাস/২৮
- এড়াইল দাৰুণ মৰণ ভয় ঃ মুৰুলীধৰ শইকীয়া/২৯
- কৃষ্ণৰ পাঞ্চজন্য শঙ্খ ঃ মামনি চলিহা/৩১
- ডাকৰ বচন আৰু ফকৰা-যোজনা ঃ অনিন্দিতা দাস/৩২
- বিশ্বাসে মিলয় হৰি ঃ ভবেন দুৰৱী/৩৫


নাটিকা :


- মৌচাক ঃ সৰ্বেশ্বৰ মজুমদাৰ/৩৭


সাধু/গল্প


- দুই বুধিয়ক ঃ লক্ষ্মীনাথ বেজবৰুৱা/৪০
- অঙ্কুৰ ঃ পদ্মৰাম মহন্ত/৪৩
- পাহিৰ সপোন ঃ মনালিছা বড়া/৪৫
- কৰ্মফল ঃ লক্ষীমাই বৰা/৪৭
- তিনি শিষ্যৰ কথা ঃ খগেশ্বৰ বৰা/৪৯
- যেনে কৰ্ম তেনে ফল ঃ স্বৰ্ভানু নাথ ডেকা/৫৯
- শিক্ষাৰ সুফল ঃ নৰেন্দ্ৰনাথ ডেকা/৫৩
- ডাঙৰ হ'লে মই কি হ'ম ? ঃ টুটুমণি লহকৰ/৫৬


কবিতা


- বৰষুণ ঃ নিহাৰজ্যোতি চহৰীয়া/৫৮
- আহ্বান ঃ শূলধৰ হাজৰিকা/৫৮


জ্ঞান-বিজ্ঞান :


- কম্পিউটাৰ সম্পৰ্কে কিছু কথা ঃ স্বৰ্ণলতা দাস/৫৯
- কাগজ, কমল আৰু চিয়াঁহীৰ ইতিহাস /৬১
- ছোৱাইন ফ্লু ঃ বংকিম দাস/৬৩
- ই-বেংকিং ঃ ৰিংকু/৬৪

# আমি শিকোঁ আহাঁ

যাদৱ শইকীয়া

আমি আমাৰ জীৱনত শিকিব লগা বহুতো আছে। এজন মানুহে জীৱনত শিকিব লগাখিনি শিকি শেষ কৰিব নোৱাৰে। সেয়ে বিখ্যাত বিজ্ঞানী ছক্রেটিছে কৈছিল— "মই কি জানো তাকো নাজানো। মাত্র এটা কথাই জানো যে মই একো নাজানো।"

আমি আক' আন জনৰে পিছতে গপত ওফন্দি পৰো। এইটো জানো ভাল কথা? এটা কথা তোমালোকে জানানে যে আমি শিক্ষা ক'ৰপৰা কেনেকৈ লাভ কৰিব পাৰো? আমি তিনি প্রকাৰে শিক্ষা লাভ কৰিব পাৰো। যেনে— (ক) পঢ়ি- অৰ্থাৎ কিতাপ-পত্র পঢ়ি, (খ) শুনি- অৰ্থাৎ জ্ঞানীলোকৰ কথা-বতৰা শুনি আৰু (গ) দেখি- অৰ্থাৎ আমি চক্ষুৰে যি দেখো তাৰ পৰাও জ্ঞান লাভ কৰিব পাৰো।

শিশুসকল! তোমালোকে বজাৰত ভাল আৰু বেয়া দুবিধ কিতাপ পাবা। ভাল কিতাপে ভাল জ্ঞান দিয়ে আৰু বেয়া কিতাপে বেয়া জ্ঞান দিয়ে। গতিকে পঢ়িবলৈ লোৱা কিতাপ নিৰ্বাচন কৰোতে খুউব সাৱধান হ'ব লাগে। শুনিও জ্ঞান লাভ হয় বুলি কোৱা হৈছে। কিন্তু কথা শুনিবলৈ কাৰ ওচৰলৈ যাবা বা কাৰ কথা শুনিবা? সৎ বা সাধু বা জ্ঞানী লোকৰ কথা শুনিলে জ্ঞান বাঢ়ে। সেই কথাই জীৱন গঢ়াত সহায় কৰে। অসৎ লোকৰ কথা শুনিলে জীৱনটো ধ্বংসহে হ'ব। গতিকে এইখিনিতো আমি অতি সাৱধান হ'বলগা হয়। এতিয়া আহিল চকুৰে দেখি পোৱা জ্ঞান। সৃষ্টিৰ এই বিনন্দীয়া পৃথিৱীখনত ভাল কৰ্ম আৰু বেয়া কৰ্ম দুয়োবিধেই দেখিবলৈ পাওঁ। আমাৰ জ্ঞান চক্ষুৰ দ্বাৰা এই ভাল আৰু বেয়া কৰ্মবিলাক বাচি ল'ব লাগিব। ভালটোক আদৰিলৈ বেয়াটোক আওকাণ কৰি এৰি দিব লাগিব। গতিকে ভাল আৰু বেয়াক বাচি ল'বলৈকে আমি নিজে জ্ঞানী হৈ ল'ব লাগিব।

শিশুসৱ! এই লেখক এজন বয়োজ্যেষ্ঠ ককা। তোমালোকক এটা অতি গূঢ় কথা কওঁ শুনা। সেইটো তোমালোকৰ বহুতেই হয়তো জানাই। তোমালোকে জনাতো অসম্ভৱ নহয়। কাৰণ ভক্ত প্ৰহ্লাদে দেখোন সাত বছৰ বয়সৰ পৰাই এই গূঢ় জ্ঞান লাভ কৰিছিল। কথাটো কি জানা। পৃথিৱীত মাত্র এটাই সৎ বস্তু আছে সেয়া হৈছে আমাৰ সমস্তৰে সৰ্তা-কৰ্তা, বিধাতা 'কৃষ্ণ'। আমাৰ মহাপুৰুষ মাধৱদেৱে তাৰাৰ নাম-ঘোষাত লিখিছে—

"হে কৃষ্ণ তুমি চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।"৭৩

সৃষ্টিত এটাই মাত্র সত্য, শুদ্ধ আৰু চৈতন্য বস্তু আছে, সেইটোৱেই হৈছে পৰমেশ্বৰ 'কৃষ্ণ'। তেৱেঁই সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰণৰো কাৰণ পৰম কাৰণ। সেইজন কৃষ্ণ চৰণ চিন্তি

তেওঁৰ গুণানুকীৰ্তনকেই হৃদয়ত শুদ্ধভাৱে ধৰি লৈ সৎ কৰ্ম কৰিলে তেওঁ কৰি থকা জনো সৎ হ'ব নিশ্চয়। সেই জনেই ভকত। এনে ভকতৰ সঙ্গ ল'লে তোমালোকো ভক্ত প্ৰহ্লাদৰ দৰে মহাভকত হৈ যাবা ই নিশ্চিত।

কেইটামান কথা আমি জনা ভাল যে (ক) সঙ্গদোষে আমাৰ স্বভাৱ নষ্ট কৰে, (খ) সঙ্গ দোষে চৰিত্ৰ নষ্ট কৰে, (গ) সঙ্গ দোষে আমাৰ জীৱনৰ গতিপথ অন্ধকাৰময় কৰি নানা দুঃখ দুৰ্গতি প্ৰদান কৰে।

গতিকে সদায় সৎ সঙ্গ ল'বাহক। এতিয়া আহাচোন আমি পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

অসতো মা সদ্‌গময়।
তমসো মা জ্যোতিৰ্গময়।
মৃত্যু মা অমৃতং গময়।। — উপনিষদ

অৰ্থাৎ— হে প্ৰভু, মোক অসত্যৰপৰা সত্যলৈ লৈ যোৱা। আন্ধাৰৰ পৰা পোহৰলৈ নিয়া আৰু মৃত্যুৰ সলনি অমৃতৰ সন্ধান দিয়া। ■

---

# চেষ্টাৰ সদায় জয়

প্ৰীতম চন্দ্ৰ ডেকা

এখন ৰাজ্যক আন এখন ৰাজ্যৰ ৰজাই আক্ৰমণ কৰি তাৰ ৰজাজনক যুদ্ধত পৰাস্ত কৰিলে। পৰাজিত ৰজাজন পলাই গ'ল। কিছুদিনৰ পিছত আকৌ আহি যুদ্ধ কৰোতে দেশ উদ্ধাৰ কৰিব নোৱাৰিলে। দুখে-বেজাৰে পৰাজিত ৰজা পৰ্বতৰ গুহা এটাত আশ্ৰয় লৈ লুকাই থাকিল। এদিন তেওঁ চিত হৈ শুই থাকোতে গুহাৰ চালত এটা মকৰাই জাল গুঠি থকা দেখিলে। তেওঁ মন কৰিলে যে জালখন বাৰে বাৰে বতাহে ছিঙি পেলালেও মকৰাটোৰে ধৈৰ্য হেৰুৱা নাই। বাৰে বাৰে চেষ্টা কৰি সি জালখন গোঠা শেষ কৰিলে। ৰজাই ভাবিলে মকৰাৰ দৰে সৰু প্ৰাণী এটাই যদি বাৰে বাৰে চিঙি যোৱা সামান্য জাল এখন বাৰে বাৰে চেষ্টা কৰি গুঠিব পাৰে, তেন্তে ধৈৰ্য সহকাৰে চেষ্টা কৰি দেশখন উদ্ধাৰ কৰিব নোৱাৰিব কিয়? মকৰাৰ কাৰ্যৰ দ্বাৰা ৰজা অনুপ্ৰাণিত হ'ল। তেওঁ গুহাৰপৰা ওলাই আহি অনেক চেষ্টাৰ বলত প্ৰজা গোট খুৱাই এটা বিৰাট সৈন্যদল গঠন কৰিলে। সৈন্যবোৰক যুদ্ধৰ শিক্ষা দিলে। এদিন সৈন্য-সামন্তলৈ শত্ৰুক আক্ৰমণ কৰিলে আৰু অতি সাহসেৰে যুঁজি পৰাস্ত কৰি দেশখন উদ্ধাৰ কৰিলে।■

# কৰতল কমল

সিদ্ধ দত্ত

আগকথা ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বাল্যকালত বাৰ বছৰ বয়সলৈ খেলা-ধুলা কৰিয়ে কটায়। বুঢ়ীমাক খেৰসুতীয়ে মহেন্দ্ৰ কন্দলীৰ সংস্কৃত টোলত পঢ়িবলৈ দিয়ে। ক-ফলা শিকিয়েই আ-কাৰ, ই-কাৰ আদি নোহোৱাকে ভগৱানৰ ৰূপ আৰু লীলা বৰ্ণনাৰে এটি কবিতা লিখি শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীৰ হাতত দিয়ে। কবিতাটি পঢ়ি মহেন্দ্ৰ কন্দলী অভিভূত হয় আৰু ছাত্ৰসকলক পঢ়ি শুনায়। এইটিয়ে তাৰাৰ জীৱনৰ প্ৰথম কবিতা।

"কৰতল কমল কমল দল নয়ন।  
ভৱদৱ দহন গহন বন শয়ন।।  
নপৰ নপৰ পৰ সতৰত গময়।  
সভয় অভয় ভৱ মমহৰ সততয়।।  
খৰতৰ বৰশৰ হত দশ বদন।  
খগচৰ নগধৰ ফণধৰ শয়ন।।  
জগতৰ মপহৰ ভৱভয় তৰণ।  
পৰ পদ লয় কৰ কমলজ বয়ন।।"

শব্দাৰ্থ ঃ

কৰতল ঃ হাতৰ তলুৱা  
কমল দল ঃ পদুমৰ পাহি  
নয়ন ঃ চকু  
ভৱদৱ ঃ সংসাৰৰ দুখ  
দহন ঃ পোৰা কাৰ্য  
গহন ঃ গহীন  
শয়ন ঃ শুই থকা কাৰ্য  
নপৰ নপৰ পৰ ঃ পৰা নপৰাকৈ  
গময় ঃ গমন কৰা  
সভয় ঃ ভয়যুক্ত  
অভয় ঃ ভয়হীন  
মম হৰ ঃ মায়া, মমতা হৰণ কৰোঁতা  
সততৰ ঃ অতিবেগী  
বৰ শৰ ঃ ডাঙৰ কাঁড়  
হত ঃ বধ কৰা  
দশ বদন ঃ ৰাৱণ  
খগচৰ ঃ গৰুড় পক্ষীত উঠি ফুৰোঁতা  
নগধৰ ঃ পৰ্বত ধৰি ৰাখোতা  
ফণধৰ ঃ সাপ  
মপহৰ ঃ মহাপাপ হৰণ কৰোঁতা  
তৰণ ঃ পৰিত্ৰাণ  
পৰপদ ঃ পৰমপদ, বৈকুণ্ঠ  
লয় কৰ ঃ লীন কৰাওঁতা  
কমলজ ঃ পদুমফুলৰ দৰে  
বয়ন ঃ মুখ।

সৰলাৰ্থ ঃ যাৰ হাতৰ তলুৱা পদুম ফুলৰ দৰে, যাৰ চকু পদুমৰ পাহিৰ দৰে, তেওঁ সংসাৰৰ দুখ দূৰ কৰে আৰু গহীন হাবিত শুই থাকে। মাটিত ভৰি দুখন পৰানপৰাকৈ যি খোজ কাঢ়ে, যি ভয়াতুৰসকলক অভয় দান দিয়ে, তেৱেঁই সততে মায়া, মমতা দূৰ কৰে। যিজনে খৰকৈ মৰা ডাঙৰ শৰে ৰাৱণক বধ কৰিছিল, তেওঁ গৰুড় পক্ষীত উঠি ফুৰে আৰু অনন্ত নাগৰ শয্যাত শুই থাকে। যিজনাই জগতৰ মহাপাপ হৰণ কৰে আৰু সংসাৰৰ ভয়ৰ পৰা পৰিত্ৰাণ কৰি পৰম পদ (বৈকুণ্ঠ)ত লীন নিয়ায়— তেওঁৰ মুখখন পদুম ফুলৰ দৰে।◆

# উপনিষদৰ ৰহঘৰা

বংশীৰাম বড়ো

মইনাহঁত! তোমালোকে বেদ-উপনিষদৰ কথা নিশ্চয় শুনিছাহঁক। কোনোবাই অৱশ্যে নুশুনিবও পাৰা। বেদ হ'ল সকলো ধৰ্ম-শাস্ত্ৰৰে মূল। বেদ শব্দৰ অৰ্থ জ্ঞান। উপনিষদবিলাককো বেদ বুলিয়ে কোৱা হয়। উপনিষদবিলাকত কিছুমান সুন্দৰ সুন্দৰ উপাখ্যান আছে। এই উপাখ্যানবিলাক শুনি বৰ ভাল লাগে। শুনি ভাল লগাই নহয়, কৈয়ো ভাল লাগে। আখ্যানবিলাকৰ পৰা বহুকথা শিকিব পাৰি। সেয়ে আজি মই তোমালোকক কেনোপনিষদৰ পৰা এটি সুন্দৰ উপাখ্যান ক'ব খুজিছোঁ, তোমালোকে ভালদৰে শুনিবাহঁক।

দেৱতা আৰু অসুৰবিলাকৰ মাজত প্ৰায়ে যুদ্ধ লাগিয়ে থাকে। এবাৰ দেৱতা আৰু অসুৰবিলাকৰ মাজত এখন ভয়ানক যুদ্ধ হৈছিল। যুদ্ধত দেৱতাসকলৰ জয় হৈছিল। ভগৱানে সেই যুদ্ধত দেৱতাসকলক সহায় কৰিছিল। আচলতে ভগৱন্তৰ বলতহে দেৱতাসকলৰ জয় হৈছিল। দেৱতাসকলে কিন্তু ভাৱিলে, 'আমি আমাৰ বাহুবলেৰেই অসুৰক জয় কৰিলোঁ।' এই বুলি অহংকাৰত গঙ্গাটোপটো হৈ পৰা দেখি তেওঁলোকৰ গৰ্ব-খৰ্ব কৰিবলৈ প্ৰভু ভৰগন্তই এক দিব্যপুৰুষ হৈ আৱিৰ্ভাৱ হ'ল। পুৰুষজনক দেখি দেৱতাসকলৰ ভয় হ'ল। সকলোৱে মিলি অগ্নিদেৱতাক ক'লে— 'তুমি সেই পুৰুষজন কোন তাক ভালদৰে জানি আহাঁ। ক'ব নোৱাৰি কোনোবা অসুৰেও মায়া কৰি আহিব পাৰে। এইদৰে কোৱাৰ লগে লগে অগ্নি দেৱতাই দপ্‌দপাই আগবাঢ়ি গ'ল। অগ্নি গৈ ওচৰ পোৱাত সেই পুৰুষজনে সুধিছে— 'তুমি কোন? তোমাৰ পৰিচয় কি? অগ্নিয়ে বাহাদুৰি কৰি ক'লে— 'কিয় তুমি মোক নাজানা? মই অগ্নিদেৱতা। মোক জাতবেদা বুলিও কয়। মই ইচ্ছা কৰিলে জগতত যিমান বস্তু আছে সেই সকলোবোৰ বস্তু তৎক্ষণাৎ পুৰি ছাই কৰি দিব পাৰোঁ।' এইবুলি কোৱাত পুৰুষজনে অগ্নিক ক'লে— 'হে অগ্নি সকলো বস্তু নালাগে প্ৰথমে এই খেৰডালকে পুৰি দেখুৱাই দিয়াচোন বাৰু।' অগ্নিয়ে মনে মনে ভাৱিলে— 'মোক কি বুলি ভাবিছে! ৰ, দেখুৱাইয়ে দিওঁ'— এই বুলি খেৰডাল পুৰিব ধৰিলে। কিন্তু কি আচৰিত, নোপোৰে। অশেষ চেষ্টা কৰিও খেৰডালৰ একো কৰিব নোৱাৰি লাজ পাই অগ্নিয়ে মুৰটো তল কৰি শেনটো হৈ আহি ফেঁচাটোৰ দৰে তাৰপৰা গুচি আহিল।

অগ্নি গুচি অহা দেখি দেৱতাসকল চিন্তিত হ'ল। বায়ুক ক'লে— 'এইবাৰ তুমি যোৱা।' কোৱাৰ লগে লগে বায়ু বায়ুবেগে আগবাঢ়ি গ'ল। ওচৰ পোৱাত পুৰুষজনে একেদৰেই ক'লে— 'তুমি কোন? তোমাৰ পৰিচয় কি?' বায়ুৱে ক'লে— মই বায়ুদেৱতা, মই আকাশত ঘূৰি

ফুৰোঁ। সেয়ে মোক মাতৰিশ্বাও বোলে। মই ইচ্ছা কৰিলে জগতৰ সকলো বস্তু হাতৰ মুঠিতলৈ ফু-মাৰি উৰাই দিব পাৰোঁ।' ভগৱন্তই ভাবিলে— 'অগ্নিৰ অৱস্থা দেখিও বায়ুৰে অহংকাৰ এৰা নাই।' এই বুলি বায়ুক ক'লে— 'সকলো বস্তু নালাগে এই খেৰডালকে প্ৰথমে ফু-মাৰি উৰাই দেখুৱাই দিয়াচোন বায়ু।' বায়ুয়ে খেৰডাল হাতত লৈ ফু মাৰেহে মাৰে— নুৰে। যিমান বল আছে সিমান বল দিও খেৰডাল লৰাবকে নোৱাৰি লাজ আৰু ভয়ত মুখখন ক'লা কৰি তাৰপৰা গুচি আহিল।

বায়ুদেৱতাও উলতি অহা দেখি সকলোৱে দেৱৰাজ ইন্দ্ৰক অনুৰোধ কৰাত ইন্দ্ৰই ভয়ে ভয়ে আগবাঢ়ি গ'ল। ইন্দ্ৰইও ভয় কৰা দেখি পুৰুষজনে ভাবিলে— 'ভয়ে ভক্তি, মোৰ উদ্দেশ্য সিদ্ধি হৈছে। দেৱতাসকলৰ পৰ্দচূৰ্ণ হৈছে। গতিকে মই আৰু ইয়াত থিয় হৈ থকাৰ কাৰণ নেদেখোঁ।' এই বুলি ইন্দ্ৰ গৈ ওচৰ নাপাওঁতেই থিয় হৈ থকা ঠাইৰ পৰাই পুৰুষজন অন্তৰ্ধান হ'ল। চিন্তা কৰিছে— 'পুৰুষজন কোন আছিল, কিয় হঠাৎ নাইকিয়া হ'ল। ক'লৈ গ'ল। আকৌবা কি ৰূপ ধৰে! এইদৰে নানান চিন্তা কৰি ইফালে সিফালে চাইছে— এনেতে দেখিলে এগৰাকী দেৱী আগবাঢ়ি আহি আছে। ওচৰ পোৱাত ইন্দ্ৰই সুধিছে— 'হে দেৱী তুমি কোন? তুমি যিয়েই নোহোৱা কিয়, তুমি মোক কোৱাচোন হঠাৎ অন্তৰ্ধান হৈ যোৱা পুৰুষজন কোন আছিল?' দেৱীগৰাকীয়ে গহীন ভাবেৰে ক'লে— 'তেৱেঁই 'ব্ৰহ্ম'। তেওঁক ভগৱান বুলিও কোৱা হয় আৰু পৰমাত্মাও কয়। তেওঁৰ বলতে অসুৰবোৰক জয় কৰিলা। তোমালোকে কিন্তু নিজ বলেৰেই অসুৰক জয় কৰিলা বুলি মিছায়ে অহংকাৰ কৰিছিলা।'

এই বুলি দেৱীও আঁতৰি গুচি গ'ল। দেৱী গৰাকীয়ে বুজাই দিয়াত ইন্দ্ৰই বুলি পালে যে, দিব্য পুৰুষৰূপে দেখা দিয়া পুৰুষজনেই হ'ল ব্ৰহ্ম। দেৱী গুচি যোৱাত ইন্দ্ৰয়ো তাৰ পৰা গুচি আহিল।

মই নাহঁত! তোমালোকে আখ্যানটো শুনিলা। আখ্যানটোৰ সাৰাংশ হ'ল— 'ব্ৰহ্ম সৰ্বশক্তিৰ আধাৰ। ভগৱন্তৰ কৃপা নহ'লে মানুহৰ কথা বাদ অগ্নি, বায়ু, বৰুণ আদি দেৱতাসকলেও একো কৰিব নোৱাৰে। গতিকে মিছাতে অহংকাৰ কৰিব নাপায়।'

তোমালোকৰ
'ককা' ◆◆

## বাণী

বাল্যকালত জীৱনৰ আদৰ্শৰ ভেটি স্থাপন কৰিবলৈ বহল দৃষ্টিভঙ্গীৰে চিন্তা কৰিব লাগে। কাৰণ, শিক্ষা জীৱনৰ ভেটি সৰুতেই সুদৃঢ় নকৰিলে ডাঙৰ হ'লে কৰিব নোৱাৰি।

*— জন লক*



# অধমে লোকৰ দোষ দেখা পায়

বৰদা শইকীয়া

গুৰুজনাৰ ওচৰলৈ হৰি কথা আলচ কৰিবলৈ ভকতসকল সদায় আহে। এদিনাখন শৰীৰ অসুস্থ বাবে মাধৱদেৱ গুৰুৰ ওচৰলৈ আহিব নোৱাৰিলে। মাধৱক দেখা নাপাই গুৰুজনাই সুধিলে— আজি দোখোন বঢ়ৰাপো নাহিল? লগে লগে মাধৱক ভাল নোপোৱা তিনিজন ভক্তই ক'লে— 'বাপ, অন্য কিছুমান ভকত গোটাই লৈ মাধৱে বেলেগে হৰি কথা আলচ কৰে। ইয়াত আহিলে তেওঁ আপোনাৰ অধীনত থাকিব লাগে সেয়ে নিজকে বৰ পণ্ডিত বোলাবলৈ বেলেগে হৰি কথাৰ আলোচনা কৰিছে।' মাধৱৰ বিৰুদ্ধে কোৱা কথা শুনি গুৰুজনাই খেদ কৰি ক'লে বোলে ইয়ালৈ আহি ভকতসকল সজ, উদাৰ হৈ জীৱ সাধিব বুলি ভাবিছিলোঁ, কিন্তু দেখিলো ইয়াৰ বিপৰীতহে হৈছে। অ'ৰ কথা ত'ত লগাই ফুৰাই লোকে সংসাৰ বৈতৰণী সুকলমে পাৰ হ'ব নোৱাৰে, অনেক দুষ্ট-কষ্ট পাব। গুৰুজনাৰ কথাত তিনিওজনে তাৰাৰ চৰণত পৰি ভুল স্বীকাৰ কৰিলে বোলে— বাপ আমাৰ কি গতি হ'ব চিন্তা নকৰাকে মিছাকৈই মাধৱক অপযশ দিলো, আমাক ক্ষমা কৰক। গুৰুজনাই ক'লে মাধৱৰ ওচৰত গৈ দোষ স্বীকাৰ কৰিবা তেতিয়াহে সুগতি পাবা। তিনিওজন ভকতে মাধৱৰ ওচৰলৈ গৈ দোষ স্বীকাৰ কৰিলে। মাধৱে ক'লে— 'তোমালোকে আজি মোৰ দৰে অন্ধলাৰ চকু মুকলি কৰি দিলা, সঁচাকৈ মোৰ গুৰুজনাৰ প্ৰতি অৱহেলা আৰু গম অহংকাৰ হৈছিল। তোমালোকে মোৰ দোষটো আঙুলিয়াই দি মঙ্গল কৰিলা। তোমালোক পুনৰ গুৰুজনাৰ ওচৰত গৈ ক্ষমা বিচৰা।' মাধৱদেৱৰ পৰা গালি বা তিৰস্কাৰ পোৱাৰ বিপৰীতে এই কথা শুনি ভকত তিনিওজনে গুৰুজনাক জনালেগৈ। গুৰুজনাই মাধৱে কোৱা কথা শুনি ক'লে— বোলে, উত্তমে অলপ গুণকে বিস্তাৰ, দোষকো গুণ হিচাপেহে লয়। অধমেহে দোষ খুচৰি ফুৰে। তোমালোকে মাধৱৰ পৰা এই শিক্ষা পালা। তোমালোকৰ দোষকো তেওঁ গুণ হিচাপেহে দেখা পালে।' ভক্ত তিনিওজনে নিজৰ স্বভাৱৰ বাবে নিজেই লাজ পালে আৰু দুয়োজনা গুৰুৰ চৰণত ক্ষমা ভিক্ষা মাগিলে। তেওঁলোকে বুজি পালে শঙ্কৰ-মাধৱ অভেদাত্মা, তেওঁলোকক কোনো কটু কথাৰে বিভেদ কৰিব নোৱাৰি। লোকৰ দোষ খুচৰি বদনাম গাই ফুৰা অধম লোকৰহে স্বভাৱ।◆

# ইংৰাজী ভাষা শিক্ষাৰ প্ৰয়োজনীয়তা

মুকুন্দ দাস

ভাৰতবৰ্ষত ইংৰাজসকলৰ আগমনৰ লগে লগে তেওঁলোকে ইংৰাজী ভাষা-সংস্কৃতিও আমাৰ দেশলৈ কঢ়িয়াই আনিছিল। ইংৰাজসকলে প্ৰথমে আমাৰ দেশত ব্যৱসায়-বাণিজ্যহে কৰিছিল যদিও পৰৱৰ্তী কালছোৱাত শাসনৰ বাঘজৰী হাতলৈ আনিবলৈ সক্ষম হয় আৰু ফলস্বৰূপে আমাৰ দেশৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা আদি সকলো ক্ষেত্ৰতে ইংৰাজী ভাষাৰ বাৰুকৈয়ে প্ৰয়োগ কৰিবলৈ ধৰে। ভাৰতত বৃটিছৰ দুশ বছৰীয়া শাসন কালত অফিচ-আদালত, শিক্ষানুষ্ঠান আদিত ইংৰাজী ভাষাৰ প্ৰয়োগে আমাৰ দেশৰ মানুহৰ মাজত যি ধৰণে প্ৰভাৱ বিস্তাৰ কৰিলে তাৰে পৰিণতিতে উচ্চশিক্ষা গ্ৰহণ তথা আধুনিক জীৱন-ধাৰণত ভাৰতীয় মানুহৰ বাবে ইংৰাজী ভাষা অপৰিহাৰ্য হৈ পৰিলে।

ইংৰাজী ভাষা কেৱল ইংলেণ্ডতে সীমাবদ্ধ হৈ থকা নাই; সমগ্ৰ পৃথিৱীৰ মানুহৰ মাজত ই হৈ পৰিছে উমৈহতীয়া ভাষা। বিশ্বৰ চহকী ভাষাসমূহৰ ভিতৰত ইংৰাজী অন্যতম। বিশ্ব শান্তিৰ ক্ষেত্ৰত মুখ্য ভূমিকা লোৱা 'ৰাষ্ট্ৰ সংঘ'ৰো ই অন্যতম কাৰ্যকৰী ভাষা। বিশ্বৰ বেছি ভাগ ৰাষ্ট্ৰই ৰাজনৈতিক তথা কূটনৈতিক সম্পৰ্ক ৰক্ষাৰ সন্দৰ্ভত ইংৰাজী ভাষাক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰে। আমাৰ দেশৰ ক্ষেত্ৰতো এই কথা খাটে। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হিন্দী যদিও কেন্দ্ৰীয় তথা অসমৰ দৰে ৰাজ্যিক চৰকাৰৰ কাৰ্যালয়সমূহত ইংৰাজী ভাষাক মুখ্যভাৱে ব্যৱহাৰ কৰা হয়। আনকি ভাৰতৰ দাক্ষিণাত্যৰ ৰাজ্যসমূহে হিন্দীৰ সলনি ইংৰাজীক অধিক গুৰুত্ব দিয়া বাবে সেই ৰাজ্যসমূহৰ মানুহৰ লগত অন্য ৰাজ্যৰ মানুহে ব্যক্তিগত তথা চৰকাৰীভাৱে যোগাযোগৰ ক্ষেত্ৰত ইংৰাজী ভাষাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ভাৰতত স্বাধীনতা আন্দোলনৰ সময়তো বৃটিছ শাসনকৰ্তাৰ লগত আমাৰ নেতাসকলে প্ৰধানকৈ ইংৰাজী ভাষাৰেহে মত বিনিময় কৰিবলগা হৈছিল। সৌভাগ্যৰ বিষয় যে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি স্বাধীনতা আন্দোলনৰ নেতাসকলৰ ইংৰাজী ভাষাৰ ওপৰত বিশেষ দখল আছিল, যাৰ ফলত স্বাধীনতা আন্দোলন সফলভাৱে চলাই নিয়াত সুবিধা হৈছিল। অতীজত ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰখনত সংস্কৃত ভাষাইহে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। সেই সময়ত ভাৰতবাসীয়ে সংস্কৃত ভাষাৰ জৰিয়তে কি বিজ্ঞান, কি সাহিত্য সকলো দিশতে জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল। সময়ৰ সোঁতত তথা পৰিবৰ্তিত পৰিস্থিতিত সংস্কৃতৰ স্থান দখল কৰিলে ইংৰাজী ভাষাই। দুশ বছৰ ধৰি পৰাধীন হৈ থকাৰ বাবেই নেকি ভাৰতবৰ্ষৰ মানুহে ইংৰাজী ভাষাৰো অধীন হৈ পৰিল আৰু লগে লগে আধুনিক শিক্ষাৰ ক্ষেত্ৰত ইংৰাজী ভাষা

গ্ৰহণ কৰিবলগা হ'ল। আধুনিক ভাৰতত উচ্চ পৰ্যায়ত বিজ্ঞান, প্ৰযুক্তি বিদ্যা আহৰণৰ ক্ষেত্ৰত ইংৰাজী ভাষা যেন নহ'লেই নহয়। চিকিৎসা, ইঞ্জিনীয়াৰিং আদি বিবিন্ন বিষয়ত উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম চৰ্ত হিচাপে ইংৰাজী ভাষা ভালদৰে আয়ত্ব কৰাটো অতীৱ প্ৰয়োজনীয়। কেৱল এয়াই নহয়, আমাৰ দেশত উচ্চ পৰ্যায়ৰ প্ৰশাসনিক পদবীৰ বাবে আই.এ.এছ. (IAS), আই.এফ.এছ. (IFS), আই.ই.এছ. (IES) আদি প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হোৱাত ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ইংলেণ্ড, আমেৰিকা আদি দেশত আনকি ৰাষ্ট্ৰসংঘৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত বহু ভাৰতীয় মানুহে উচ্চ পদ অলংকৃত কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মূল চাবি-কাঠি হ'ল তেওঁলোকৰ ইংৰাজী ভাষাৰ জ্ঞান আৰু দক্ষতা। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি। ইংৰাজী নজনাকৈয়ো এটা জাতিয়ে জ্ঞান তথা শিক্ষাৰ উচ্চ শিখৰত উঠিব পাৰে যদিহে সেই জাতিটোৰ নিজৰ ভাষাটো ইংৰাজীৰ দৰে চহকী হয়। ৰুচ, চীন, ফ্ৰান্স, স্পেইন আদি পৃথিৱীৰ উন্নত দেশসমূহে ইংৰাজী অবিহনে নিজৰ মাতৃভাষাতে জ্ঞান-সভ্যতাৰ সকলো দিশতে আগবাঢ়িছে। ৰুছদেশৰ মহাকাশচাৰী নীল আৰ্মষ্ট্ৰং, এডুইন এলড্ৰিন আৰু মাইকেল কলিনচে ৰুছ ভাষাতে শিক্ষাগ্ৰহণ কৰি বিশ্বৰ ভিতৰতে প্ৰথম চন্দ্ৰত অৱতৰণ কৰি সমগ্ৰ বিশ্বক চমক খুৱাইছিল। গতিকে দেখা যায়, এটা জাতিৰ উন্নতি নিৰ্ভৰ কৰে সেই জাতিয়ে ব্যৱহাৰ কৰা ভাষাৰ ওপৰত। ঠিক তেনেদৰে কোনো এটা জাতিৰ উন্নতি নিৰ্ভৰ কৰে সেই জাতিয়ে ব্যৱহাৰ কৰা ভাষাৰ ওপৰত। ঠিক তেনেদৰে কোনো এটা জাতিয়ে সাহিত্য-সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিব পাৰে সেই জাতিয়ে ব্যৱহাৰ কৰা শক্তিশালী তথা চহকী ভাষাটোৰ মাধ্যমেৰে। জানিব পৰামতে ইংৰাজী সাহিত্য সংস্কৃতি ভঁৰালটো ইমানে টনকিয়াল যে সেই ভৰাঁলত নতুনকৈ একোৰে ভৰাবলগীয়া নাই বুলিব পাৰি।

আধুনিক ভাৰতৰ যিসকল মহৎলোকে জ্ঞানৰ উচ্চ শিখৰত উঠিবলৈ সক্ষম হৈছে তেওঁলোকৰ বেছি ভাগেই নিজৰ মাতৃভাষাৰ উপৰি ইংৰাজী ভাষাৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰিছে। আমাৰ ভাষা যেতিয়ালৈকে িংৰাজী, ৰুছ আদি ভাষাৰ দৰে চহকী নহ'ব তেতিয়ালৈকে উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ইংৰাজী যে শিকিব লাগিব তাক অস্বীকাৰ কৰিব নোৱাৰি। সাম্প্ৰতিক কালত জ্ঞানৰ সকলো শাখাতে ব্যুৎপত্তি লাভ কৰাত আমাৰ মাতৃভাষাই কিমানখিনি সহায় কৰে সেইটো বিচাৰ্যৰ বিষয়। কিন্তু ইংৰাজীয়ে যে পৰ্যাপ্তভাৱে সহায় কৰে সেইটো অনস্বীকাৰ্য। গতিকে আমি ভাৱো, আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে এটা নিৰ্দিষ্ট স্তৰলৈকে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিলেও উচ্চস্তৰত ইংৰাজী ভাষাৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। জ্ঞানৰ সকলো শাখাতে ব্যুৎপত্তি লাভ কৰাৰ ক্ষেত্ৰত মাতৃভাষাই যেতিয়া আমাৰ অভাৱ পূৰণ কৰিব পাৰিব তেতিয়া হয়তো আমি ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলেও হ'ব। এই অভাৱ পূৰণৰ বাবে ইংৰাজসকলৰ দৰে আমাৰ জাতিটোৱে গভীৰ সাধনা আৰু নিৰন্তৰ চেষ্টা কৰিব লাগিব।■■

# বিদ্যালয়ত নিয়মানুৱৰ্তিতা

প্ৰাপ্তি গগৈ

বিদ্যালয়ত পাঠ্যপুথিৰ শিক্ষাৰ লগতে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা এটা অপিৰহাৰ্য অংগ। নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা হ'ল এখন বিদ্যালয়ৰ পৰিৱেশসহ, আন্তঃগাঁথনিৰ সু-ব্যৱস্থা, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ সচেতনতা, পৰিচালনা সমিতি তথা শিক্ষক-শিক্ষয়িত্ৰীৰ যত্ন আৰু একাগ্ৰতা আদিৰ সু-ব্যৱস্থা।

বিদ্যালয় হ'ল— বিদ্যাৰ আলয়, অৰ্থাৎ বিদ্যাৰ আলয় বা ঘৰ। গতিকে বিদ্যালয়ত অংক, বিজ্ঞান আদি পাঠ্যপুথিৰ শিক্ষাৰ লগতে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতাৰ জ্ঞান লাভৰ স্থল থকাটো বাঞ্ছনীয়। নিয়মানুৱৰ্তিতাই শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণ কৰাত যথেষ্ট বৰঙণি আগবঢ়াব পাৰে। ই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সুঅভ্যাস আৰু সুস্থ-সবল সমাজ গঢ়ি তোলাত সহায় কৰে। গতিকে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা অবিহনে এখন বিদ্যালয়ক সম্পূৰ্ণ বিদ্যালয়ৰ আখ্যা দিব নোৱাৰি।

সাম্প্ৰতিক কালত প্ৰায়বিলাক চৰকাৰী বিদ্যালয়তে নিয়মানুৱতিতা আৰু শৃংখলাবদ্ধতা নোহোৱা দেখা যায়। গতিকে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতাৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি, যথেষ্টসংখ্যক অভিভাৱকে তেওঁলোকৰ সন্তানক বেচৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ নিয়া পৰিলক্ষিত হৈছে। এজন মানুহ অংক, বিজ্ঞান আদি পাঠ্যক্ৰমৰ জ্ঞান থাকিলেও, নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতাৰ জ্ঞান নাথাকিলে এখন ঘৰ, সমাজ বা দেশ শাসনত কিছু হ'লেও ব্যাঘাত জন্মাতো নুই কৰিব নোৱাৰি। গতিকে এনে শিক্ষা বিদ্যালয়ত থাকিলে, ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ জ্ঞান লাভ কৰাৰ লগতে ভৱিষ্যতে একো একোখন ঘৰ, সমাজ বা দেশ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিব। কিয়নো, আজিৰ ছাত্ৰ-ছাত্ৰী ভৱিষ্যতৰ দেশৰ একো একোজন নাগৰিক। আনহাতে সকলো সমাজ বা ঘৰতে নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা নাথাকে। তেনে সমাজ বা ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়তে এনে শিক্ষা গ্ৰহণ কৰিব পাৰে।

গতিকে বিদ্যালয়ত নিয়মানুৱৰ্তিতা থাকিলে আৰু শৃংখলাবদ্ধতা থাকিলে ছাত্ৰ-ছাত্ৰী সু-শিক্ষিত কৰাৰ লগতে শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশতো সবল কৰিব পাৰিব।◆



# পৰিৱেশ সংৰক্ষণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

জুৰি হাজৰিকা

আমাৰ চাৰিওফালে থকা জীৱবা জীৱ সমষ্টিৰ কেউফালৰ পাৰিৱেশিক অৱস্থাকে পৰিৱেশ বুলি কোৱা হয়। পৰিৱেশ বুলিলে আমাৰ চাৰিওফালে থকা ঘৰ-দুৱাৰ, গছ-গছনি, নদ-নদী আদিক একেলগে সামৰি লোৱা হয়।

পৰিৱেশ প্ৰদূষিত হ'লে জীৱসমূহৰ ওপৰত প্ৰভাৱ পৰে। ইয়াৰ ফলত কিছুমান প্ৰজাতি বিলুপ্ত হ'ব পাৰে। জীৱমণ্ডলত থকা জীৱসমূহ প্ৰত্যক্ষভাৱে নাইবা পৰোক্ষভাৱে এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতাৰ ভিত্তিত প্ৰাকৃতিক ভাৰসাম্যতা গঢ়ি উঠে। যিকোনো ধৰণৰ অস্বাভাৱিক পৰিৱৰ্তনৰ দ্বাৰা এনে ভাৰসাম্য বিনষ্ট হ'ব পাৰে।

জীৱন-ধাৰণৰ মানদণ্ড সমগ্ৰ পৃথিৱীতে বিদ্যমান। কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আদি নৱীকৰণ অযোগ্য সম্পদৰ ভাণ্ডাৰ পৃথিৱীত অতি সীমিত।

পৰিৱেশ সংৰক্ষণ আৰু প্ৰকৃতিয়ে দিয়া সম্পদৰাজিৰ সু-পৰিকল্পিতভাৱে ব্যৱহাৰ কৰাটো সুৰক্ষাৰ ব্যৱস্থাৰ সৈতে প্ৰায় একে। নৱীকৰণ অযোগ্য সম্পদ সংৰক্ষণ আৰু নৱীকৰণযোগ্য সম্পদৰ পুনৰ গঠন প্ৰক্ৰিয়াকে সামগ্ৰিকভাৱে পৰিৱেশৰ সম্পদ সংৰক্ষণ বুলি অভিহিত কৰা হয়। পৰিৱেশ সংৰক্ষণৰ কেইবাটাও বাস্তৱিক দিশ আছে। ভূমি সংৰক্ষণ, বন সংৰক্ষণ, জল সংৰক্ষণ আদি।

ভূমি সংৰক্ষণ ঃ ভূমি মানুহৰ প্ৰাথমিক সম্পদ। এই সম্পদৰ অবিহনে প্ৰাকৃতিক সম্পদসমূহ মূল্যহীন। বিনা কাৰণত ভূমিক্ষয় হ'ব পৰা কাৰ্য কৰিব নালাগে। গছ-গছনি ৰোপণ কৰি ভূমি সংৰক্ষণ কৰিব পাৰি। পাহাৰীয়া এঢলীয়া ঠাইত, নদীৰ পাৰত গছ-গছনি ৰুই প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধিৰ লগতে ভূমিও সংৰক্ষণ কৰা আৱশ্যক।

বন সংৰক্ষণ ঃ ভূ-পৃষ্ঠৰ মুঠ মাটিকালিৰ প্ৰায় তিনি ভাগৰ এভাগ বনাঞ্চল। বনাঞ্চল হৈছে নানা প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণীৰ বাসভূমি। বনাঞ্চলে জীৱ-জন্তুক খাদ্যশৃংখল অটুট ৰখাত সহায় কৰে।

বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থা হ'ল— অৰ্থনৈতিক লাভৰ বাবে মানুহে জধে-মধে গছ-গছনি কাটিব নালাগে। পোহনীয়া গৰু-ছাগলীক চৰণীয়া পথাৰত এৰি দিব নালাগে।

জল সংৰক্ষণ ঃ জল সংৰক্ষণ নহ'লে মানুহৰ বহুতো অনাটন হয়। মানুহে অবাবত পানী নষ্ট কৰিব নালাগে। তাৰ বাবে মানুহে পানী সংৰক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে। কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা দূষিত পানী নদী, পুখুৰী বা যিকোনো জলাশয়ত এৰি দিব নালাগে। মল-মূত্ৰ ত্যাগ বা গছ-গছনিৰ পাত, জাৱৰ-জোথৰ পানীত পেলোৱা অনুচিত।

মানুহে জধে-মধে স্থাপন কৰা কল-কাৰখানা আদিৰ পৰা পৰিৱেশ প্ৰদূষণ হয়। তাৰ বাবে আমি পৰিৱেশ সংৰক্ষণ কৰিব লাগে। নহ'লে ভৱিষ্যৎ প্ৰজন্মই যথেষ্ট কষ্ট ভোগ কৰিব। আমাৰ সু-পৰিকল্পিত কাৰ্যৰ দ্বাৰা পৰিৱেশ সংৰক্ষণ কৰা উচিত।◆

# কুমাৰ কাল আৰু শিক্ষা

বাবুল বৰা

ভাগৱত শাস্ত্ৰত উল্লেখ থকা 'কুমাৰ কাল' এটি বহুলভাৱে চৰ্চিত বিষয়। ভাগৱতৰ মতে ৬ বছৰৰপৰা ১৬ বছৰ পৰ্যন্ত এই সময়ছোৱাক 'কুমাৰ কাল' বুলি ধৰা হয়। ব্যাসদেৱেও ব্ৰজগোপীসকলক 'কুমাৰিকা' বুলিছে। লক্ষ্মীনাথ বেজবৰুৱাই ইয়াৰ ব্যাখ্যা আগবঢ়াইছিল এই বুলি— "কুমাৰী' শব্দত অল্পাৰ্থে 'কণ' প্ৰত্যয় যোগ কৰিলে 'কুমাৰিকা' শব্দ হয়।" দুয়োটা শব্দই ভাৰতীয় ধৰ্মীয় দৰ্শনত এক অনন্য স্থান অধিকাৰ কৰি আছে। সেই কম বয়সীয়া কলিকা বা কুমাৰীসকলে অৰুণোদয় মতে কালিন্দীৰ জলত স্নানাদি কৰি পানীৰ কাষতে বলুকাময়ী প্ৰতিমা নিৰ্মাণ কৰি, ধূপ-দীপ-নৈবেদ্য দি কাত্যায়নীক পূজা কৰি প্ৰাৰ্থনা কৰিছিল— হে কাত্যায়নী! নন্দগোপৰ পুতেক শ্ৰীকৃষ্ণক আমাৰ স্বামী কৰি দিয়া।" কম বয়সীয়া কুমাৰীয়ে পৌগণ্ড বয়সৰ শিশু কৃষ্ণক পৰমাৰ্থিক জীৱনৰ গৰাকী হিচাপে পোৱাৰ হেঁপাহ আৰু 'ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম্ম' বুলি শিশু প্ৰহ্লাদে তেওঁৰ সমবয়সৰ শিশুসকলক 'ভাগৱত ধৰ্ম' আচৰণ কৰিবলৈ দিয়া উপদেশ দুয়োটাই শিশুৰ শৈক্ষিক জগতখনৰ বাবে অতি তাৎপৰ্যপূৰ্ণ ঘটনা। কাৰণ এটি শিশুৰ বাবে কুমাৰ কালটোৱে হৈছে শিক্ষা আহৰণৰ উপযুক্ত সময়। এই সময়ছোৱাতেই শিশুসকলে বিদ্যালয় সম্পৰ্কীয় আৰু ধৰ্মী সম্পৰ্কীয় শিক্ষা গ্ৰহণ কৰে। কোমল বয়সত যদি শিশুসকলক শিক্ষিত কৰি তুলিব পাৰি, তেন্তে তেনে শিশুৰপৰা এটি উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি।

আমাৰ দেশত সাধাৰণতে দুই পৰা পাঁচ বছৰ বয়সত শিশু বিদ্যালয়লৈ যাবলৈ শিকে। এই বিদ্যালয় শিশুৰ বাবে সামাজিক জীৱনৰ আৰম্ভণি। ব্যক্তি জীৱনৰপৰা সামাজিক জীৱনলৈ গতি কৰি এক বহল জীৱনৰ পাতনি মেলা— এই বিদ্যালয়ক সেয়ে Miniature Society অৰ্থাৎ ক্ষুদ্ৰ আকৃতিৰ সমাজ বুলিব পাৰিব। শিশুসকলৰ প্ৰথম শিক্ষা আৰম্ভ হয় খেলা-ধূলা আৰু সংগীতেৰে। ইয়াৰ পিছতেই নৈতিক-আধ্যাত্মিক তথা সাংস্কৃতিক জগতখনত প্ৰৱেশ ঘটে। খেলা-ধূলাৰ মাজেৰে শৰীৰ-মন আৰু সংগীতৰ মাজেৰে শিশুৰ আত্মবোধ আৰু গভীৰ প্ৰশান্তিৰ বিকাশ হয়। সেয়ে শিশুসকলক বিশাল মন, সুন্দৰ শৰীৰ আৰু নৈতিক আৰু আধ্যাত্মিক গুণবিশিষ্ট সাংস্কৃতিক জীৱন এটাৰ সন্ধান দিব লাগিব— এখন উপযুক্ত সমাজ আৰু এটা শৈক্ষিক পৰিৱেশৰ। শিশুৰ প্ৰথম শৈক্ষিক জীৱন আৰম্ভ হয় ঘৰখনত। সেয়ে ঘৰখনক শিশুৰ শিক্ষাৰ কঠিয়াতলি বুলি কোৱা হয়। ইয়াতেই শিশু শিক্ষাৰ বীজ অঙ্কুৰিত হয়। ঘৰখনক যদি এখন কল্পনাৰ সৰগ বোলা যায় তেন্তে শিশু সেই সৰগী আকাশৰ এটি এটি উজ্জ্বল নক্ষত্ৰ। যি নিজেও পোহৰ হ'ব আৰু আনকো পোহৰাই তুলিব। ঘৰখনৰ অন্তৰালত আকৌ থাকে একো একোজন পিতৃ-মাতৃৰ ভূমিকাই সৰ্বাবিধ। অৰ্থাৎ এটা কথা থিক যে শিশুৰ অনানুষ্ঠানিক শিক্ষা আৰম্ভ হয়

ঘৰখনতেই। কিন্তু ধৰ্মীয় শাস্ত্ৰসমূহ অলপ আগুৱাই গৈ ঘোষণা কৰিছে যে শিশুৰ শিক্ষা আচলতে মাতৃ গৰ্ভতে আৰম্ভ হয়। ইয়াৰ উদাহৰণ অভিমন্যু আৰু প্ৰহ্লাদ। প্ৰহ্লাদে মাতৃ-গৰ্ভতে পৰমজ্ঞান লাভ কৰাৰ কথা ঘোষণা কৰিছিল এনেদৰে—

"দয়ালু নাৰদ পিতৃ সমান।
মাতৃক দিলন্ত পৰম জ্ঞান।।
ভক্তিৰ লক্ষণ সৱ কহিল।
গৰ্ভতে মোক উপদেশ দিল।।"

পিতৃসম নাৰদে মাতৃ কয়ধুক পৰমজ্ঞান দিওঁতে মাতৃ গৰ্ভত থকা প্ৰহ্লাদে পঞ্চম মাহতে পৰমজ্ঞান লাভ কৰিছিল। আধুনিক বিজ্ঞানেও স্বীকাৰ কৰিছে যে শিশুই জন্মৰ পূৰ্বেই শৰীৰ বিকাশৰ লগে লগে জ্ঞান আহৰণ কৰিবলৈ আৰম্ভ কৰে মাতৃৰ গৰ্ভতে। গতিকে শিক্ষাৰ ক্ষেত্ৰখনত পিতৃ-মাতৃৰ ভূমিকা আটাইতকৈ অধিক আৰু ওচৰচপা। ইয়াৰ পিছতেই আহে বিদ্যালয় শিক্ষা। এই শিক্ষাও আৰম্ভ দুইৰ পৰা পাঁচ বছৰ বয়সত আৰু শেষ হয় চৈধ্য-পোন্ধৰ বছৰ বয়সত (বিশেষকৈ হাইস্কুল শিক্ষান্ত পৰ্যায়)। এই সময়ছোৱাও কুমাৰ কালৰ ভিতৰতে সোমাই পৰে। যিটো সময় শিশু বা যুৱসকলৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰী শিশু-যুৱসকলৰ শিক্ষা নিৰ্ভৰ কৰে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত। পণ্ডিত J.J. Rousseau এষাৰ কথা এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। তেওঁ কৈছিল— 'Plants are developed by cultivation and men by education.' সঁচা অৰ্থাৎ শিক্ষাই মানুহক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলে। কিন্তু সেই শিক্ষা যদি সমাজৰ হিতসাধন নকৰি ব্যক্তি বিশেষৰহে হিত সাধে তেনে শিক্ষাৰ কাৰোৰে কাম্য নহ'ব। বৰ্তমান সমাজ জীৱনত সেয়ে বহু পিতৃ-মাতৃ বিপদত পৰিছে। প্ৰকৃততে তেওঁবিলাকৰ সন্তানবোৰ সঁচা অৰ্থত শিক্ষিত হৈছেনে অথবা তেওঁলোকৰ সন্তানবোৰ সঁচা অৰ্থত সুৰক্ষিতনে? তাৎপৰ্যপূৰ্ণভাৱে এটা কথা স্বীকাৰ কৰিব লাগিব যে আজিৰ শিক্ষা ব্যৱস্থাই সঁচা অৰ্থত এজন 'মানুহ' সৃষ্টি কৰিবলৈ অপাৰগ। এজাক ধন ঘটা মেচিন তৈয়াৰ কৰাৰ বাহিৰে আজিৰ শিক্ষাই তাতকৈ বেছি একোৱেই দিব নোৱাৰিলেহেঁতেন যদিহে ভাৰত বা অসমত এটি নৈতিক আৰু আধ্যাত্মিক আধাৰ নাথাকিলহেঁতেন। এটা সময়ত অসমৰ শিক্ষা ব্যৱস্থাৰ লগত নৈতিক আৰু আধ্যাত্মিক পাঠ সম্পৃক্ত হৈ আছিল। তেনে শিক্ষাৰে শিক্ষিত কবি চন্দ্ৰ কুমাৰ আগৰৱালাই সেয়ে লিখিছিল—

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘলৈ
জয় জয় মানৱ দেৱ।।"

কিন্তু দুখেৰে স্বীকাৰ কৰিব লাগিব যে বৰ্তমান শিক্ষা ব্যৱস্থাৰপৰা নৈতিক আৰু আধ্যাত্মিক শিক্ষা লাহে লাহে অন্তৰ্ধ্যান হ'বলৈ ধৰিছে। আধ্যাত্মিক আৰু নৈতিক সমাজবাদৰ পৰিৱৰ্তে বুৰ্জোৱা সংস্কৃতি, বিলাস-বৈভৱ আৰু বস্তুবাদী চিন্তা আৰু কাৰ্যৰে আজিৰ আকাশ মুখৰিত। বিশ্বায়নৰ প্ৰভাৱে প্ৰকৃত ভাৰতীয় সংস্কৃতিৰ মূল্যবোধৰ চিন্তা আৰু দৰ্শনবোৰ ঢাকি পেলালে। ধৰ্মীয় বিশ্বাস, জীৱন-দৰ্শন, নৈতিক আদৰ্শ, ৰাজনৈতিক আদৰ্শ, আচাৰ-ব্যৱহাৰ, নীতি-নিৰ্দেশিকা সকলোবোৰ সময়ৰ লগত যেন পৰিৱৰ্তন হ'বলৈ ধৰিলে। বেদান্তই ঘোষণা কৰা— "শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ" আমি সকলো অমৃতৰ সন্তান। কিন্তু এই অমৃতৰ সন্তান আজি বিপথগামী। ইয়াৰ বাবে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, সমাজ নে শিক্ষা ব্যৱস্থা দায়ী। কিন্তু

সকলো আহুকালৰ মাজতে আমাৰ উত্তৰাধিকাৰী নতুন পুৰুষসকলক শিক্ষিত কৰি ভাবি ভৱিষ্যতৰ সমাজৰ ত্ৰাণকৰ্তা ৰূপত গঢ়ি তুলিব পাৰিব লাগিব। আব্ৰাহম লিঙ্কনে কৈছিল— 'আপোনালোকে যি কাম আৰম্ভ কৰিছে, শিশুসকলে সেই কাম আগুৱাই নিব। শিশু ডাঙৰ হৈ আপোনাৰ ঠাইত বহিব।'

শিশুৰ বিকাশৰ কাৰকবিলাকলৈ লক্ষ্য কৰিলে দেখা যায়— কিছুমান কাৰক সহজাত আন কিছুমান পৰিৱেশ সৃষ্টি। বিশেষকৈ শাৰীৰিক গঠন, চলন-ফুৰণ আৰু মানসিক সক্ষমতা আদিবোৰ সহজাত আন কিছুমান পৰিৱেশৰ পৰা শিশুৱে শিকে। সাধাৰণতে শিশু এটাই নিজৰ বিদ্যালয়খন, নিজৰ ঘৰখন, ওচৰ-চুবুৰীয়া আৰু সমাজৰপৰা আহৰণ কৰা শিক্ষাৰ সহায়ত নিজৰ ব্যক্তিত্ব গঢ়ি তোলে। শিক্ষা হৈছে জীৱন বন্তি, শিক্ষাই হৈছে জীৱনৰ জেউতী। এই জীৱনজ্যোতি সদৃশ শিক্ষাৰ বাবে আমাৰ শিশুসকলক আধ্যাত্মিক শিক্ষাৰে পৰিপূৰ্ণ প্ৰায় ছশবছৰীয়া পৰম্পৰা, জাতীয় চেনতা, জাতীয় চিৰসেউজ কৃষ্টি-সংস্কৃতি দৰ্শনৰ লগত চিনাকি কৰি দি শিশুসকলক গঢ়ি তুলিব লাগিব যোগ্য উত্তৰাধিকাৰী ৰূপে। শ্ৰদ্ধা-নিষ্ঠা, দয়া-ক্ষমা ধৈৰ্য্যশীল-সহনশীল কৰি আমাৰ প্ৰজন্মক গঢ়ি তুলিবলৈ অন্যান্য শিক্ষাৰ লগতে ধৰ্ম-শিক্ষা আৰু কৰ্ম-শিক্ষা দিয়াটো নিতান্তই প্ৰয়োজন। আমাৰ সমাজখনত বহু এনে লোক আছে যি ধৰ্মৰ নামত এনে কিছুমান কাৰ্যক প্ৰোৎসাহন দি আহিছে। যি বৰ্তমান সমাজ জীৱন আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে অতি মাৰাত্মক। যিহেতু আমাৰ শিশুসকল বা নতুন প্ৰজন্ম ডাঙৰহৈ সামাজিক জীৱনত প্ৰৱেশ কৰি এনে কিছুমান নাভূত-নাশ্ৰুত কাৰ্যৰ সন্মুখীন হয়, যিবোৰে তেওঁবিলাকৰ মনত গভীৰ প্ৰভাৱ পেলায়। ডাঙৰৰ হাতত ধৰি এটা বিৰাট জীৱনৰ পাতনিতে যেতিয়া এনে কিছুমান আহুকালে দেখা দিয়ে তেতিয়া শিশুৰ কোমল মনত ভাঙি যায়। সেয়ে ঘৰ, বিদ্যালয়, ওচৰ-চুবুৰীয়া এৰি সমাজলৈ গতি কৰা সময়কণ তেওঁবিলাকৰ বাবে এক প্ৰত্যাহ্বান হিচাপে চিহ্নিত হয়। তেনে প্ৰত্যাহ্বান দূৰ কৰিবৰ বাবেই তেওঁবিলাকক পৰিচয় কৰাই দিব লাদিব— সেইখন সমাজক যিখন সমাজক দুজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে পাতি থৈ গৈছিল প্ৰেম-প্ৰীতি আৰু মৈত্ৰীৰে। শিশুৰ জন্মগত প্ৰবৃত্তিসমূহৰ সংশোধন আৰু বিকাশৰ থলী সমাজখন, মানুহক মানুহ হিচাপে গঢ়ি তোলা সমাজখন পৰিশোধিত এখন নিকা সমাজ নহ'লে শিশুৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় বিকাশে আনি দিয়া সা-সুবিধাৰ কাৰণে মানুহ বিলাসিতাপূৰ্ণ জীৱনৰ প্ৰতি আকৰ্ষিত হৈছে। ফলত মানুহ হৈ পৰিছে অধিক বস্তুকেন্দ্ৰিক। লগে লগে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধসমূহ মানৱ সমাজৰপৰা ক্ৰমান্বয়ে লোপ পাবলৈ ধৰিছে। তেনে সময়ত যদি অতি প্ৰয়োজনীয় শিশুৰ নৈতিক আৰু আধ্যাত্মিক বিকাশৰ বাবে কিছু বাস্তৱিক ব্যৱস্থা লোৱা নাযায়; তেন্তে অনাগত দিনবোৰ দুৰ্যোগৰ কলিয়া ডাৱৰে যে ঢাকি নেপেলাব তাৰ কোনো নিশ্চয়তা নাই। এনে সন্ধিক্ষণত দুৰ্লঙ্ঘ্য মেৰুগিৰি ভেদি জাতি-অজাতিৰ জ্যাতাভিমানৰ প্ৰাচীৰ ভাঙি এখন সুস্থ-সবল মানৱ সমাজ গঢ়াৰ সংকল্প ল'ব লাগিব আজিৰ যুৱ চামে, শিশুসকলে। পৰিৱৰ্তিত সমাজ-ব্যৱস্থাৰ লগতে খাপখাবলৈ বিজ্ঞান-প্ৰযুক্তিৰ লগতে ধৰ্মীয় দৰ্শন আৰু আধ্যাত্মিক সাম্যবাদৰ মহামন্ত্ৰ আওৰাব লাগিব উত্তৰপুৰুষে। তেতিয়াহে মহাপুৰুষ গুৰুজনাৰ আকাঙ্খিত সমাজখনে বাস্তৱ ৰূপ পাব।■■

# নৈতিক আৰু আধ্যাত্মিক শিক্ষা আৰু আমাৰ শিশু

ধনেশ্বৰ হুজুৰী

"সজ কথা সজ মাত সজ ব্যৱহাৰ
তেনেই আচৰণকেই বোলে শিষ্টাচাৰ।"

মানুহ সমাজপ্ৰিয়। কিন্তু জ্ঞান বুদ্ধি সকলোবোৰ গুণে আছে বাবে মানুহ সবাতকৈ শ্ৰেষ্ঠ মানৰে জগতৰ মূল আধাৰ ভগৱানৰ বিশ্বাস কৰি একান্ত চিত্তে নিজ কৰ্ম কৰা চৰিত। আমাৰ প্ৰতিজন ব্যক্তিয়ে নৈতিক চৰিত্ৰ সৎ চিন্তাৰ দ্বাৰা অমৃতৰ পুত্ৰ মানৰে ভাল-কামৰ প্ৰতি অগ্ৰসৰ হ'ব লাগিব। নৈতিক অৰ্থাৎ জীৱনৰ লক্ষ্য হ'ব লাগিব আদৰ্শ মানুহ হোৱা। নৈতিকতা হৈছে শিক্ষাৰ মেৰুদণ্ড। যি শিক্ষা লাভ কৰিলে মানুহৰ ভাল চৰিত্ৰ গঠন হয়, মানুহ নম্ৰ, পৰোপকাৰী, সত্যবাদী, নিষ্ঠাবান আৰু কৰ্মৰ প্ৰতি স্পৃহা জাগ্ৰত হয় তেনেবোৰ শিক্ষাই আমাৰ প্ৰয়োজন। যি নৈতিক শিক্ষাই এটা আদৰ্শ আৰু আনন্দময় জীৱন গঢ়ে। নৈতিক আৰু আধ্যাত্মিকতাই মানুহৰ মনত অশুভ প্ৰবৃত্তি ৰোধ কৰি সত্য অহিংসা ত্যাগ সহিষ্ণুতা সকলো প্ৰাণীৰ দয়া-স্নেহ কৰুণা সেয়ে আজি প্ৰত্যেক লোকে নৈতিক আধ্যাত্মিক জ্ঞানেৰে নতুন প্ৰজন্মক গঢ়ি তুলিব লাগিব। যি মূলা বাঢ়ে তাৰ দুপাততে চিন। গতিকে আমাৰো জীৱনৰ বাট বুলাৰ বাবে নতুন পোহৰৰ বাট দেখুৱাই দিব লাগিব। সেয়েহে আমাৰ শিশুসকলক নৈতিক আদৰ্শ দয়া, প্ৰেম, কৰুণাৰ বিষয়ে শিক্ষা দিব লাগিব। শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হোৱাৰ আৱশ্যক। এই মানৱীয় গুণ শিশুকালৰ পৰাই গঢ়ি তোলাৰ বাবে আমাৰ পিতৃ-মাতৃয়ে চেষ্টা আৰু যত্ন কৰিব লাগিব। এই সম্পৰ্কে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ বাপ শ্ৰীযুত কমলাকান্ত কলিতা বাপে কৈছিল যে— প্ৰতিজন অসমীয়াই উৎসাহ আৰু উদ্দীপনাৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শ আৰু নীতি প্ৰচাৰ কৰাৰ চেষ্টা কৰিব লাগিব। অসমীয়াৰ জাতি সত্তাক জীয়াই ৰাখিবলৈ হ'লে শঙ্কৰদেৱৰ ধৰ্ম-সংস্কৃতি আৰু সাহিত্যৰ বিকাশ সাধন কৰিব লাগিব। ইতিমধ্যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সেৱা-বাহিনী আৰু শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় স্থাপন কৰি ইংৰাজী মাধ্যমৰ লগতে শঙ্কৰদেৱ নীতি-আদৰ্শ আৰু আধ্যাত্মিক দিশত শিক্ষা দিয়াৰ আঁচনি লোৱাৰ কথা কয়। আধ্যাত্মিকতা শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে অধি + আত্ম - আধ্যাত্মতাৰ লগত ষ্ণিক প্ৰত্যয় যোগ হৈ আধ্যাত্মিক শব্দ হৈছে। ইয়াৰ অৰ্থ হৈছে মানসিক দিশৰ উত্তৰণ ঘটা এটা পৰম সম্পদ। ইয়াৰ বাবে লাগিব মানুহক নিৰৱচ্ছিন্ন ঈশ্বৰ চিন্তা। আৰু মানৱীয় গুণৰ বিকাশ ঘটোৱা শিক্ষা। সমাজৰ হিংসা নীতি দুৰ্নীতি বিদ্বেষভাৱে পৰিহাৰ কৰি প্ৰেম প্ৰীতি অটুট ৰাখি সমাজত যাতে বিভেদকামী শক্তিয়ে বিৰাজ কৰিব নোৱাৰে তাৰ বাবে আমি প্ৰতিটো জাতি-গোষ্ঠীৰ লোকে ঐক্য আৰু সংহতিৰে আগবাঢ়ি যাব লাগিব। আমি আমাৰ ধৰ্মীয় সামাজিক, সাংস্কৃতিক অধিকাৰ সাব্যস্ত কৰি এখন শোষণহীন সমাজ গঢ়িবলৈ প্ৰত্যেকে চেষ্টা কৰা উচিত। তেওঁ আৰু কয় যে প্ৰতিজন লোকে গুৰুধৰ্ম ৰক্ষা কৰাৰ

বাবে সংকল্পবদ্ধ হৈ ওলাই আহিব লাগিব। বিশেষকৈ আমাৰ যুৱক-যুৱতীসকলে কৃষ্ণ সংস্কৃতিৰে নিজ জাতি সত্তাক জীয়াই ৰখাৰ বাবে আগবাঢ়ি আহিব লাগিব।

সেৱা-বাহিনী গঠন কৰি উঠি অহা যুৱক-যুৱতীৰ মাজত সমাজ সেৱা, প্ৰাকৃতিক দুৰ্যোগ, বিপদকালিন সময়ত দুখীয়া-নিচলাক সহায় কৰা, শ্ৰমদান কৰা, গাঁৱত নিৰক্ষৰ লোকক শিক্ষাৰ ব্যৱস্থা কৰা, প্ৰাথমিক বিদ্যালয়, ৰাস্তা-ঘাট মেৰামতি কৰি এটা সমাজ সেৱাৰ মনোভাৱ গঢ়ি তুলিব লাগিব। আমাৰ তৃণমূল পৰ্যায়ৰপৰা নীতি আদৰ্শ ৰক্ষা কৰা, চৌদিশে জ্ঞান বিকাশ কৰা, শিশু শিক্ষা ব্যায়াম, শৰীৰ চৰ্চা, সংগীত-কলা, চিত্ৰকলা আদি দ্বাৰা এই শিশুসকলক শিক্ষা দি এটা সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে চেষ্টা কৰিব লাগিব।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাথমিক শাখাৰ সভাপতি, সম্পাদক আৰু বাপ-বান্ধৱসকল ন্যায় পৰায়ণ, সত্যবাদী নিষ্ঠাবান পৰোপকাৰী হোৱাৰ কথা কোৱাৰ লগতে কৰ্ম পদ্ধতি, কৰ্ম আঁচনি মানৱতাবাদী চিন্তাৰে উদ্বুদ্ধ হৈ এখন আদৰ্শ আধ্যাত্মিক সমাজ গঠন কৰাৰ বাবে আহ্বান জনায়।

ইয়াৰ উপৰি আমাৰ সমাজৰ অৱহেলিত নাৰীসকলে ওলাই আহি তেওঁলোকৰ সামাজিক মৰ্যাদা অটুট ৰখাৰ লগতে শিশুসকলৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব। 'তিৰিয়ে গিৰি'। গতিকে এই আমাৰ আই-মাতৃসকলে নিজ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ সৰুৰপৰা নৈতিকতাৰ শিক্ষা দিব লাগিব। লগৰ লগৰীয়া সমনীয়াৰ প্ৰতি সজ আচৰণ পিতৃ-মাতৃৰ প্ৰতি ভক্তি শ্ৰদ্ধা শিক্ষা গুৰুৰ প্ৰতি সন্মান, নিজ কৰ্তব্যৰ প্ৰতি সজাগতা নিজৰ অধ্যয়নৰ প্ৰতি আগ্ৰহ, কৰ্মৰ স্পৃহা সজ আচৰণৰ বাবে শিক্ষা দিব লাগিব। কিয়নো এশ জন শিক্ষকে যি শিক্ষা দিব পাৰে এগৰাকী সুমাতৃয়ে ইয়াতকৈ ভাল শিক্ষা দিব পাৰে বুলি কোৱা হৈছে। অৱশ্যে মাতৃ গৰাকী সৎ চৰিত আৰু সৎচিন্তা আৰু ঈশ্বৰ কিবাসী হ'ব লাগিব।

নিজৰ নিজৰ ল'ৰা-ছোৱালী যাতে কুসংগত যাব নোৱাৰে, কু-বাক্য ক'ব নোৱাৰে তাৰ বাবে মাতৃসকলে সজাগ প্ৰহৰীৰ দৰে লক্ষ্য ৰাখিব লাগিব। নিজৰ ল'ৰা-ছোৱালীয়ে কি কাম কৰে, ক'লৈ যায় তাৰ সম্পূৰ্ণ খবৰ মাতৃগৰাকীয়ে ৰাখিব লাগিব। ই হৈছে মাতৃৰ দায়িত্ব। তদুপৰি নিজৰ আচৰণৰ দ্বাৰা মানুহক চিনিব পৰা যায়। মানুহৰ ব্যক্তিত্ব আচৰণৰ জৰিয়তেহে প্ৰকাশ পায়। গতিকে এইবোৰৰ উপৰি যুক্তিবাদ আৰু ভক্তিবাদৰ এক সু-সম্বন্ধ ঘটিলেহে সামাজিক উত্তৰণ সম্ভৱ হয়। ইয়াৰ বাবে লাগিব মানৱতাবাদী সভ্যতা। ইয়াৰ মূল প্ৰেৰণাসমূহ হ'ল— আত্মীয় সংযম, অতুলনীয় সাহস, ধৈৰ্য, বীৰত্ব, কষ্ট সহিষ্ণুতা আদি মানৱ প্ৰেম। গতিকে এনেবোৰ সজ গুণৰ যাতে শিশুসকল অধিকাৰী হ'ব পাৰে তাৰ সদা সৰ্বদা পিতৃ-মাতৃয়ে যত্ন কৰিব লাগিব।

সেয়েহে আজি বিপদ সংকুল অৱস্থাত শঙ্কৰদেৱৰ আদৰ্শ আৰু কৃতীয়ে আমাক প্ৰকৃত বাট দেখুৱাব পাৰিব বুলি আশা কৰিছোঁ। সেই কাৰণে আমি সাধনা কৰিব লাগিব আৰু মানৱতাবাদ দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিবলৈ প্ৰত্যেকে চেষ্টা কৰা উচিত। ইয়াৰ বাবে লাগিব পাৰস্পৰিক বুজা-বুজি, ভাতৃত্ববোধ আৰু ঐক্য সংহতি।

সেই কাৰণে এখন সুন্দৰতম্ সমাজ গঢ়িবলৈ সৌম্য আৰু সহজ উদাৰ আৰু নিষ্ঠাবান, ব্যক্তিত্বৰ উত্তাপ অনুভৱ কৰাটো প্ৰতিজন লোকৰ মহান দায়িত্ব। কৰ্মইহে মানুহক সৎপথলৈ লৈ যায়। ভাল কৰ্ম কৰিলে ভাল ফল পোৱা যায়। প্ৰকৃত কৰ্মই হৈছে— ধৰ্ম।■■

# গুৰু শিষ্যৰ আত্মিক সম্বন্ধ- এটি আলোকপাত



ডাঃ সমৰ তালুকদাৰ

'গুৰু আৰু শিষ্যৰ আত্মিক সম্বন্ধ' শীৰ্ষক বিষয়টোৰ বিশ্লেষণ অতি বিশাল, গভীৰ। প্ৰাচীন ধৰ্মীয় সাহিত্যসমূহত এই বিষয়টোৱে সদায় এটি বিশেষ প্ৰাধান্য লাভ কৰি আহিছে। জনশ্ৰুতি যেন লগা কিছুমান গুৰু শিষ্যৰ ভক্তিমূলক আদৰ্শৰে ভৰপূৰ কাহিনীয়ে গুৰু আৰু শিষ্যৰ সম্বন্ধ গাঢ়, পৱিত্ৰ আৰু আত্মিক কৰাত এক বিশেষ ভূমিকা লৈ আহিছে। সাম্প্ৰতিক সময়ত প্ৰাচীন ঐতিহ্যমণ্ডিত মহাভাৰত, ৰামায়ণ, পঞ্চতন্ত্ৰমূখ্ম গুৰু চৰিত আদি যুগজয়ী কাব্য-গ্ৰন্থ উপাখ্যানসমূহৰ সাৰাংশমূলক কাহিনীসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ বাধ্যতামূলক পাঠ-পুথিৰ পৰা নাইকিয়া কৰাত বৰ্তমান সময়ত গুৰু-শিষ্যৰ মাজত আদৰ্শৰ ব্যৱধান ক্ৰমান্বয়ে বাঢ়িবলৈ লৈছে। ঘটনা প্ৰবাহে বিপৰীতমুখী প্ৰভাৱ পেলাইছে। গুৰু শিষৰ মাজত মাজে সময়ে কিছুমান অবাঞ্চিত ঘটনা ঘটিব ধৰিছে। যাৰ পৰিত্ৰাণ পাবলৈ হ'লে আমি গুৰু শিষ্যৰ আত্মিক সম্বন্ধ শীৰ্ষক বিষয়ৰ ওপৰত কৰিব লাগিব নিৰ্মোহ বিশ্লেষণ, প্ৰয়োজন হ'ব গুৰু শিক্ষ্য অভিভাৱকৰ মাজত গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ বহিব লাগিব সহৃদয়তাৰে, আত্মিকতাৰে, ঐকান্তিকতাৰে যিটোৱে গুৰু শিষ্যৰ মাজত ব্যৱধান হ্ৰাস কৰিব সহায়ক হ'ব এখন সুস্থ প্ৰগতিশীল সৰ্বাঙ্গসুন্দৰ শৈক্ষিক সমাজ গঢ়াত।

সাম্প্ৰতিক সময়ত শিশু আৰু যুৱ মানসিকতাৰ ওপৰত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰা দেখা যায়, বিভিন্ন মহলে অভিযোগ কৰে বৰ্তমান সময়ত এচাম যুৱক-যুৱতী বিপথে পৰিচালিত হৈছে। কিন্তু ইয়াৰ প্ৰকৃত কাৰণসমূহ নিৰ্মোহভাৱে বিশ্লেষণ কৰা দেখা নাযায়। যদি কাৰণসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰা নহয় তেন্তে প্ৰয়োজন হ'ব পোন প্ৰথমতে আত্ম বিশ্লেষণৰ।

কোনোজন ল'ৰা-ছোৱালী ল'ৰা-ছোৱালী জন্ম লগনতেই ভাল বা বেয়া হৈ নাহে। জন্মৰ পিছদিনাৰ পৰা শিশুটোৰ আদি পাঠ শিকোৱা হয় ঘৰখনত। মূলতঃ পিতৃ- মাতৃয়েই লয় মুখ্য ভূমিকা। সেইহেতু পিতৃ-মাতৃক আদি গুৰু বুলি কোৱা হয়। যদিহে পিতৃ-মাতৃ নিজে সংস্কাৰমুখী নহয় তেন্তে তেওঁলোকৰ সতি-সন্ততিৰ পৰা সংস্কাৰ আশা কৰাটো মৰুভূমিত মৰীচিকা বিচৰা লেখীয়া।মাতৃ কয়াধু বিষ্ণুভক্ত হোৱা হেতু তেওঁৰ সংস্কাৰৰ ফলশ্ৰুতিও লাভ কৰিছিল ভক্ত প্ৰহ্লাদক। এনেকুৱা নিদৰ্শন হয়তো আৰু বহু আছে।

ঘৰখনত আদিপাঠ শিকোৱাৰ পিছতেই পিতৃ-মাতৃয়ে নিজৰ ল'ৰা-ছোৱালীৰ গুৰু দায়িত্ব নিৰ্ভয়ে শ্ৰদ্ধা সহকাৰে অৰ্পণ কৰে বিদ্যালয়ৰ শিক্ষক আৰু শিক্ষয়িত্ৰীসকলৰ ওপৰত। শিক্ষাগুৰুসকলৰ সৈতে একাত্ম হৈ পৰে ক্ৰমান্বয়ে

ছাত্ৰ-ছাত্ৰীসকল। শিক্ষক ছাত্ৰৰ মহামিলনত মহান শিক্ষাৰ আদান-প্ৰদানত প্ৰাণ পাই উঠে এখন সমাজ, গঢ় লয় এটা জাতি, কিয়নো- "Tachers are builder of Nation" কিন্তু বৰ্তমান সয়মত শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ ইজনে সিজনৰ, সিজনে ইজনৰ পৰা যেন ল'বলগীয়া দিবলগীয়া বহুত আছে যেন অনুভৱ হয়। এই ছেগতে এটি ঐতিহাসিক কাহিনীৰ সাৰাংশ উপস্থাপন প্ৰনিধানযোগ্য বুলি অনুভৱ কৰিলোঁ।

বৰপেটা কীৰ্ত্তন ঘৰৰ প্ৰথম সত্ৰাধিকাৰ মধুৰাদাস বুঢ়াআতাই প্ৰথম শিক্ষা জীৱনৰ আদিপাঠ লৈছিল পণ্ডিত হৰিদেৱ মিশ্ৰদেৱৰ পৰা। যুৱ অৱস্থাৰ পৰাই মধুৰাদাস বুঢ়া আতা আছিল প্ৰখৰ বুদ্ধিসম্পন্ন তীক্ষ্ণ মেধাৱী ছাত্ৰ। এদিনাখন মথুৰাদাস বুঢ়া আতাই শিক্ষাগুৰু পণ্ডিত হৰিদেৱ মিশ্ৰক উদ্দেশ্যি প্ৰশ্ন কৰিলে- 'ব'ল বাপ, প্ৰকৃত গুৰু হ'বলৈ হ'লে কি কি গুণৰ অধিকাৰী হ'ব লাগে।' মিশ্ৰদেৱে মিচিকিয়াই হাঁহি এটি মাৰি মথুৰা দাস আতাৰ প্ৰশ্নৰ শলাগ লৈ ক'লে— 'তোমালোকে মাধৱদেৱৰ ওচৰলৈ যোৱা তেখেত বৰ ডাঙৰ পণ্ডিতলোক, কথাবোৰ সুন্দৰভাৱে বুজাই ক'ব আৰু তোমালোকে সোধা প্ৰশ্নবোৰৰ উত্তৰ যথাযথভাৱে দিব।'

গুৰুৰ অনুমতি লৈ মথুৰাদাস বুঢ়াআতা সহঃ ওঠৰজন পণ্ডিত হৰিদেৱ মিশ্ৰৰ শিষ্যই মাধৱদেৱৰ ওচৰ পালে। মহাপুৰুষ মাধৱদেৱে তেওঁলোকক আগমনৰ উদ্দেশ্য সোধাত তেওঁলোক তেখেতৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ অহা বুলি ক'লে। তেতিয়া মাধৱ পুৰুষে মথুৰাদাস বুঢ়া আতাসহ ওঠৰজন শিষ্যক ক'লে— তোমালোকে মোৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ হ'লে পোন প্ৰথমে তোমালোকে তোমালোকৰ আগৰ শিক্ষা গুৰুজনাৰ নাম মাটিত লিখি ভৰিৰে মোহাৰি দিয়া। মাধৱদেৱে কথাটো ক'বলৈহে পালে আটাইবোৰ শিষ্যই পণ্ডিত হৰিদেৱ মিশ্ৰৰ নামটো মাটিত লিখি কুণ্ঠাবোধ নকৰাকৈ ভৰিৰে মোহাৰি দিলে। মাধৱদেৱে লক্ষ্য কৰিলে শিষ্য আহিছিল ওঠৰজন কিন্তু ইয়াত উপস্থিত সোতৰজনহে আছে এজন ক'লৈ গ'ল? এজন শিষ্যই ক'লে - মথুৰাদাসে পজাঘৰত কান্দি কান্দি কাপোৰৰ টোপোলা বান্ধি আছে। 'মাধৱদেৱে তৎক্ষণাত মথুৰাদাসক তেওঁৰ ওচৰলৈ আহিব ক'লে। মথুৰাদাস উপস্থিত হ'ল। মাধৱদেৱে কিবা সোধাৰ আগয়ে মথুৰা দাস বুঢ়া আই তেওঁৰ ভৰিত সাৱত মাৰি ধৰি ক'লে- 'বাপ, মই অহা বাটে উভতি যাওঁ, যিজন গুৰুৱে মোক চকু দান দিলে আপোনাৰ ওচৰলৈ অহাৰ পথৰ সন্ধান দিলে সেইজন গুৰুক মই কেতিয়াও ভৰিৰে মোহাৰি পেলাব নোৱাৰো? মোক ক্ষমা কৰিব। পুনৰ মথুৰাদাসে হুক হুকাই কান্দি দিলে। মহাপুৰুষ মাধৱদেৱে মথুৰাদাসৰ গুৰুভক্তিত আপ্লুত হৈ পৰিল। ক'লে 'মই তোমালোকৰ পৰীক্ষা ল'লো। কেৱল তুমিহে উত্তীৰ্ণ হ'লা, তোমাক মই প্ৰপন্ন হিচাপে গ্ৰহণ কৰিলো বাকীবোৰ শিষ্য মোৰ শিষ্যত্বৰ অযোগ্য যিকলে নিজৰ গুৰুক ভৰিৰে মোহাৰি দিব পাৰে তেওঁলোক একোৰে লায়ক নহয়, তেওঁলোক অধম।' সাম্প্ৰতিক সময়ত শিক্ষা জগতখনত মাজে সময়ে ইয়াৰ বিপৰীত চিত্ৰটোহে পৰিলক্ষিত হয়। গতিকে ছাত্ৰ-শিক্ষক উভয়ে এনেকুৱা ধৰণৰ কাহিনীৰ দ্বাৰা প্ৰভাৱিত হৈ সংস্কাৰমুখী হ'লেহে এখন সুস্থ-সবল শৈক্ষিক সমাজ গঢ় দিয়াত সহায়ক হ'ব। এই ক্ষেত্ৰত ভাৰ্গৱ পৰশুৰামৰ কৰ্ণক

অভিশাপ, একলব্যৰ গুৰু দক্ষিণা, উদ্দালক উপমন্যু আদি কাহিনীও প্ৰণিধানযোগ্য।

শিক্ষাগুৰুৰ পিচতেই মানৱ জীৱনত অতীৱ প্ৰয়োজনীয় গুৰুজনাই হ'ল আধ্যাত্মিক গুৰু। আধ্যাত্মিকতা, নৈতিকতা বিহীন শিক্ষা যিমানেই বৈজ্ঞানিক ভিত্তিক বা উচ্চ স্তৰৰ নহওক কিয় ই কেতিয়াও পূৰ্ণাঙ্গ বা সমাজৰ বাবে সুফলদায়ক নহয়। আধ্যাত্মিকতা, নৈতিকতাবিহীন আধুনিক শিক্ষাৰ উত্তৰণে বহুলাংশে আজিৰ সমাজৰ ফোপোলা কৰি তুলিছে।

আধ্যাত্মিক গুৰু আৰু শিষ্যৰ সম্পৰ্ক এটি মুদ্ৰাৰ ইপিঠি সিপিঠি, ইটো সিটোৰ পৰিপূৰক। প্ৰতিজন মানুহৰেই একোটা স্বকীয় ধৰ্ম আছে। আধ্যাত্মিক চিন্তা আছে। সাম্প্ৰতিক সময়ত অসম মুলুকতো বহুতো আধ্যাত্মিক গুৰুৰ জন্ম হৈছে। তাত্ত্বিক দিশত গুৰু আৰু শিষ্যৰ কেতিয়াও এৰা এৰি নাই। ইহজনমত পৰজনমতো। গুৰু আৰু শিষ্যক আত্মা-পৰমাত্মাৰ অন্যৰূপ হিচাপেও অভিহিত কৰিব পাৰি। আধ্যাত্মিক গুৰুৱে সদায় শিষ্যক মোক্ষ লাভৰ উপায় দিয়ে। গুৰুৱে যদি নিজে মোক্ষ লাভৰ উপায় নাজানে তেন্তে শিষ্যসকলেও সদায় অঙ্গাঙ্গী হৈ থাকে গুৰুৰ সৈতে মোক্ষ অবিহনে আজীৱন। এই চেগতে পঞ্চতন্ত্ৰ কথামূখৰ এটি কাহিনীৰ সাৰাংশ অৱতাৰণা কৰা হ'ল—

এদিনাখন এজন গুৰুৱে তেওঁৰ শিষ্য প্ৰশিষ্যৰ সৈতে নৈত নৌকা বিহাৰ কৰি আছিল। সেই সময়ত ডাঙৰ গছ এডালত এজাক চৰায়ে কিৰিলি পাৰি আছিল। গছডালৰ পাতে পাতে চৰাইৰ বিষ্ঠা। এজন প্ৰপন্ন শিষ্যই গুৰুক উদ্দেশ্যি সুধিলে— 'প্ৰভু! এই গছডাল ইমান পুৰণি দেখিছেনে চৰাইবিলাকে বিষ্ঠাৰে পাত বিলাক ভৰাই পেলাইছে।' তেতিয়া গুৰুৱে গহীন-গম্ভীৰ ভাৱে ক'লে- এই বৃক্ষডাল আগৰ জনমত এজন গুৰু আছিল আৰু চৰাইবিলাক তেওঁৰ শিষ্য। গুৰুৰ হাতত মোক্ষ লাভৰ কোনো উপায় নাছিল। মাথো মিছা ভাও দি শিষ্য গোটাই লৈ তেওঁলোকক ঠগিছিল আৰু তেতিয়া তাৰেই ফল ভোগ কৰিছে গুৰুৱে। গুৰু ভণ্ডামিৰ বাবেই শিষ্যই বিষ্ঠা ত্যাগ কৰিছে তেৰঁতেই। গুৰুৱে মুক্তি নোপোৱাত শিষ্যবিলাকেও মোক্ষ লাভৰ পৰা বঞ্চিত হৈছে।

সময়ৰ সোঁতত গছডাল যেতিয়া নৈত ডুব গৈছিল তেতিয়া চৰাইবোৰ শামুকৰ ৰূপলৈ তেওঁতেই কামোৰ মাৰি ধৰি থাকিল।

এয়াই আধ্যাত্মিক গুৰু আৰু শিষ্যৰ সংযোগ, মহিমা। আধ্যাত্মিক গুৰুৱে এটি পৰিয়ালৰ লগতে সমাজ এখনৰ দিক্ নিৰ্ণায়কৰ ভূমিকা পালন কৰে। পোন্ধৰশ শতিকাৰ মাজ ভাগত আৰু যোল্লশ শতিকাৰ আগভাগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰপন্ন শিষ্য মাধৱদেৱে 'মণিকাঞ্চন সংযোগ'ৰ জৰিয়তে গুৰু আৰু শিষ্যৰ আত্মিক সম্বন্ধৰ ওপৰত এক জ্বলন্ত যুগজয়ী নিদৰ্শন দাঙি ধৰি থৈ গৈছেই। কেৱল আমাৰ প্ৰয়োজন মাথো অনুশীলনৰহে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত-

'গুৰু লাগে মই শিক্ষিত শিষ্য
জগতত জাননী দিলো।
জগত গুৰু শঙ্কৰ ঘৰতে
অন্ধলাই নিচিনিলো।'◆

# বৰগীতৰ বিষয়ে কিছু কথা

প্ৰফুল্ল কুমাৰ হাজৰিকা

গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সঙ্গীতমুচ্যতে— গীত, বাদ্য আৰু নৃত্য তিনিওবিধ কলাকে একেলগে সঙ্গীত বোলা হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই সৃষ্টি কৰা সঙ্গীত ধাৰাটিক শঙ্কৰী সঙ্গীত বুলি কোৱা হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তাৰাৰ প্ৰপন্ন শিষ্য শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত বৰগীতসমূহ বৈষ্ণৱ সাহিত্যৰ এক অমূল্য সম্পদ। 'বৰগীত' শব্দৰ বৰ অংশই শ্ৰেষ্ঠত্বক বুজায়। অৰ্থাৎ বৰগীত হ'ল শ্ৰেষ্ঠ গীত। কিবা এটি বস্তুক শ্ৰেষ্ঠত্ব বুজাবলৈ 'বৰ' শব্দ ব্যৱহাৰ কৰা হয়। সেয়ে বৰ কাপোৰ বৰপীৰা বৰজাপি ইত্যাদি। বিভিন্ন আলোচকসকলে মন্তব্য প্ৰকাশ কৰিছে যে ভাৱ, ভাষা, সুৰ তথা সঙ্গীত অনুযায়ী সাধাৰণ পৰ্যায়ৰ গীততকৈ উচ্চ মানবিশিষ্ট হোৱা হেতুকে এই গীতসমূহক বৰগীত বোলা হয়।

বৰগীত গায়ন পদ্ধতি ঃ গায়ন সময় অনুযায়ী বৰগীতসমূহক চাৰি ভাগত ভগাব পাৰি। পুৱা, দুপৰ, বিয়লি আৰু সন্ধ্যা। সকলো বৰগীত ৰাগযুক্ত উচ্চাঙ্গ সঙ্গীতৰ ভিতৰুৱা হেতুকে প্ৰতিটো বৰগীতৰ লগত তাৰ ৰাগৰ স্পষ্ট উল্লেখ আছে। আৰু সেই ৰাগ অনুযায়ী ইয়াক গাব লাগে। পুৱাৰ গীত গধূলি গাই, ধন ভৰে কিল খাই— চৰিত পুথিৰ এই কথা আমি সদায় মনত ৰাখিব লাগে।

সাতোটা স্বৰৰ সমষ্টিক সপ্তস্বৰ বোলা হয়। এই স্বৰসমূহ বিভিন্ন জীৱজন্তু আৰু চৰাই-চিৰিকতিৰ মাতৰ পৰা সংগ্ৰহ কৰি অনা হৈছে বুলি চৰিত পুথিত পোৱা যায়।

ষড়জ বদতি ময়ুৰো গাভোৰম্ভন্তি ঋষভ।<br>
অজো বদতি গান্ধাৰো ক্ৰৌন্স নাদস্তু মধ্যম।।<br>
পুষ্প সাধাৰণ কালে কুকিল পঞ্চম স্বৰে।<br>
অশ্বস্তো ধৈৱত প্ৰাহ কুঞ্জৰস্তো নিষাদবাণ।।

— নাৰদী শিক্ষা

পূৰ্বৰ সঙ্গীতজ্ঞসকলৰ পৰা শুনা মতে—

ষড়জ স্বৰক সদা ময়ুৰে গাৱয়।<br>
গৰুৱে উটাই সুৰ ঋষভ থাকয়।।<br>
অজ মেষ দুয়ো সুৰ গান্ধাৰ গাৱয়।<br>
ক্ৰৌন্স পক্ষী মধ্যম স্বৰক উচ্চাৰয়।।<br>
বসন্ত কালত যদি ফুলে পুষ্প বন।<br>
কোকিলে পঞ্চম সুৰ কৰয় কীৰ্ত্তন।।<br>
ঘোড়ায়োজে অজ সুৰ থাকয় উচ্চৰি।<br>
নিষাদ স্বৰক হস্তী থাকে মুখ ভৰি।।

গতিকে— ময়ুৰ চৰাইৰ মাতৰ পৰা সা (ষড়জ)। ষাঁড় গৰুৰ মাতৰ পৰাৰে (ঋষভ)। ছাগলীৰ মাতৰ পৰা গা (গান্ধাৰ)। ক্ৰৌন্সপক্ষীৰ মাতৰ পৰা মা (মধ্যম)। কুলি চৰাইৰ মাতৰ পৰা পা (পঞ্চম) ঘোঁড়াৰ মাতৰ পৰা দা (ধৈৱত) হস্তীৰ মাতৰ পৰা নি (নিষাদ) স্বৰ সংগ্ৰহ কৰি সপ্তস্বৰৰ সৃষ্টি কৰা হৈছে।

স্বৰসমূহৰ সংগতিক জাতি বোলা হয়। ৰাগৰ জাতি তিনিটা (১) ঔড়ৱ (৫টা স্বৰৰ সঙ্গতি) (২) ষাড়ৱ (৬টা স্বৰৰ সঙ্গতি) (৩) সম্পূৰ্ণ (৭টা স্বৰৰ সঙ্গতি)

এই জাতিসমূহক প্ৰত্যেকৰে আকৌ তিনিটা ভাগ থাকে—

(১) ঔড়ৱ ঃ ১। ঔড়ৱ/ ঔড়ৱ, ২। ঔড়ৱ/ ষাড়ৱ, ৩। ঔড়ৱ/ সম্পূৰ্ণ।

২। ষাড়ৱ ঃ ৪। ষাড়ৱ/ ঔড়ৱ ৫। ষাড়ৱ/ ষাড়ৱ, ৬। ষাড়ৱ/ সম্পূৰ্ণ।

(৩) সম্পূৰ্ণ ঃ ৭। সম্পূৰ্ণ/ ঔড়ৱ, ৮। সম্পূৰ্ণ/ ষাড়ৱ, ৯। সম্পূৰ্ণ/ সম্পূৰ্ণ।

হিন্দুস্থানী সঙ্গীতৰ দৰে শঙ্কৰী সঙ্গীততো মেল বা ঠাটৰ ব্যৱহাৰ পোৱা যায়। শঙ্কৰী সঙ্গীতত ৬টা মেল বা ঠাট পোৱা যায়।

১। শ্যাম ঃ সা ৰে গা মা পা ধা নি সাঁ।

২। বসন্ত ঃ সা ৰে গা মা́ পা ধা নি সাঁ।

৩। তুৰ ঃ সা ৰে গা মা পা ধা নি সাঁ।

৪। শ্ৰী ঃ সা ৰে গা মা পা ধা নি সাঁ।

৫। সিন্ধুৰা ঃ সা ৰে গা মা পা ধা নি সাঁ।

৬। আশোৱাৰী ঃ সা ৰে গা মা পা ধা নি সাঁ।

এই প্ৰবন্ধটিত বেলোৱাৰ ৰাগৰ এটি বৰগীত স্বৰলিপিৰ সহায়ত বুজিব পৰাকৈ উল্লেখ কৰা হৈছে। বেলোৱাৰ ৰাগটি শ্যাম মেলৰ পৰা উৎপত্তি হৈছে। ইয়াৰ জাতি হৈছে ষাড়ৱ/ সম্পূৰ্ণ (৬+৭)।

ৰাগ ঃ বেলোৱাৰ

ধ্ৰুং ঃ বিৰিন্দা বনে খেলত মধুৰ মুৰাৰী।
মোহন মধুৰ হাঁসি মুৰুৰী বজাৱত
এতিনি ভুৱন অধিকাৰী।।

পদ ঃ শাৰদ ইন্দু নিন্দি আনন শোভিত
ৰঞ্জিত মধু মধু হাঁসে।
অভিনৱ জলধৰ তড়িত জড়িত যৈছে
তনু শোভিত পীত বাসে।।
নয়ন উজ্বৰ কৰ কঙ্কন কেয়ৰ
বনমালা হৃদয়ে দোলাৱে।
চৈধ্যয় ভুৱন ভুলি ৰূপ মিলাৱত
মধুৰ পঞ্চম ৰস গাৱে।।
ৰতন জড়িত মণি মজিৰে ৰঞ্জিত
পদ পঙ্কজ পৰকাশা।
ভকত পৰম গতি তাহে মজোক মতি
মাধৱ এহু অভিলাষা।।

শব্দাৰ্থ ঃ বিৰিন্দাবনে— বৃন্দাবনত, খেলত— খেলা খেলিছে, মুৰাৰী— মুৰ দৈত্যক বধ কৰোতা শ্ৰীকৃষ্ণ, মুৰুৰী— বাঁহী, তিনি ভুৱন— স্বৰ্গ, মৰ্ত্য আৰু পাতাল, অধিকাৰী— গৰাকী, শাৰদ ইন্দু— শৰতকালৰ চন্দ্ৰ, নিন্দি— চেৰ পেলোৱা, ৰঞ্জিত— আনন্দ দিয়া, অভিনৱ— একেবাৰে নতুন, জলধৰ— ডাৱৰ, তড়িত জড়িত— চিকমিক বিজুলী প্ৰবাহিত হোৱা, তনু— শৰীৰ, কঙ্কন— খাৰু, কেয়ুৰ— বাজু, দোলাৱে— দুলি থকা, মঞ্জিৰ- নুপুৰ, অভিলাষা— আশা কৰা।

সৰল অৰ্থ ঃ বৃন্দাবনত মধুৰ মুৰাৰী শ্ৰীকৃষ্ণই খেলা কৰিছে। এৱেঁই স্বৰ্গ মৰ্ত-পাতাল (ত্ৰিভুৱন) মন ভুলোৱা মধুৰ হাঁহিটিৰে বাঁহী বজাইছে।

শৰতকালৰ চন্দ্ৰকো চেৰ পেলাব পৰা তেওঁৰ সুন্দৰ মুখখনিৰ লগতে মুখত শোভাবৰ্দ্ধন কৰি থকা মধুৰ হাঁহিটিয়েও অধিক আনন্দ দিছে। ডাৱৰত বিদ্যুত প্ৰবাহিত হ'লে যেনেদৰে শোভা পায় তেনেদৰে শ্ৰীকৃষ্ণৰ শৰীৰতো পীত বস্ত্ৰই শোভা কৰিছে।

চকু দুটি উজ্বল। হাতত খাৰু বাহুত বাজু হৃদয়ত বনমালাই দুলি আছে। তেওঁৰ ভুৱন ভোলোৱা ৰূপেৰে উচ্চ স্বৰে মধুৰভাৱে গীত গাইছে।

ৰত্ন খটোৱা মণিৰ সৈতে সুন্দৰ নুপূৰে চৰণ কমল প্ৰকাশ কৰিছে। ভকতৰ পৰম গতি দিওঁতা কৃষ্ণৰ চৰণতে মন মজি থকাটো মাধৱ পুৰুষে কামনা কৰিছে।◆

# ভগৱান শ্ৰীকৃষ্ণ আৰু অসম ঃ ইতিহাসৰ আঁত ধৰি

**ৰূপেশ্বৰ নেওগ**

পুণ্যভূমি ভাৰতবৰ্ষত অধিকাংশ মানুহৰ বাবে কৃষ্ণই স্বয়ং ভগৱান। ভাৰতীয় সাহিত্যৰ বিস্তৃত অংশ আৱৰি থকা অষ্টাদশ পুৰাণৰ ভিতৰত নখন পুৰাণৰ কাহিনীয়েই কৃষ্ণকেন্দ্ৰিক। ব্যাসদেৱে চাৰিও বেদৰ শাখা-প্ৰশাখাবোৰৰ উপৰি মহাভাৰত আৰু সপ্তদশ পুৰাণ ৰচনাৰ অন্তত কৃষ্ণ চৰিত্ৰৰ মহত্ব প্ৰদানৰ অসম্পূৰ্ণতাত মনৰ অসন্তুষ্টি নিবাৰণ কৰিবিলৈ নাৰদৰ উপদেশ মৰ্মে ভাগৱত পুৰাণ ৰচনা কৰি জগতবাসীলৈ ঘোষণা কৰিলে 'কৃষ্ণস্তু ভগৱান্ স্বয়ম।' এই কৃষ্ণই দৈৱকীনন্দন কৃষ্ণ এহাতে দুষ্কৃতি বিনাশকাৰী, আনহাতে পৰম আনন্দময়ী আৰু সত্য-শিৱ-সুন্দৰৰ গৰাকী। দুষ্টক দমন কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ এহাতে যেনেকৈ চক্ৰ তুলি লৈছে, আনহাতে বাঁহীৰ ভুৱনমোহন পঞ্চনাদ সুৰেৰে সমস্ত জীৱাত্মাক পৰমাত্মাৰ ফালে ধাৱিত কৰিছে। এনেহেন মানৱ কৃষ্ণৰ চৰিত্ৰত ঐশ্বৰিকত্ব আৰোপ কৰাৰ প্ৰচেষ্টাতে পুৰাণ-সূৰ্য ভাগৱত ৰচনা হৈছে। "নাহি আদি অন্ত পূৰ্বাপৰ। পূৰ্ণ ব্ৰহ্ম জগতৰ ঈশ্বৰ।।" বুলি কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ দুজনা মহাপুৰুষ শঙ্কৰ-মাধৱে জীৱনজোৰা ত্যাগ আৰু সাধনৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰভেঁটি নিৰ্মাণ কৰি গৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে ভাৰতীয় সংস্কৃতিক 'কৃষ্ণ সংস্কৃতি' আখ্যা দিছে। কৃষ্ণই ভাৰত আৰু ভাৰতেই কৃষ্ণ। ভাৰতীয় জনমানসত এই কৃষ্ণই বিষ্ণু, বাসুদেৱ, ৰাম, হৰি অথবা সৰ্বঅৱতাৰৰ মূল পৰমব্ৰহ্ম নাৰায়ণ নামেৰে পৰিজ্ঞাত।

এইজন ভাৰতপুৰুষ ভগৱান শ্ৰীকৃষ্ণ আৰু তেখেতৰ পৰিয়ালবৰ্গৰ লগত আমাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সাতভনীৰ নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। যিহেতু ভগৱান শ্ৰীকৃষ্ণই জীৱন কালত কেইবাবাৰো অসমলৈ আহি নিজৰ পদধূলি পেলাই দেশখন পৱিত্ৰ কৰি যোৱাৰ কথা ইতিহাসত উল্লেখ আছে। তেওঁৰ আটাইতকৈ প্ৰিয় আৰু প্ৰথমা পত্নীগৰাকী হ'ল ৰুক্মিণী অসমৰ জীয়ৰী কুণ্ডিল (শদিয়া) ৰাজ্যৰ ৰজা ভীষ্মকৰ কন্যা। সুদূৰ দ্বাৰকাৰপৰা আহি কৃষ্ণই বিবাহ কেনে ধৰণে সম্পন্ন কৰিছিল সেই কথা বহলাই কোৱাৰ আৱশ্যক নাই। কিন্তু এটা কথা সগৌৰৱে ক'ব লাগিব যে শ্ৰীকৃষ্ণ আমাৰ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ জোঁৱাই। বোধহয় অসমৰ লগত শ্ৰীকৃষ্ণৰ এয়ে প্ৰথম সম্পৰ্ক। দ্বিতীয়তে পত্নী সত্যভামাক লগত লৈ প্ৰাগ্‌জ্যোতিষপুৰ (কামৰূপ)লৈ আহিছিল নৰকাসুৰক বধ কৰি ভগদত্তক ৰজা পাতিবলৈ। এই ছেগতে কৃষ্ণই প্ৰাগ্‌জ্যোতিষপুৰৰপৰা ইন্দ্ৰৰ অমৰাৱতীলৈ গৈ পাৰিজাত পুষ্পৰ গছ হৰণ কৰি সত্যভামাক উপহাৰ দিছিল। তেতিয়াৰ স্বৰ্গৰাজ্যখন যে কামৰূপ ৰাজ্যৰ সীমাত আছিল সেই কথাও সহজে অনুমেয়।

ইতিহাসৰ পম খেদিলে ঋক্ষ বা ভালুক নামে এজাতি মানুহ অসম (বৰ্তমান অৰুণাচল)ত বাস কৰিছিল বুলি ঠাৱৰ কৰিব পাৰি। এইজাতি মানুহৰ ৰজাসকলকে ঋক্ষৰাজ বোলা হৈছিল আৰু য'ত থাকি ৰাজত্ব কৰিছিল সেই ঠাইক ঋক্ষগড় বুলিছিল। সেই ঋক্ষগড়ৰ নাম পাছত ভালুকপেং হয়। সেয়ে ভালুকপেঙৰ গিৰি দুৰ্গত ৰাজধানী পাতি ৰাজত্ব

কৰা ঋক্ষৰাজ জাম্বৱন্তৰ জীয়েক জাম্বৱতীক শ্ৰীকৃষ্ণই বিয়া কৰাইছিল আৰু স্যমন্তমণি সেই বিয়াত যৌতুক পাইছিল। শ্ৰীকৃষ্ণৰ বৰপুত্ৰ প্ৰদ্যুম্নলৈ ৰুক্মিণীৰ জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰৰ কন্যা ৰুক্মৱতীক বিয়া কৰোৱাৰ কথা শাস্ত্ৰত উল্লেখ আছে। ফলত ৰুক্মিণীৰ বিবাহতে দুয়ো পৰিয়ালৰ মাজত সৃষ্টি হোৱা পুৰণি শত্ৰুতা আঁতৰি মধুৰ সম্পৰ্ক স্থাপন হৈছিল; লগে লগে কৃষ্ণ পৰিয়ালৰ সৈতে অসমৰ বৈবাহিক সম্বন্ধ পুনৰ গঢ় লৈ উঠিছিল। ভগৱান শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোঁৱৰো আছিল অসমৰে জোঁৱাই। এইখনবিবাহত কৃষ্ণ তেজপুৰলৈ আহি ইতিহাস প্ৰসিদ্ধ হৰিহৰ যুদ্ধত অৱতীৰ্ণ হৈছিল আৰু বাণ ৰজাৰ জীয়ৰী ঊষাৰ লগত অনিৰুদ্ধৰ বিয়া পাতি দৰা কন্যাক লৈ দ্বাৰকালৈ উভতিছিল। এনেদৰে সাকাৰ মানৱ কৃষ্ণই অসমবাসীৰ লগত তেজ মঙহৰ সম্বন্ধ গঢ়ি সৰ্বভাৰতীয় অখণ্ডতা অক্ষুণ্ণ ৰাখিবলৈ সমন্বয়ৰ দোলডাল কটকটীয়া কৰিছিল।

অন্যহাতে সৰ্ব অৱতাৰৰ কাৰণ কৃষ্ণ হিচাপে এইখন অসমভূমিত কেইবাটিও অৱতাৰ ধাৰণ কৰি আমাক উপকৃত কৰা কথাও ইতিহাসত উল্লেখ আছে।

"আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ।
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ।।
.................................................
বামন স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্ৰক থাপিলা চলে বলিক নিকালি।।
..................................................
দিব্যযজ্ঞ বৰাহ স্বৰূপ ভৈলা তুমি।
লীলায়ে দন্তৰ অগ্ৰে উদ্ধাৰিল ভূমি।।
তোমাক কৰিলে যুদ্ধ হিৰণ্যাক্ষ বীৰি।
অপ্ৰয়াসে দৈত্যক মাৰিলা দন্তে চিৰি।।"

—কীৰ্ত্তন

শত্ৰুভাৱে হওক বা মিত্ৰভাৱেই হওক একেটা বংশৰ প্ৰয়োজনতে একাধিক বাৰ প্ৰভু ভগৱান কৃষ্ণ অসমভূমিত অৱতীৰ্ণ হোৱাটো মন কৰিবলগীয়া। হিৰণ্যকক্ষিপু, হিৰণ্যাক্ষ, প্ৰহ্লাদ, বিৰোচন, বলি, বাণ, ঊষা— একে বংশৰে এইসকলৰ আহ্বান কৃষ্ণই উপেক্ষা কৰিব নোৱাৰিলে। অধিক ৰহস্য হৈ ৰ'ল কৃষ্ণই বিৰোচনৰ পত্নীত্ব স্বীকাৰ কৰাৰ কাহিনী। ইয়াৰ উপৰি—

"ভৈলাহা পৰশুৰাম নামে অৱতাৰ।
প্ৰদক্ষিণ কৰি ভূমি তিনি সাত বাৰ।।
................................................
কপিল স্বৰূপে আৰো ভৈলা অৱতাৰ।
লুপ্ত ভৈলা জ্ঞান তাক কৰিলা প্ৰচাৰ।।
................................................
হয়গ্ৰীৱ নামে আৰো ভৈলা অৱতাৰ।
তপ্ত সুৱৰ্ণৰ বৰ্ণ শৰীৰ তোমাৰ।।
তোমাৰ সুন্দৰ সিটো নাসিকাৰ হন্তে।
বাজভৈল বেদগণ নিশ্বাস কাঢ়ন্তে।।"

—কীৰ্ত্তন

এই তিনি অৱতাৰৰো লীলা ভূমি আমাৰ অসমেই বুলি ইতিহাসৰ তথ্যমতে ঠাৱৰ কৰিব পাৰি।

আটাইতকৈ সৌভাগ্যৰ কথা যে ত্ৰিভূৱনে বন্দনা কৰা দৈৱকী নন্দন কৃষ্ণই কলিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ ৰূপে অসমৰ ভূমিভাগত অৱতাৰ গ্ৰহণ কৰি সমগ্ৰ অসমবাসীক কৌটিকাললৈ ধন্য কৰিছে। এয়া মহাপুৰুষ মাধৱদেৱ অথবা কোনোবা চৰিতকাৰৰ ভাষাই নহয়, মহাপুৰুষ শঙ্কৰদেৱ জন্মৰ হাজাৰ হাজাৰ বছৰ আগেয়ে ৰচিত বৃহৎযামল, কুৰুক্ষেত্ৰ পুৰাণ প্ৰভৃতি ভালেকেইখন ইতিহাসৰ ভাষা।

বোধকৰো ঐতিহাসিক দৃষ্টিভঙ্গীৰে অধিক অধ্যয়ন কৰিলে ভগৱান কৃষ্ণৰ অসম প্ৰীতিৰ নিদৰ্শন আৰু ওলাব।■■

# বদুলা পদ্ম আতা

অজয় বৰুৱা

'সৰ্বগুণাকৰ' অভিধাৰে বিভূষিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ তেওঁৰ প্ৰপন্নশিষ্য শ্ৰীশ্ৰীমাধৱদেৱ আৰু অনুগামী ভকতৰ মাজত দহোটা নামেৰে জনাজাত আছিল। তাৰে এটা আছিল 'আতা'। আতা সম্বোধন কৰা ব্যক্তি গৰাকী আত্মস্বৰূপ। শঙ্কৰ-মাধৱৰ দেহাৱসানৰ পৰৱৰ্তীকালত আতা অভিধাটো অসম কামৰূপ আৰু বেহাৰৰ মহাপুৰুষীয়া সমাজত শিষ্যসকলে গুৰুক কৰা সম্বোধনত পৰিণত হৈছিল। 'শিষ্য পুত্ৰ আৰু বীৰ্যপুত্ৰ' সমান এই অৰ্থটো শিষ্যসকলে গুৰুক 'আতা' বুলি সম্বোধন কৰা নিয়ম কৰি লৈছিল। মহাপুৰুষ দুজনাৰ জীৱন্ত কালত ন-জন আতাহে প্ৰসিদ্ধ আছিল। সেই সকল হ'ল নাৰায়ণ দাস ঠাকুৰ আতা, শ্ৰীৰাম আতা, ভৱানীপুৰীয়া গোপাল আতা, দক্ষিণকুলীয়া বৰবিষ্ণু আতা, কেশৱ চৰণ আতা, বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া, পদ্ম আতা বা বদুলা আতা, হৰিহৰ আতা আৰু চেৰেঙ্গীয়া শ্ৰীৰাম আতা। অৱশ্যে, সেই কালত যিকোনো লোককে আতা বোলা নহৈছিল। 'আতা' সম্বোধন পাবৰ যোগ্য ব্যক্তিজন এলাপেচা লোক নাছিল। উক্ত ন-জন আতা পুৰুষৰ ভিতৰত ব্যতিক্ৰমী বৈষ্ণৱ আছিল শ্ৰীশ্ৰীবদুলা পদ্ম আতা এজন।

মাজুলী কমলাবাৰী সত্ৰ প্ৰতিষ্ঠাতা বদুলা আতাৰ জন্ম হৈছল ১৪৬৮ শকাব্দৰ জেঠ মাহৰ ব্ৰুশুবাৰে শুক্লা একাদশী তিথিৰ দিনা। তেওঁ সোঁৰৰণি নাম পদ্ম। বগা পদুমৰ দৰে উজ্জ্বল হোৱা বাবে তেওঁৰ নাম পদ্ম নামকৰণ কৰা হৈছিল। তেওঁক গোৱিন্দ, ৰূপধৰ, লৰ নাতি, গোসাঁই, হৰিৰূপা, মানিক, অমুকাই, উজনিয়া বাপুধৰ, বদুলা আতা আৰু কমলাআতা নামেৰে জনা যায়। আতাৰ পূৰ্বপুৰুষৰ বাসস্থান আছিল কুণ্ডিন নগৰত। আদি পুৰুষজনৰ নাম আছিল কুমুদাক্ষগিৰি। সেই সময়ত দেশত বিভ্ৰাট হোৱাত অশান্তি পাই কুণ্ডিনৰ পৰা আহি লখিমপুৰ জিলা অন্তৰ্গত নাৰায়ণৰ সত্ৰাহি নামৰ ঠাইত নিগাজিকৈ বসতি কৰেহি। বদুলা আতা মাতামহৰ ঘৰত থাকি বিদ্যা-শিক্ষা কৰে আৰু লগতে সহজাত শিশুসুলভ কৰ্মও কৰে। গৰু ৰখা, ঘৰুৱা কাম আদি। আৰ্থিক অৱস্থা বেয়া হ'লেও দৈনন্দিন কামত ব্যস্ত থাকিও তাৰ মাজতে বাধ্যতামূলকৰূপে বিদ্যাশিক্ষা কৰি আতাই কম দিনৰ ভিতৰত এগৰাকী কৃৰ্তি ছাত্ৰ হিচাপে খ্যাতি অৰ্জন কৰিছিল। মাতামহৰ ঘৰত পাঁচ বছৰ অতিবাহিত কৰাৰ পিছত পুনৰ সত্ৰাহিলৈ উভতি আহে। সেই সময়ত সেই অঞ্চলত ডফলাসকলে নানা অত্যাচাৰ-উৎপীড়ন কৰাত থলুৱা ৰাইজে একত্ৰিত হৈ তেওঁলোকৰ বিৰুদ্ধে থিয় দিলে। এই ৰণযাত্ৰাত পদ্ম আতাও যাবলগীয়া হৈছিল। ৰণত ঘৰ-বাৰী, প্ৰাণী নিধন, পতি-পুত্ৰহাৰা, নাৰীৰ কৰুণ বিননি ৰণস্থলীত পৰি থকা ক্ষত-বিক্ষত মৃতদেহ আৰু ভস্মীভূত

ঘৰ-বাৰী দেখি আতাৰ বৈৰাগ্যৰ ভাৱ উদয় হয়। আতাৰ মন উদাস হৈ ক্ৰমে ক্ৰমে সংসাৰৰ সকলোকে অসাৰ অনিত্য বুলি চিন্তা কৰি পৰমেশ্বৰকে একমাত্ৰ সাৰ বুলি আৰু নিত্যবস্তু বুলি দৃঢ় প্ৰতিজ্ঞ হৈ ঘৰৰ সকলো কাম-বনলৈ পিঠি দিলে।

সৰুৰ পৰা কৃষ্ণ ভক্তি লক্ষণে বিৰাজ কৰা আতা পুৰুষক এতিয়া পূৰ্বোক্তকৰণ দৃশ্যবিলাকে তাৰাৰ কোমল অন্তৰত বৈৰাগ্যৰ সাঁচ দকৈ বহুৱাই কৃষ্ণ ভক্তিৰ অনুৰাগ প্ৰবল কৰি তোলে। সেই সময়তে ৰামৰমীয় চৈতন্যপন্থীৰ বৈৰাগ্য দল এটি সেই অঞ্চলত গীত গাই ফুৰিছিল। আতায়ো কৰতল বজাই গাঁৱে-ভূঁৱে দেহ-বিচাৰৰ গীত-পদ গাই শেষত সেই দলত যোগ দি ৰামৰমীয়া গাবলৈ ধৰে। আতাৰ এনে গতি-মতি দেখি ককায়েক শঙ্কৰদাস আৰু নবৌৱেক আদি সকলোৱে বুজনি দিলে যদিও কৃতকাৰ্য নহ'ল। উপায়হীন হৈ আতাক বিবাহ পাতি মায়াৰ বান্ধোনত জড়িত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিবাহ প্ৰস্তাৱত আতাই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল যদিও শেষত সূৰ্যবাঢ়ৈ নামৰ এজন সত্য কায়স্থ বংশৰ লোকৰ সূৰ্য্যৱতী নামৰ কন্যাটিৰ স'তে আতাৰ বিবাহ সম্পন্ন হয়। আতা ভাৰ্যাৰ প্ৰতি সমূলি আসক্ত নহ'ল। আতাৰ গতিমতি সলনি নোহোৱাত ককায়েক ক্ৰোধান্বিত হৈ তেওঁক হিংসা কৰিব ধৰিলে। আতাই ঘৰ এৰি নতুনকৈ ঘৰ সাজি থাকিবলৈ ল'লে। এনেদৰে কেইবা ঠাইতো ঘৰ সলনি কৰি আতাই দিন অতিবাহিত কৰিলে।

ঘটনাক্ৰমে এদিন আতাৰ হাতত মহাপুৰুষ মাধৱদেৱৰ ভক্তি-ৰত্নাৱলী পুথিখন হাতত পৰিল। পুথিখন সুললিত কণ্ঠৰে পঢ়ি থাকোতে 'ভৰত প্ৰমুখ্য কৰি শুনা পুত্ৰগণ' পদখিনি পাই মাধৱদেৱৰ প্ৰতি ভক্তিভাৱত বিগলিত হৈ তাৰাক লগ পাবলৈ আৰু গুৰু মানিবলৈ দৃঢ় সংকল্পবদ্ধ হ'ল। সেই সময়ত তেওঁ আকৌ ঠাই সলনি কৰি 'হৰিপুখুৰী' পাৰত থাকিবলৈ লৈছিল।

দুজনা মহাপুৰুষ মাজুলীত থাকোঁতে ৰাজনৈতিক কাৰণত স্থান সলনি কৰি পাটবাউসীত শঙ্কৰদেৱ আৰু গণকুছিত মাধৱদেৱ থাকিবলৈ লয়। সেই সময়তে উজনিৰ শিষ্যসকলে কোঁচ ৰাজ্যৰপৰা আহোম ৰাজলৈ গুৰুজনাক পুনৰ ঘূৰাই আনিবলৈ এটি সজাতী দল যাত্ৰা কৰিছিল। গুৰুজনাক লগ ধৰি তেওঁলোকে মনোভাৱ নিৱেদন কৰিলে যদিও বাধক্যৰ কাৰণে তেওঁ উজনিলৈ আহিব নোৱাৰি প্ৰিয় শিষ্য মাধৱদেৱক পঠোৱাৰ সিদ্ধান্ত কৰিছিল। নাৰায়ণ দাস ঠাকুৰ আতা আৰু অন্য সেৱকৰ অনুৰোধত মাধৱদেৱকো পঠোৱা নহ'ল। শেষত কেশৱচৰণ আতাক যাতায়ত আদিৰ ব্যৱস্থা কৰিবৰ কাৰণে উজনিলৈ পঠালে। সেই সময়ত বদুলা আতাই 'হৰি পুখুৰী' পাৰত থাকি গুৰু চৰিত পুথি নকল কৰি ভক্তি-ৰত্নাৱলী লিখিবলৈ লৈছিল। তেতিয়াই কেশৱ আতা উপস্থিত হয় আৰু দুয়োজনৰ মাজত পৰিচয় হয়। কেশৱ আতা যে মাধৱদেৱৰ স্থানৰ পৰা আহিছে তাক জানি বদুলা আতাই গুৰুজনাক লগ পাবলৈ প্ৰবল আশা কৰাত আৰু নানা প্ৰতিকুল অৱস্থাৰ পৰা হাত সাৰি কোচবিহাৰৰ ভেলাস্থানত মাধৱদেৱৰ ওচৰত শৰণাপন্ন হয়। মাধৱদেৱে বদুলা আতাক উজনিৰ ফালে ধৰ্ম প্ৰচাৰৰ কাৰণে গা বদুলাদি পঠিয়ালে। গাৰ বদল দি পঠোৱাৰ কাৰণে পদ্ম আতাৰ নাম বদুলা পদ্ম আতা হয়। গুৰুৰ আজ্ঞা লৈ আতাই ১৫১৮

শক ব'হাগ মাহত শুক্লা একাদশী তিথিৰ দিনা উজনিলৈ যাত্ৰা কৰিলে। আতাৰ শতাধিক ব্ৰাহ্মণ শিষ্য আছিল আৰু নিজৰ আলধকা হিচাপেও হৰি আতৈ নামৰ এজন ব্ৰাহ্মণ ৰাখিছিল। জন্মস্থান আৰু প্ৰয়াণ স্থানলৈকে মুঠ ত্ৰিশখন স্থান বদুলা আতাৰ দ্বাৰা সংস্থাপিত হ'ল। সেইবোৰ হ'ল— সত্ৰাহি, ৰিহানি সকালৰ গুৰি, হাতীশাল, ধলপুৰ, হৰিপুখুৰী, কলানি, পচতীয়, চেচুকানি, হামৰা, দেবেৰাপাৰ, ৰঘুগুৰি, বদুলা, জয়কৃষ্ণ আতৈৰ ভেটি, চুখনি, মুকুন্দ আতৈৰ ভেটি, কৰ্দৈগুৰি, ফুলনি, কৰুণা ভূঞাৰ ভেটি, নাৰায়ণ আতৈৰ ভেটি, ৰঘুভেটি, টেঘানি, কমলাবাৰী ইত্যাদি। গোটেই সত্ৰকেইখন সত্ৰৰ ভিতৰত মাজুলীৰ, কমলাবাৰী সত্ৰই, আতাৰ সমস্ত ধৰ্ম-সংস্কৃতিৰ শৌৰ্য-বীৰ্যৰ আদিৰে পৰিপূৰ্ণ আছিল। বাকী সত্ৰবোৰৰ কোনো চিন-চাপ নাথাকিলেও কমলাবাৰী সত্ৰৰ পৰম্পৰাগত ধাৰাবাহিকতা আজিও বৰ্তি আছে। ইয়াত মহাপুৰুষ দুজনাই প্ৰৱৰ্তন কৰা একশৰণ হৰি নাম-ধৰ্মৰ নিষ্ঠা সাংস্কৃতিক কাৰ্যসূচী গীত, বাদ্য, নৃত্য, নাট আদি আতাৰ স্থায়ী ভৱিষ্যৎ চিন্তাধাৰাৰ প্ৰতিফলন ঘটাইছে। এই সত্ৰত অদ্যাপিও সংৰক্ষিত হৈ থকা নাট্য সঙ্গীত সম্পদৰ মূল ব্যক্তিজনেই হ'ল বদুলা আতা। আতা ১৫৯৮ শকৰ ভাদ মাহত ১৩০ বছৰ পৰমায়ুস লাভ কৰে। নিজৰ অক্ষয় কীৰ্তি, জীৱনযোৰা সাধনালব্ধ মহৎ অৱদানসমূহ আজিও সংস্কৃতিৰ ভৰাঁল জিলিকি আছে।◆◆

---

# কাঠ জ্বলে, কিন্তু লোহা নজ্বলে কিয়?

যিকোনো পদাৰ্থ জ্বলিবলৈ হ'লে সেই পদাৰ্থবিধে বায়ুৰ পৰা অক্সিজেন গ্ৰহণ কৰিব লাগিব। কাঠ জ্বলাৰ সময়ত ই বায়ুৰ পৰা অক্সিজেন গ্ৰহণ কৰে। কাঠ আৰু অক্সিজেন মিলি তাপ উৎপন্ন কৰে আৰু ছাই সৃষ্টি কৰে। অৱশ্যে যথেষ্ট গৰম কৰিলেহে কাঠে অক্সিজেন গ্ৰহণ কৰিব পাৰে। কিন্তু যথেষ্ট গৰম কৰিলেও লোহাই অক্সিজেন গ্ৰহণ কৰিব নোৱাৰে। সেইবাবে তাত জুই নালাগে। আনহাতে, কাঠ জ্বলি থকাৰ কাৰণ হ'ল— অক্সিজেনৰ অণুৰে কাঠৰ অণুবোৰৰ বিভাজন ঘটায়, যাৰ ফলত ছাই, কাৰ্বন-ডাই-অক্সাইড আদি গেছৰ উদ্ভৱ হয়। অণুৰ বিভাজন হ'বলৈ কাঠৰ আৰু অক্সিজেনৰ অণুবোৰে বেগেৰে গতি কৰিব লাগিব অৰ্থাৎ সিহঁতে কিছু শক্তি পাব লাগিব। জুইৰ ফলত উদ্ভৱ হোৱা তাপশক্তিয়ে এই শক্তিৰ যোগান ধৰে। আনহাতে যিমানেই গৰম নহওক কিয় লোহাৰ অণুবোৰৰ কিন্তু বিভাজন নহয়।◆

— সংগ্ৰহ

# ৰজা পৰীক্ষিতৰ মুক্তিলাভ

বিন্দু হাজৰিকা

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ মূল চৰিত্ৰ হৈছে ৰজা পৰীক্ষিত। তৃতীয় পাণ্ডৱ মহাবীৰ সব্যসাচী অৰ্জুনৰ নাতি ৰজা পৰীক্ষিত মহাবৈষ্ণৱ আছিল। তেওঁৰ পিতৃৰ নাম অভিমন্যু আৰু মাতৃৰ নাম আছিল উত্তৰা। ৰজা পৰীক্ষিতে ধৰ্ম আৰু পৃথিৱীক কলিৰ হাতৰপৰা ৰক্ষা কৰিছিল। কলিয়ে ৰজাক ভয় কৰি দণ্ডৱতহৈ শৰণ বিচাৰিলে। ৰজা মহাজ্ঞানী আছিল, তেওঁ কৃষ্ণৰ একান্ত সেৱক, গতিকে কলিযুগত হৰিনাম ধৰ্ম প্ৰচাৰ হওক বুলিয়ে ৰজাই কলিক অভয় দিলে।

এদিন ৰজা পৰীক্ষিতে সৈন্য-সামন্ত লগতলৈ বনত মৃগয়া কৰিবলৈ গ'ল। বনত তেওঁ সুন্দৰ হৰিণ এটা দেখা পালে, ৰজাৰ হাতত ধনুশৰ দেখি হৰিণটো পলাই আঁতৰি গ'ল। ৰজাই ঘোঁৰাত উঠি অকলে হৰিণটো বিচাৰি অৰণ্যত সোমাল। এইদৰে হৰিণৰ পিছে পিছে খেদি গৈ ৰজা ভাগৰি পৰিল। ৰ'দৰ তাপ আৰু ভোক-পিয়াহে ৰজাক আতুৰ কৰিব ধৰিলে। ক্লান্ত হৈ ৰজাই পানী বিচাৰিব ধৰিলে। অলপ দূৰত তেওঁ এখন আশ্ৰম দেখা পালে। তেওঁ পানী বিচাৰি তালৈকে গ'ল। তাত শমীক নামৰ ঋষিজনে পদ্মাসনত বহি ধ্যান কৰি আছে। পানীৰ পিয়াহত ৰজাৰ অন্ত-কণ্ঠ শুকাই গৈছে, তেওঁ বাৰে বাৰে ঋষিক পানী খুজিব ধৰিলে। ঋষিৰপৰা কোনো উত্তৰ ৰজাই নাপালে। পিয়াহত ৰজাৰ জ্ঞান বুদ্ধি হেৰাই গৈছে, তেওঁ খঙত জ্বলি উঠিল, ঋষিয়ে তেওঁক অৱহেলা কৰি ধ্যানৰ ভাও ধৰি থকা বুলি ভাবি ওচৰতে পৰি থকা মৰা সাপ এডাল ঋষিৰ গলত মেৰাই দি ৰজা গুচি গ'ল।

ঋষি পুত্ৰ শৃঙ্গীয়ে তেওঁৰ লগৰ ল'ৰাৰ মুখত কথাটো গম পাই শৃঙ্গী খঙত জ্বলি উঠিল আৰু ক'লে— চোৰা ক্ষত্ৰিয়ীসকলে ব্ৰাহ্মণক সন্মান কৰে, কিন্তু এই দুৰাচাৰে ব্ৰাহ্মণৰ ওপৰত হাত দিলে। তেওঁৰ মৃত্যু চাপি আহিছে। এই বুলি শৃঙ্গীয়ে কমণ্ডলুৰপৰা হাতত পানী লৈ ৰজাক শাপ দি ক'লে— মহাপাপী, তই সাত দিনৰ ভিতৰত তোক তক্ষকে দংশন কৰক; তোক দেখি আন কোনেও যেন ব্ৰাহ্মণক অপমান কৰে। এই বুলি কান্দি কান্দি শৃঙ্গী পিতাকৰ ওচৰলৈ গ'ল।

পুত্ৰৰ কান্দোন শুনি ঋষিয়ে লাহে লাহে চকু মেলি চালে। তেওঁৰ গলত ওলমি থকা মৰা সাপটো আঁতৰাই পেলাই দি পুত্ৰই কিয় কান্দি আছে প্ৰশ্ন কৰিলে। শৃঙ্গীয়ে পিতাকৰ আগত সকলো কথা ক'লে আৰু ৰজা পৰীক্ষিতক শাপ দিয়া কথাও ক'লে।

পুত্ৰৰ কথা শুনি ঋষিয়ে ভয় খালে, তেওঁ শৃঙ্গীক অধম নিৰ্বোধ বুলি তিৰস্কাৰ কৰি গৰিহণা দিব ধৰিলে। কাৰণ ৰজা অবিহনে প্ৰজা অনাথ হ'ব। ৰক্ষক অবিহনে চোৰ-ডকাইত বাঢ়িব। চহৰ-নগৰ লুট হ'ব। স্ত্ৰী-ধন আদি অপহৰণ কৰিব। নিজৰ ভিতৰতে কটাকটি মৰামৰি কৰি প্ৰজাৰ সৰ্বনাশ হ'ব। প্ৰজাৰ এই মহাক্লেশৰ কাৰণে মহাপাপ আহি ব্ৰাহ্মণক চুব। গতিকে জগতলৈ এই নিন্দা পৰি থাকিব। ঋষিয়ে খেদ কৰি পুনৰ ক'ব ধৰিলে—

"ৰজা পৰীক্ষিত মহা ভাগৱত তেওঁ নিষ্পাপ। আজিৰ এই ঘটনাৰ কাৰণে যদি ৰজাই উলটি আমাক শাপ দিয়ে, তেতিয়াহে আমাৰ পাপৰ প্ৰায়শ্চিত্ত হ'ব। কিন্তু ৰজা পৰীক্ষিত কৃষ্ণৰ একান্ত সেৱক, তেওঁ কেতিয়াও তেনে গৰিহিত কৰ্ম নকৰে।" এই বুলি ঋষিয়ে ঈশ্বৰক প্ৰাৰ্থনা কৰি ক'লে— "হে প্ৰভু ভগৱন্ত, তোমাৰ ভকতক, তোমাৰ সেৱকক মোৰ অজ্ঞানী পুত্ৰই শাপ দিলে। তুমি মোক প্ৰায়শ্চিত্ত কৰা, যেন এনে অন্যায় কৰ্ম আন কোনেও নকৰে।" অতি বেজাৰ মনেৰে এই দু-সংবাদ ঋষিয়ে তেওঁৰ শিষ্যৰ দ্বাৰা ৰজালৈ পঠিয়াই তেওঁ পুনৰ ধ্যানত বহিল।

ৰজায়ো নিজৰ এই অপকৰ্মৰ কাৰণে অনুতাপ কৰি কৃষ্ণক চিন্তা কৰি বহি আছে। ৰজা জ্ঞানী তেওঁ জানিছিল যে ঋষিয়ে ঈশ্বৰক হৃদয়ত লৈ ধ্যান কৰি আছিল। মৰা সাপ ঋষিৰ গলত দিয়াৰ অৰ্থ ঈশ্বৰৰ লগতেই মৰা সাপ মেৰাই দিয়াৰ দৰে হ'ল। এই বুলি ৰজাই বাৰে বাৰে কৃষ্ণক স্মৰণ কৰিছে আৰু অনুতাপ কৰি প্ৰাৰ্থনা কৰিছে— "হে প্ৰভু মই যি গৰিহিত কাম কৰিলো তাৰ বাবে মোৰ প্ৰায়শ্চিত্ত হওক। মোৰ প্ৰায়শ্চিত্ত দেখি যেন আন কোনেও ব্ৰাহ্মণক অপমান নকৰে।" এইদৰে ভাবি-চিন্তি থাকোতে সমীক ঋষিক শিষ্য আহি ৰজাক জনালে যে— "শৃঙ্গীৰ শাপত সাত দিনৰ ভিতৰত ৰজাক তক্ষকে দংশন কৰিব। গতিকে পৰলোকৰ কথা চিন্তা কৰিবলৈ শমীক ঋষিয়ে উপদেশ দি পঠিয়াইছে।"

ব্ৰহ্মশাপৰ কথা শুনি ৰজা বৰ আনন্দিত হ'ল। "মই মহাপাপীৰ উচিত দণ্ড হৈছে।" এই বুলি তেওঁ ৰাজ্য-ধন-পুত্ৰ, দ্বাৰ, বিষয় সকলো ত্যাগ কৰি পুত্ৰ জন্মেজয়ক ৰাজ্যভাৰ গতাই দিলে আৰু ব্ৰহ্মশাপক কৃষ্ণৰ পৰম প্ৰসাদ বুলি গ্ৰহণ কৰিলে।

ৰজাৰ ব্ৰহ্মশাপৰ কথা শুনি, ব্ৰহ্মঋষি, দেৱঋষি, ৰাজঋষি সকলো আহি উপস্থিত হ'ল। ৰজাই একান্ত মনে ভগৱানৰ চৰণ চিন্তা কৰি প্ৰাৰ্থনা জনালে— "হে ভগৱন্ত, মোৰ কৰ্ম গতি যিয়েই নহওক মই যেন সকলো সময়তে তোমাৰ চৰণ চিন্তা কৰিব পাৰো, মই যেন সদায় সন্তৰ সঙ্গ লাভ কৰিব পাৰো।"

বিপদত পৰা লোকজনে কি কৰ্ম কৰিব লাগে, সেই বিষয়ে ঋষিসকলে নিজৰ নিজৰ মত আৰু উপদেশ আগবঢ়ালে, কিন্তু ৰজাই কৃষ্ণ চৰণ হৃদয়ত ধৰি স্থিৰ হৈ ৰ'ল। এনে সময়তে ব্যাসৰ পুত্ৰ মহামুনি শুক আহি উপস্থিত হ'ল। ঋষিসকলে তেওঁক সম্ভাষণ জনালে। ৰজাই নিজে উঠি গৈ শুকদেৱক বহিবলৈ আসন দিলে আৰু তেওঁৰ চৰণ ধুৱাই সেৱা নিৱেদন কৰিলে। শুকদেৱে ক'লে— "হে ৰাজন, ম্ৰিয়মানজনে কৃষ্ণদেৱৰ গুণ-নাম শ্ৰৱণ-কীৰ্তন কৰা উচিত। মই তোমাক দ্বাদশ স্কন্ধ ভাগৱত কৈ শুনাম, তুমি স্থিৰ হৈ একান্ত চিত্তে ভাগৱত শ্ৰৱণ কৰা। ম্ৰিয়মানজনৰ ঈশ্বৰৰ গুণ-নাম শ্ৰৱণ-কীৰ্তনৰ বাহিৰে আন কোনো কৰ্ম নাই। গতিকে তুমি চিত্ত দৃঢ় কৰা।" ইয়াকে শুনি ৰজা শান্ত হ'ল। তেওঁ ঋষিসকলক সন্মান জনাই কৃষ্ণৰ চৰণ হৃদয়ত ধৰি গঙ্গাপাৰত কুশৰ আসন পাতি উত্তৰমুৱা হৈ মহামুনি শুকদেৱৰ মুখৰ দ্বাদশ ভাগৱত শ্ৰৱণ কৰিবলৈ স্থিৰ হৈ বহিল। এয়া যেন ব্ৰহ্মশাপ নহয় কৃষ্ণৰ পৰম প্ৰসাদ।

"যেন নপাসৰো আমি ঈশ্বৰ মাধৱ।
জন্মে জন্মে হৌক মোৰ বৈষ্ণৱ বান্ধৱ।।"৩৮১

ৰজা পৰীক্ষিতে মাত্ৰ ইয়াকেই বিচাৰি স্থিৰ হৈ বহি হৃদয়ত কৃষ্ণৰ চৰণ চিন্তি মহাভাগৱত শ্ৰৱণ কৰি মুক্তি লাভ কৰিলে।■■

# অভয় দানত পৰে ধৰ্ম নাহি আন

ভূমিধৰ দাস

মহাপুৰুষ শঙ্কৰদেৱে ভকত সমন্বিতে তীৰ্থ পৰ্যটনলৈ যোৱা সময়ৰ ঘটনা। এদিন জংঘলৰ মাজেৰে গৈ থাকোতে দেখিলে কোনোবা ব্যাধে পাতি থোৱা ফান্দ এখনত এটা হৰিণ বান্ধ খাই আছে। ভয়ত সন্ত্ৰস্ত হৈ জীৱটো অত্ৰাহি হোৱা দেখি গুৰুজনাই খেদ কৰি ক'লে— "হৰি হৰি। অজ্ঞান জন্তুক এনে লোভ দেখুৱাই কূট-চক্ৰ কৰি বধে। বোলে মেলি দিয়া হক।

ভকতসকলে গৈ ফান্দখন খুলি দিলত মুকলিহৈ হৰিণাটোৱে ধুমুহা যোৱাদি জংগলৰ মাজলৈ দৌৰি গ'ল। পৰম আনন্দ মনেৰে গুৰুজনাই সেই দৃশ্য উপভোগ কৰিলে। জীৱটোৰ প্ৰতি হোৱা সহৃদয়তাৰ ভাব ব্যাধৰ প্ৰতিও জাগ্ৰত হ'ল। সেয়ে গুৰুজনাই ভকতসকলক ক'লে— সি ব্যাধ তাপিত প্ৰাণী। বহু আশা কৰি এই যন্ত্ৰখন পাতোতে তাৰ বহু কষ্ট হৈছে। তাৰেই ঘৰ-সংসাৰো প্ৰৱৰ্তি আছেহি। গতিকে প্ৰাণীটোৰ পৰিৱৰ্তে তাৰ দাম আধলি এটাকে থোৱা তাত।

হৰিণাটোৰ দাম আধলি এটা ফন্দাত ৰাখি ভকতসকল আগবাঢ়ি গৈ থাকিল। সেইখন জংঘলৰে আন এঠাইত পতা আছিল আৰু এখন ফান্দ। সেই ফান্দত ময়ূৰ চৰাই এটা পৰি ঢপ্‌ঢপাই আছিল। তাকে দেখি জীৱৰ বিলাই সহ্য কৰিব নোৱাৰি সেইবাৰো খেদ কৰি জীৱটোক ফান্দৰপৰা মুকলি কৰি এৰি দিয়ালে আৰু তাৰ বিনিময়ত চৰাইটোৰ দাম হিচাপে সিকি এটা ব্যাধলৈ বুলি থোৱালে। শঙ্কৰ মহাপুৰুষজনাই তাতে কিছু সময় জিৰাই হৰি কথা চৰ্চি ভকতসকলক উপদেশ দিলে বোলে জগতত প্ৰাণী উপকাৰতকৈ শ্ৰেষ্ঠ পুণ্য নাই আৰু অভয়দানতকৈ শ্ৰেষ্ঠ ধৰ্ম নাই।

লাহে লাহে ভকত সমন্বিতে গুৰুজনাই আগবাঢ়িল। ইতিমধ্যে ব্যাধ দুজনেও নিজৰ নিজৰ চিকাৰ বিচাৰি ফান্দলৈ আহিছিল। ফান্দত চিকাৰৰ সলনি আধলি, সিকি পৰি থকা দেখি, এয়া যে কোনোবা মহান হৃদয়ৰ ব্যক্তিয়ে চিকাৰ মুকলি কৰি জীৱ উদ্ধাৰৰ সলনি তাতে দামখিনি ৰাখি গৈছে বুজিবলৈ বাকী নাথাকিল। যিমানে দুয়ো ব্যাধে কথাবোৰ ৰোমন্থন কৰিলে সিমানে সিহঁতৰ মহান ভাৱৰ উদয় হ'ল। দুয়োজনাই কৰা প্ৰাণীহিংসা কৰ্মৰ প্ৰতি দুয়োৰে বিতৰাগ জন্মিল। অনুতাপত দহি দুয়ো সংসাৰৰ প্ৰতি উদাস হ'ল। তাৰ পাছতে জংঘলৰ মাজৰ বাটেৰে দৌৰি দৌৰি ভকতসকলক বিচাৰি গ'ল। কিছুদূৰ বাট গৈয়ে ভকতসকলক লগ পালে। গুৰুজনাৰ সন্মুখত দণ্ডৱত হৈ পৰি নিজৰ অপকৰ্মৰ বাবে অনুতাপ কৰি নানা কাকুতি-প্ৰাৰ্থনা কৰিলে, বোলে জ্ঞানশূন্য পশু-পক্ষীকো যে আপুনি কৃপা কৰি বন্ধনৰপৰা উদ্ধাৰ কৰিলে, সেইমতে আমাকো এই দুখময় সংসাৰৰ বন্ধনৰপৰা উদ্ধাৰ কৰিব লাগে ধৰ্ম-বস্তু দি।

পাছে মহাপুৰুষে কৃপা পৰৱশহৈ দুয়োজনাকে শৰণ-ধৰ্ম বস্তু দি নিস্তাৰ কৰিলে। এই কথাকে সুঁৱৰি শঙ্কৰ গুৰুৰ কৃপালু-গুণ-মহিমাৰ প্ৰশংসাকৈ ঘোষা কৰিছে—

জ্ঞানশূন্য আতি পশুপক্ষী জাতি।  
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।।◆



# এড়াইল দাৰুণ মৰণ ভয়

মুৰুলীধৰ শইকীয়া

সমুদ্ৰ তীৰৰ দ্বাৰকা এখন অনুপম ৰাজ্য। ৰজা উগ্ৰসেন মহাপৰাক্ৰমী আৰু ধাৰ্মিক কৃষ্ণভক্ত। প্ৰজাসকলো সুখ শান্তিৰেই বাস কৰিছিল। ৰাজসবাত কৃষ্ণ, বলোভদ্ৰ, কামদেৱ, অনিৰুদ্ধ, সাত্যকি আদি বীৰসকলৰ উপৰি ঋষি-মুনিকে আদি কৰি যাদৱ বীৰসকল সমবেত হৈ ৰাজ্যৰ বিভিন্ন সমস্যা আলোচনা কৰি প্ৰজাৰ শান্তি-সম্প্ৰীতি আৰু প্ৰগতিৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰিছিল। প্ৰজাসকলো সততে শান্তিৰেই বাস কৰিছিল।

সুধৰ্মাসভাত ৰজা পাৰিষদসকলৰে পৰিৰেসিত হৈ থাকোতেই হঠাৎ এক ৰহস্যপূৰ্ণ ঘটনা সংঘটিত হ'ল। দ্বাৰকানগৰৰ নাতিদূৰৰ এজন ব্ৰাহ্মণৰ সদ্যজাত কেঁচুৱাটোৰ মৃত্যু ঘটিল। ব্ৰাহ্মণজনে মৃত কেঁচুৱাটো ৰাজসভালৈ আনি ৰজাৰ সন্মুখত ৰাখি লৈ ৰজাক নানা ধৰণে তিৰস্কাৰ কৰিবলৈ ধৰিলে।

ব্ৰাহ্মণজনে কোৱা কথাবোৰ এনে ধৰণৰ— "ৰজা অধাৰ্মিক, লোভৰ বশৱৰ্তী হৈ ভ্ৰষ্টাচাৰত লিপ্ত হৈছে। অহংকাৰী ৰজাই ধৰ্ম, কৰ্ম, সদাচাৰ পাহৰি গৈছে মন্দকৰ্ম কৰি ক্ষত্ৰিয়ৰ তেজস্বীতা নাশ কৰিছে— ৰজাৰ এনে আচৰণৰ বাবেই মোৰ এই পুত্ৰৰ মৃত্যু ঘটিছে।" এই বুলি মৰাপুত্ৰক লৈ ব্ৰাহ্মণ গৃহাভিমুখী হ'ল। ঠিক সেইদৰেই ব্ৰাহ্মণজনৰ পুত্ৰ উপজিয়েই মৃত্যুমুখত পৰিবলৈ ধৰিলে— পূৰ্বৰ দৰেই ৰজাৰ ওচৰলৈ নি বিভিন্ন ধৰণে ভৰ্ৎসনা কৰে। ক্ৰমাগতভাৱে নটা পুত্ৰৰ মৃত্যু হ'ল। দশম পুত্ৰ জন্ম হোৱাৰ লগে লগে ব্ৰাহ্মণে আগৰ দৰেই ৰজাৰ ওচৰলৈ মৃতপুত্ৰ লৈ আহি ঢোপোচ কৰে ৰজাৰ ভৰিৰ ওচৰত পেলাই দিলেহি।

ভাগ্যৰ বিপাক। সেইদিনা দ্বাৰকালৈ যোৱা অৰ্জ্জুন সুধৰ্মা সভাতে কৃষ্ণৰ লগতে বহি আছিল। ব্ৰাহ্মণৰ ৰাজ-নিন্দাৰ আস্ফালন শুনি অৰ্জুনে মুখ খুলিলে। 'হে ব্ৰাহ্মণ আপোনাৰ কেনে অথন্তৰ ঘটিছে। কি কাৰণে মৃতপুত্ৰৰ শোকত কান্দি-কাতি বীৰসকলৰ সন্মুখত ৰজাক ভৰ্ৎসনা কৰিছে— এইসকল ধনুৰ্দ্ধৰ বীৰ যোদ্ধা থাকোতে আপোনাৰ এনে অৱস্থা কিয় হৈছে? যি ৰাজ্যত প্ৰজাৰ শান্তি নাথাকে, ব্ৰাহ্মণসকলৰ দুখ-বেজাৰ থাকে যোদ্ধা সকলো নিৰ্লিপ্ত হৈ ৰয়, তেনেহ'লে বুজিব লাগিব— "নুহিকে ক্ষত্ৰিয় সিটো নটৰ লক্ষণ।' মই আজি আপোনাক কথা দিছো, আপোনাৰ পুত্ৰক ৰক্ষা কৰিম।"

তুমি পাৰিবা? ইয়াত বহি থকা বলৰাম, সাত্যকি, অনিৰুদ্ধ আদি মহাবীৰসকলে ৰক্ষা কৰিব পৰা নাই; স্বয়ং কৃষ্ণৰূপী নাৰায়ণে যি কাৰ্য সাধন কৰিব পৰা নাই, তুমি কোন এনে মহাবীৰ, মোৰ পুত্ৰক ৰক্ষা কৰিবা? অৰ্জুনে মহাদৰ্পে ক'বলৈ ধৰিলে— তেৱেঁই গাণ্ডীৱধাৰী মধ্যমপাণ্ডৱ অৰ্জুন। যিজনে মহাদেৱকো পৰাস্ত কৰি পাশুপাত অস্ত্ৰ লাভ কৰিছে, যাক সমস্তে জগতে প্ৰশংসা কৰে— সেই অৰ্জুন তেওঁ। স্বয়ং যমৰাজকো যুদ্ধত জিনি ব্ৰাহ্মণৰ পুত্ৰক আনি দিব। অৰ্জুনৰ নিৰ্ভয়বাণীত বিশ্বাস কৰি ব্ৰাহ্মণে মৃতপুত্ৰক লৈ গৃহাভিমুখী হ'ল।

এবছৰ পাৰ হ'ল।ব্ৰাহ্মণী সন্তান সম্ভৱা হ'ল। ব্ৰাহ্মণেও অৰ্জুনক বাতৰি দিলে। অৰ্জুনেও শিৱ শঙ্কৰক স্মৰণ কৰি কোনো ছিদ্ৰ নোহোৱাকৈ প্ৰসূতি গৃহটো শৰৰে আচ্ছাদন কৰিলে। বিপ্ৰ-পত্নীৰ পুত্ৰ জন্ম হৈ ক্ৰন্দন কৰিলে—ব্ৰাহ্মণেও ভাবিছিল এইটি পুত্ৰ জীৱিত হৈ থাকিব বুলি। কিন্তু কি পৰিহাস। আগতে মৃত পুত্ৰৰ দেহটোকে পাইছিল, এইবাৰ কিন্তু তাকো দেখা নাপালে। নপুংসকৰ কথাত বিশ্বাসেই এনে হ'ল বুলি নিজকেই ধিক্কাৰ দিলে। অৰ্জুনকো ব্ৰাহ্মণে অনেক তিৰস্কাৰ কৰিলে। মিছা অঙ্গীকাৰ কৰি প্ৰবঞ্চনা কৰাৰ বাবে অৰ্জুনক অনেক প্ৰকাৰৰ বিকৰ্থনা কৰি ব্ৰাহ্মণ তাৰপৰা আঁতৰ হ'ল। লজ্জা নিবাৰণৰ বাবে অৰ্জুনেও 'ধনু তুলি মহাবিদ্যা ধৰি' যমলোক, চন্দ্ৰলোক, ইন্দ্ৰলোক সকলোতে ব্ৰাহ্মণৰ মৃতপুত্ৰ বিচাৰি চলাথ কৰিলে। ক'তো শুং-সূত্ৰ নাপালে। দ্বাৰকালৈ উলটি আহি প্ৰতিজ্ঞা অনুসৰি জ্বলাজুইত প্ৰাণ বিসৰ্জন দিয়াৰ ইচ্ছা প্ৰকাশ কৰিলে। পিছে কৃষ্ণই জুইত জাপ দিবলৈ নিদি, বিপ্ৰৰপুত্ৰক দেখুৱাম বুলি কথা দি দুয়ো ৰথত উঠি যাত্ৰা কৰিলে। অৰ্জুনেই ৰথ চলাই উত্তৰ দিশে গতি কৰিলে। অৰ্জুনে মনতে ভাবিলে ক'ত এনে ঠাই আছে বিপ্ৰৰ পুত্ৰক লুকুৱাই ৰাখিছে।

অৰ্জুনে ৰথ চলাই উত্তৰ দিশলৈ গতি কৰিলে। ৰথৰ বেগত যেন পৃথিৱী এৰি থৈ সাগৰ নগৰ পাৰ হৈ কোনোবা অচিন লোকতহে প্ৰৱেশ কৰিলে। তেওঁ দেখিলে ক'ৰবাৰ ঘোৰ অন্ধকাৰৰ মাজত সোমাই গৈ বাট-পথ একো চিনি নোপোৱা হ'ল। পিছে তেওঁৰ লগত স্বয়ং ভগৱান শ্ৰীকৃষ্ণ বিদ্যমান। তেওঁ চক্ৰৰ যোগেদি 'মহাৰশ্মিপুঞ্জ' সৃষ্টি কৰিলে। অৰ্জুনে দেখিলে মহাসাগৰৰ জলৰাশিৰ যেন এক সুৰঙ্গইদি মহাসমাৰোহেৰে ৰথখন পাৰহৈ গৈছে।

সুৰঙ্গ পাৰ হ'ল। এখন যেন বিচিত্ৰ মহা আলোকময় নগৰত প্ৰৱেশ কৰিলেগৈ। স্ফটিক স্তম্ভৰে নিৰ্মিত হীৰা মুকুতা খচিত এক দিব্যগৃহৰ ভিতৰত

"অনন্তক গৈয়া ভৈলা ভেট।
তুলি আছে হাজাৰেক ফেঁট।।"

তাতেই স্বয়ং নাৰায়ণে অনন্ত শয্যাত দিব্যৰূপ ধৰি বহি থকা দেখিবলৈ পালে। অৰ্জুন বিস্ময়ত অভিভূত হৈ পৰিল। দুয়ো প্ৰণাম জনালে। অনন্ত নাৰায়ণে ক'বলৈ ধৰিলে— বসুমতীৰ ওপৰত দৈত্য-দানৱসকলে অত্যাচাৰ কৰাৰ বাবে দুয়োকে পৃথিৱীৰ দুখ মোচনৰ কাৰণে ব্ৰহ্মাৰ কথামতে প্ৰেৰণ কৰিলো। এতিয়া কিছু উপসম হৈছে আৰু ইতিমধ্যে কলিকালৰো ওচৰ চাপি আহিছে কাৰণে তোমালোক 'নৰ-নাৰায়ণচ পুনৰ নিজৰ স্থানলৈ আহিব লাগে। সেয়ে দুয়োকে দেখিম বুলিয়েই এই বাৰ্তা দিবলৈকে মই বিপ্ৰপুত্ৰসকলক হৰণ কৰি আনিছোঁ। এইবুলি নাৰায়ণে দুয়োকে যথাযোগ্য সম্ভাষণ জনালে। পৃথিৱীৰ বাবে কৰিবলগীয়া কাৰ্যৰ বৰ্তমান অন্ত পৰিছে। দুয়ো অতি সোনকালে পৃথিৱীৰ কাৰ্য সমাপ্ত কৰি স্ব-স্ব স্থানলৈ আগমন ঘটোৱা। এই বুলি কৈয়েই—

"হাসিয়া এহি বুলি চক্ৰপাণি।
ব্ৰাহ্মণৰ দশ ছৱাল আনি।।
দিলন্ত কৃষ্ণ অৰ্জুনৰ হাতে।
নমিলা পাছে দুয়ো প্ৰণিপাতে।।"

কৃষ্ণ অৰ্জুন যোৱাৰ পথেদিয়েই পুনৰ দ্বাৰকালৈ গমন কৰিলে। ব্ৰাহ্মণৰ দহোটি পুত্ৰকে আনি দি অৰ্জুনে নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিলে— "কৃষ্ণৰ প্ৰসাদে বীৰ বিজয়। এড়াইল দাৰুণ মৰণ ভয়।।" কৃষ্ণৰ কৃপাৰ বাবেই অৰ্জুনে অসাধ্যকো সাধন কৰিলে।■■

*কীৰ্ত্তন-ঘোষাৰ 'বিপ্ৰ-পুত্ৰ আনয়ন'ৰ আলমত*

# কৃষ্ণৰ পাঞ্চজন্য শঙ্খ

মামনি চলিহা

প্ৰভু ভগৱন্ত শ্ৰীকৃষ্ণৰ মাহাত্ম্যৰ কথা বৰ্ণনাতীত। শিশু কালত কৃষ্ণ বলোৰামে অস্ত্ৰ শিক্ষা, বিদ্যাশিক্ষা আহৰণৰ কাৰণে অৱন্তীপ্ৰস্তৰ ঋষি সান্দীপাণিৰ ওচৰলৈ গৈছিল। তেতিয়াৰ দিনত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে শিক্ষাগুৰুৰ আশ্ৰয়ত থাকি ল'ব লাগে। কৃষ্ণ-বলোৰামেও সান্দীপণি মুনিৰ আশ্ৰমত থাকি শিক্ষা গ্ৰহণ কৰিছিল। মাত্ৰ ৬৪ দিনতে কৃষ্ণ-বলোৰামে সমস্ত সিক্ষা আহৰণ কৰি গুৰুক স্তম্ভিত কৰিছিল। তদুপৰি গুৰুৰ আশ্ৰমতে নানা ধৰণৰ অলৌকিক কাৰ্য সমাধা কৰি গুৰুৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। অস্ত্ৰশিক্ষা সাং কৰি বিদায় ল'বৰ বাবে সাজু হৈ গুৰুক শিক্ষাৰ বিনিয়মত কি দক্ষিণা দিব, কেনেকৈনো গুৰুক সন্তোষ দিব এই লৈ চিন্তা কৰি গুৰুক প্ৰাৰ্থনাৰে জনোৱাত গুৰুৱে তেওঁৰ অন্তৰৰ ভাব প্ৰকাশ কৰি ক'লে যে, তেওঁলোকে গুৰুক কোনো দক্ষিণা দিব নালাগে। তাৰ বিনিময়ত যদি তেওঁলোকে গুৰুৰ মৃত পুত্ৰক প্ৰভাসৰ লৱণ সাগৰৰপৰা আনি দিব পাৰে তাতকৈ ডাঙৰ দক্ষিণা একো নালাগে। সেয়ে উত্তম দক্ষিণা হ'ব। লগে লগে কৃষ্ণ-বলোৰামে গুৰুৰ মৃত পুত্ৰক আনিবৰ কাৰণে সাগৰৰ পাৰত উপস্থিত হ'লগৈ। সাগৰে তেওঁলোক তালৈ যোৱাৰ কথা জানিব পাৰি বিনম্ৰভাৱে ক'বলৈ ধৰিলে— "হে গোপাল কৃষ্ণ, মই ঋষি পুত্ৰক একো কৰা নাই। পাঞ্চজন্য দৈত্যইহে মোৰ পাৰৰ পৰা ঋষি পুত্ৰক ধৰি নি হত্যা কৰিছে। পাঞ্চজন্য দৈত্য এতিয়াও মোৰ বুকুতে লুকাই আছে। তোমালোকে তাক ধৰি গুৰুপুত্ৰক উদ্ধাৰ কৰি নিয়া।"

সাগৰৰ কথা শুনি ৰাম-কৃষ্ণই অলপো পলম নকৰি সাগৰৰ মাজত প্ৰৱেশ কৰি পাঞ্চজন্য দৈত্যক সাগৰৰ তলিত বিচাৰিবলৈ ধৰিলে। এসময়ত পাঞ্চজন্য দৈত্যৰ লগত ৰাম কৃষ্ণৰ ভেটা-ভেটি হ'ল। লগে লগে দুয়োপক্ষৰ মাজত এখন ঘোৰতৰ যুদ্ধ হ'ল। যুদ্ধত পাঞ্চজন্য দৈত্যক বধ কৰিলে। তাৰ মূৰৰ লাওকোলাৰপৰা কৃষ্ণই পাঞ্চজন্য শঙ্খ নিৰ্মাণ কৰি তাত ফু-দিয়াত তাৰ গগণ ভেদি নিনাদত স্বৰ্গ-মৰ্ত্য-পাতাল কঁপি উঠিল। পাঞ্চজন্য শঙ্খত দুয়োজনে ফু দি দি গৈ যমপুৰী ওলালগৈ। তাত যমৰজাক পৰাস্ত কৰি ঋষি পুত্ৰক উদ্ধাৰ কৰি আনি সান্দীপনি মুনিক গুৰু দক্ষিণা স্বৰূপে মৃতপুত্ৰক জীৱিত অৱস্থাত দিলেহি। ঋষিয়ে মৃতপুত্ৰক পুনৰ জীৱিত অৱস্থাত পাই আনন্দত অধীৰ হৈ ৰামকৃষ্ণক অন্তৰ খুলি আশীৰ্বাদ দিলে। লগতে ভূয়সী প্ৰশংসা কৰি বিদায় দিলে।

বিষ্ণু চাৰি হস্তৰ এখনত এই পাঞ্চজন্য শঙ্খটো থাকে। পাঞ্চজন্য দৈত্যক বধ কৰি এই শঙ্খটো তৈয়াৰ কৰাৰ কাৰণে শঙ্খটোৰ নাম পাঞ্চজন্য শঙ্খ হ'ল। সান্দীপনি মুনিৰ পুত্ৰ হত্যাকাৰী পাঞ্চজন্য দৈত্য কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰি গতি পাইছিল।

প্ৰভু ভগৱন্ত কৃষ্ণৰ অনন্ত মহিমা। অকণিহঁত আমি তেওঁক দৃঢ়তাৰে ভক্তি কৰিলে, তেওঁৰ চৰণ চিন্তি কাম কৰিলে তেওঁ আমাৰ মনৰ সৎবাঞ্ছাবিলাক পূৰণ কৰে যে তাৰ প্ৰাম এই কাহিনীটোৰপৰা জানিব পাৰো। এনে বহুত কাহিনী আছে। তেওঁক আমি সদায় ভজনা, প্ৰাৰ্থনা কৰিব লাগে। তেওঁৰ বাদে আমাৰ ভজনীয়া দেৱতা আন কোনো নাই। তেওঁত অৰ্পণ কৰি কামত অগ্ৰসৰ হ'লে আমি সফলতা লাভ কৰিব পাৰোঁ। লাগে মাথোঁ অন্তৰত ভক্তি-শ্ৰদ্ধাৰ লগতে চেষ্টা।■■

# ডাকৰ বচন আৰু ফকৰা যোজনা

অনিন্দিতা দাস

বতৰ চাই কঠিয়া পেলাবা।
বুঢ়াই থেৰাই দু হালি বাবা।।

বতৰ চাই সদায় কঠিয়া পেলাব লাগে। সকলো কাম সময় মতে কৰিব লাগে। কিন্তু এটা কথা সদাই মনত ৰখা প্ৰয়োজন যে বতৰ পৰীক্ষা কৰি ল'ব লাগে। কাৰণ খুব খৰাং বতৰত কেতিয়াও কঠিয়া পুৰঠ নহয় আৰু কঠিয়াৰ কোঁহবোৰ শুকাই আমাৰ লোকচান হ'ব পাৰে। আনহাতে অতি বৰষুণতো কঠিয়া পাৰিব নালাগে। কাৰণ বৰষুণত কঠিয়া পাৰিলে কঠিয়া গেলি যায় আৰু আমাৰ বীজৰ লোকচান হয়। গতিকে সকলো কাম কৰোঁতে বতৰ চাই কৰিব লাগে সেই বাবে ডাকে কৈছে যে বতৰ চাইহে কঠিয়া পেলাব লাগে।

আঠিয়াত গোবৰ, মনোহৰত জাৱৰ
পুৰাত খাই, মালভোগত ছাই।

খেতি কৰি অধিক উৎপাদন কৰিবলৈ আমি ভালদৰে শস্যৰ প্ৰতিপালন কৰিব লাগে। কলৰ খেতি কৰিবৰ বাবে আমি কলৰ জাত চাইহে তাত সাৰ প্ৰয়োগ কৰিব লাগিব। আঠিয়া কলৰ গুৰিত আমি সদায় গোবৰ বেছি দিয়া দৰকাৰ কিয়নো আঠিয়া কলত বেছি সাৰৰ প্ৰয়োজন হয়। মনোহৰ কলৰ গুৰিত সদায় আমি ঘৰৰ পৰা নিতৌ ওলোৱা জাৱৰ-জোথৰ আদি পেলাব লাগে। ঠিক সেইদৰে বিভিন্ন ধৰণৰ কলৰ খেতি কৰাতে বিভিন্ন ধৰণে সাৰ প্ৰয়োগ কৰিব লাগিব। যদি তাকে কৰা নহয় তেতিয়া আমাৰ শস্য ভালদৰে উৎপাদন নহয়।

মালভোক কলত সাধাৰণতে কেঁচুৰ আক্ৰমণ বেছি হোৱা দেখা যায়। সেয়ে কেঁচুৰ আক্ৰমণ ৰোধ কৰিবৰ বাবে ছাঁই দিব লাগে।

ডাকে বোলে বাপু শুনা উপায়।
বাণিজ্যৰ ফল কৃষিতে পায়।।

ডাকে কৈছে যে যদি আমি বেপাৰ কৰোঁ তেতিয়া আমি কৃষি কৰি ভালদৰে শস্য উৎপাদন কৰিব লাগিব। যাতে আমাৰ বেপাৰত আমি ভালদৰে উপাৰ্জন কৰিব পাৰোঁ। ডাকে আমাক উপায় দিছে বেপাৰ-বাণিজ্য কৰি লাভবান হ'বলৈ যথেষ্ট টকাৰ প্ৰয়োজন হয় আৰু তাৰ পৰা যিমান লাভ হ'ল সিমান আমি কৃষিকাৰ্য কৰিও উপাৰ্জন কৰিব পাৰোঁ। আমি কৃষি কৰিলে বাণিজ্য কৰাতকৈ টকাৰ পৰিমাণ বা কষ্টও কম হ'ব।

যিজনে সদা কৃষিক কৰে।
সমস্ত সম্ফল পাই ঘৰে।।

যিজনে কষ্ট কৰি কৃষিকাৰ্য কৰে তেওঁ ফল পোৱাটো নিশ্চিত। আমি আমাৰ সমাজত লক্ষ্য কৰিলে দেখা পাওঁ যে যিজন লোক সদাই কৃষিৰ লগত জড়িত হৈ থাকে তেওঁৰ কেতিয়াও অভাৱ নহয়। কিয়নো জীৱিকাৰ বাবে

প্ৰয়োজনীয় সকলো প্ৰাণ আমি কৃষিৰ পৰায়ে পাওঁ। ধৰাহওক কলৰ খেতি কৰি আমি কলৰ উৎপাদন কৰি টকা উপাৰ্জন কৰোঁ। আকৌ কলগছ জোপাক আমি গৰুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিব পাৰোঁ। তাৰ পাতবোৰক আমি আমাৰ ঘৰত অনুষ্ঠিত কৰা সকাম আদিত ব্যৱহাৰ কৰিব পাৰোঁ। কলৰ পুলিক আমি আমাৰ খাদ্য হিচাপেও ব্যৱহাৰ কৰিব পাৰোঁ, পচলা হিচাবে। সেইবাবে ডাকে কৈছে যে কৃষিত যদি আমি মন দিওঁ তেতিয়া সকলোবোৰ আমাৰ ওচৰলৈ নিজে নিজে আহি পৰে। ঘৰত অনাটন নোহোৱাকৈ সকলো সম্পদ পাবলৈ আমি সক্ষম হওঁ।

কিৰিষি কৰিবা একান্ত মনে।
নফলে কিৰিষি বিনা যতনে।।

কৃষি কৰিবৰ বাবে আমাৰ একাগ্ৰতা থাকিব লাগিব। একাগ্ৰতাৰ অবিহনে আমি একো কাম সফলভাৱে সম্পূৰ্ণ কৰিব নোৱাৰিম। আমি যদি একান্ত মনেৰে কৃষি নকৰোঁ তেতিয়া আমাৰ লাভ নহ'ব। এযাৰ কথা আছে “পঢ়াই পঢ়ে ৰোৱে পান, এই তিনিয়ে নিচিন্তে আন” অৰ্থাৎ যিসকলে যিসকলে পঢ়ে তেওঁলোকে যদি পঢ়াৰ সময়ত বহি লৈ আকাশ-পাতাল বা আন চিন্তা কৰি থাকে তেতিয়া তেওঁলোকে ভালকৈ পঢ়িব নোৱাৰে, সেইদৰে যিজনে পাণৰ খেতি কৰে তেওঁ আন কথা ভাবি থাকিলে পাণৰ খেতি ভাল নহয়। ঠিক তেনেকৈ পঢ়াওঁতাজনেও নিজ দায়িত্ব সুকলমে কৰিলেহে সুফল আশা কৰিব পাৰিব। সেইবাবে ডাকে কৈছে যে বিনা কষ্টৰে কোনো কাম সম্পূৰ্ণ সফল নহয়। খেতি কৰোঁতেও সকলো শস্যৰে আমি যত্ন ল'ব লাগিব।

এহাত এমুঠন কলৰ পোত।
তেহে চাবা কলৰ গোট।।

কলখেতিৰ দ্বাৰা মানুহৰ বহুত লাভ হয়। কলগছ ৰোৱাৰ বহুতো নিয়ম আছে। জধে-মধে কল ৰুলে কলৰ খেতি ভাল নহয়। কলগছ ৰুলে এহাত দ আৰু এমুঠন বহল হোৱাটো অতিকে প্ৰয়োজন। তেতিয়া কল গছজোপাই প্ৰয়োজনীয় সকলো খাদ্য পাব আৰু গছজোপাৰ গঠন উন্নত হৈ ভাল ফল দিব পাৰিব।

সৰিয়হৰ তলিত কপৌৰ খোজ।
তেহে চাবা সৰিয়হৰ গোট।।

সৰিয়হৰ বাবে মাটি উৎকৃষ্টকৈ চহাব লাগে তেহে সৰিয়হৰ খেতি ভাল হয়। খেতি কৰিবৰ সময়ত এটা কথা মনত ৰখা প্ৰয়োজন যে চহোৱা মাটিত যাতে এটাও চপৰা নাথাকে। আগৰ কালত চহোৱাৰ পাছত মৈ দিয়া কাৰ্য সম্পন্ন কৰে। মৈয়াই থোৱা মাটিত যদি কপৌৰ খোজ বহে তেতিয়া ইয়াক উৎকৃষ্ট বুলি কোৱা হয়। আগৰ কালৰ মাটি পৰীক্ষা কৰা এইটো এটা থলুৱা পদ্ধতি আছিল।

জালুকত গোবৰ মাটি
কল ৰুৱা তিনিবাৰ কাটি।।

জালুক গঠত গোবৰ মাটি দিব লাগে। জালুকত কেতিয়াও কেঁচা গোবৰ দিব নালাগে। কেঁচা গোবৰ দিলে জালুক গছৰ গুৰিত গাপ খাই গুৰিত ভেঁকুৰে ধৰে আৰু গা-গছডাল লাহে লাহে পচাই পেলাব পাৰে।

কল গছ ৰুবৰ বাবে তিনি ঠোকা কল কটাৰ পাছচত সেই কলৰ পুলি আনিব লাগে। তিনিঠোকা কল মেলাৰ পাছত যেতিয়া পৈণত হয় আৰু তাক কটাৰ পাছত কলৰ মুঢ়াটো লাহে লাহে ওপৰলৈ উঠি আহে তেতিয়া সেই কলগছৰ পুলি উভালিবলৈ সহজ হয়। যদি আমি সেই কলগছ জোপাৰ পুলি উঠাই নানি তাতে

থাকিবলৈ দিওঁ তেতিয়া কলৰ গোটটো সৰু হৈ আহিবলৈ ধৰিব। তেতিয়া আমি আৰ্থিকভাৱে লাভবান হ'ব নোৱাৰিম।

ঘন ঘন কৈ দিবা আলি
তেহে কৰিবা খেতিৰ শালি।।

শালিখেতি প্ৰায়ভাগ মানুহে কৰা দেখা যায়। শালিখেতি কৰিলে মানুহ অধিক লাভবান হয়। শালি ধানৰ কঠিয়া জেঠ মাহত পাৰিলেহে ভাল হয়। শালি খেতি কৰিবলৈও নিয়মৰ প্ৰয়োজন। শালিখেতি কৰিবলৈ যিহেতু যথেষ্ট পানীৰ প্ৰয়োজন সেয়ে পানী ৰ'বৰ বাবে পথাৰত ঘন ঘনকৈ আলি দিব লাগে যাতে শালিধানৰ উৎপাদন বৃদ্ধি হয়। যদিহে আলিবোৰ সেৰেঙাকৈ দিয়া হয় তেতিয়া পথাৰত পানী ন'ৰব আৰু শালিখেতিৰ পৰা আমাৰ লাভ নহ'ব।

তিনিশ যাঠি জোপা ৰুবা কল
মাহেকে পযেকে চিকুণাবা তল।
পাত পচলা লাভত পাবা
লংকাৰ বণিজ ঘৰতে পাবা।।

কলখেতিৰ পৰা আমি যথেষ্ট লাভৱান হ'ব পাৰোঁ। যদি আমি তিনিশ যাঠি জোপা কলগছ ৰোওঁ তেতিয়া আমি অৰ্থনৈতিক দিশত অধিক লাভৱান হ'ম। কলগছ ৰুলেই নহ'ব তাৰ প্ৰতিপালনো কৰিব লাগিব। যদি কলগছৰ তলখন লেতেৰা হৈ থাকে তেতিয়া কলগছত কেঁচু সোমাই কলগছ জোপা নষ্ট হ'ব পাৰে। মাহেকত বা পোন্ধৰ দিনৰ মূৰত কলগছৰ প্ৰতি পালন কৰিবলৈ ডাক পুৰুষে কৈ গৈছে। কলগছৰ পৰা কল পোৱাৰ উপৰি কলপাত, কল পচলা আদি লাভত পোৱা যায়। এইবোৰৰ ব্যৱহাৰো বহুল। ইয়াক ডাক পুৰুষে কোৱাৰ মতে লংকা এখন সোণৰ দেশ। আমি যদি বহু মৰিমাণে কলৰ খেতি কৰোঁ তেতিয়া হ'লে লংলাকত থকাৰ দৰে ধনে সোণে আমাৰ ঘৰ বৰি পৰিব।◆

---

# ছুনামি কি?

তোমালোকে অলপতে জাপানত হোৱা ভূঁইকঁপৰ ফলত সৃষ্টি হোৱা ছুনামিয়ে হাজাৰ হাজাৰ লোকৰ প্ৰাণ লোৱাৰ কথা নিশ্চয় গম পাইছে। অতি দুৰ্ভাগ্যজনকভাৱে অসংখ্য লোকে এই দুৰ্ঘটনাত প্ৰাণ দিয়াৰ উপৰি ঘৰ-বাৰী আৰু নগৰ-চহৰো ক্ষতিগ্ৰস্ত হৈছে। এই প্ৰলংয়কৰী ছুনামিনো কি জানানে?

ছুনামি এটা জাপানী শব্দ ছু (tsu) মানে বন্দৰ আৰু নামি (nami) মানে ঢৌ। সাধাৰণভাৱে ক'বলৈ গ'লে ছুনামিৰ অৰ্থ হ'ল সাগৰৰ বিশাল ঢৌ। বিশেষ কেইটামান কাৰণত দ্ৰুতগতিৰ সমুদ্ৰ তৰংগ যেতিয়া উপকূলভাগত আছাৰ খাই পৰি মহাতৰংগলৈ ৰূপান্ত হয়, তাকে কোৱা হয় ছুনামি। সমুদ্ৰ গৰ্ভত হোৱা ভূমিকম্প, নিমজ্জিত আগ্নেয়গিৰিৰ আকস্মিক উদ্গিৰণ, ভূমিস্খলন আদি কাৰণত সাধাৰণতে ছুনামিৰ সৃষ্টি হয়।◆

সংগ্ৰহ ঃ সৌৰভ বৰা

# বিশ্বাসে মিলয় হৰি

ভবেন দুৱৰী

এখন গাঁৱত দুজন ল'ৰাই নিতৌ গৰু চৰাবলৈ যায়। পুৱাই চাহ-জলপান অলপ খাই গৰু চৰাবলৈ যোৱাটোৱেই সিহঁতৰ কাম। দুয়োটি ল'ৰা দুটা ভিন্ন সম্প্ৰদায়ৰ। এজন হিন্দু আৰু আনন্দ মুছলমান। গৰু চৰোৱাৰ লগতে সিহঁতে খেল-ধেমালি কৰি সময় পাৰ কৰে। এজনৰ নাম ৰাম আৰু আনজনৰ নাম ৰহিম। ৰহিম অলপ গোড়া। সি শুক্ৰবাৰে ওচৰৰ মছজিদত নামাজ পঢ়িবলৈ যায়। সেই সময়খিনি ৰামে ৰহিমৰ গৰু কেইটাৰো নজৰ ৰাখে।

এদিন ৰহিমৰ মছজিদৰ পৰা অহা পলম হ'ল। অকলে ৰামৰ আমনি লগা দেখি সি ৰহিমক এসেকা দিয়াৰ কথা মনতে পাঙিলে। ৰহিম অহাৰ লগে লগে ৰামে ক'লে তহঁতৰ আল্লাৰ কি ক্ষমতা আছে অ'? আমাৰ ভগৱান কৃষ্ণই এটা আঙুলিৰে গোবৰ্দ্ধন ডাঙি ধৰি গোপশিশুসকলক প্ৰবল বৰষুণৰ পৰা ৰক্ষা কৰিছিল। গতিকে আমাৰ ঈশ্বৰ তহঁতৰ আল্লাতকৈ ডাঙৰ।" তাকে শুনি ৰহিমেও যুক্তি ডাঙি ধৰি ক'লে— "আমাৰ আল্লাই গোটেই বিশ্ব সৃষ্টি কৰিছে, গতিকে আমাৰ আল্লাহে ডাঙৰ।" এইদৰে দুয়ো তৰ্ক কৰাত লাগিল। দুয়ো পাছত প্ৰমাণ কৰাৰ বাবে এটা চৰ্ত কৰিলে যে দুয়ো এই পাহাৰটোৰ পৰা জাপ মাৰিব আৰু যিজনে আঘাতপ্ৰাপ্ত হ'ব তেওঁ হাৰিব আৰু যিজনৰ একো নহয় তেৱেঁই জিকিব।

প্ৰথমে ৰহিমে আল্লাৰ ওপৰত বিশ্বাস আৰু ভৰসা কৰি আল্লাৰ নাম লৈ ওপৰৰ পৰা জাপ মাৰি দিলে। তাৰ একো নহ'ল। সি ক'লে দেখিলি মোৰ একো নহ'ল। গতিকে তহঁতৰ ঈশ্বৰতকৈ আমাৰ আল্লা ডাঙৰ। ৰামে ক'লে— "ৰচোন, ময়ো জাপ মাৰি চাওঁ।" এইবুলি জাপ মাৰিবলৈ লওঁতেই তাৰ মনত সন্দেহ হ'ল— সি এতিয়া কাৰ নাম ল'ব। শিৱৰ নাম, নে গণেশৰ নাম, নে দুৰ্গা-কালীৰ নাম। একো ঠিক কৰিব নোৱাৰি সকলোৰে নাম লৈ জাপ মাৰি দিলে। কিন্তু সি তাৰ এটা ভৰিত গুৰুতৰ ভাৱে আঘাত পালে। ধেমালি কৰোঁতেই গুৰুতৰ আঘাত পোৱা দেখি দুয়ো হতভম্ব হ'ল। ৰহিমৰ সহায় বিচাৰি সি চিঞৰিবলৈ ধৰিলে। ইতিমধ্যে সেই ফালেদি এজন পাদ্ৰী চাহাব আহি থকা দেখা পাই তেখেতক সকলো কথা বিৱৰি ক'লে। দুয়োৰে তৰ্কৰ কাৰণ জানিব পাৰি পাদ্ৰীচাহাবে ক'লে যে আল্লা, ঈশ্বৰ বা গড্ একেজনেই জগতৰ স্ৰষ্টা। হিন্দুসকলে ঈশ্বৰ বুলি মাতে। গতিকে ভজনীয় দেৱতা সকলোৰে বাবে এজনেই। যিহেতু ভগৱান এজন ইয়াত ডাঙৰ সৰু বোলা কথাটো অৰ্থহীন। প্ৰকৃত কথা হৈছে কোনে কিমান বিশ্বাস বা আস্থা ভগৱানৰ ওপৰত ৰাখিব পাৰিছে। ৰহিমৰ বিশ্বাস গভীৰ, গতিকে তেওঁৰ একো নহ'ল আৰু ৰামৰ শঙ্কাবোধ হ'ল, গতিকে কষ্ট পালে। তাৰমানে ঈশ্বৰজন সৰু হৈ যোৱা বুলি ভৱাৰ কোনো যুক্তি নাই।

এই কথাৰ পাছত ৰামৰ মনত এটা অজান

আৰু গধুৰ ভাৱৰ উদয় হ'ল। সি এই বিষয়ত আৰু কিছুকথা বিশেষভাৱে বুজি ল'বলৈ নামঘৰৰ ভকতজনৰ ওচৰলৈ গ'ল। ভকতজনে ৰামক আদৰেৰে বহুৱাই লৈ ক'লে— চোৱা বোপা, তুমি কীৰ্ত্তন পুথিত বৰ্ণনা কৰা প্ৰহ্লাদৰ বিষয়ে শুনিছা নহয়? তেওঁৰ শ্ৰীহৰিৰ চৰণত অটল আৰু গভীৰ বিশ্বাস আছিল। সেই বাবে হিৰণ্যকশিপুৰে অস্ত্ৰেৰে কাটিও তেওঁক কাটিব পৰা নাছিল। জুইয়েও তেওঁক পুৰিব পৰা নাছিল। সাপেৰে খুটোৱাই, হাতীৰে গৰকাইও তেওঁক একো কৰিব পৰা নাছিল। জোঙা শূল-যাঠিও ভোটা হৈ গৈছিল। এইবোৰ ঈশ্বৰৰ কৃপাত সম্ভৱ হয়। গতিকে বোপা, তুমি ঈশ্বৰত বিশ্বাস ৰাখিবা। বিশ্বাসে মিলয় হৰি, তৰ্কে বহু দূৰ।"

"প্ৰহ্লাদ নিজে তেতিয়া এজন পাঁচ বছৰীয়া শিশু আছিল আৰু তেওঁ লগৰ শিশুসকলক কি উপদেশ দিছিল কওঁ শুনা— তেতিয়াহে তোমাৰ মনটোত ঈশ্বৰৰ প্ৰতি বিশ্বাস দৃঢ় হ'ব।

"মানুহৰ বয়স ১০০ বছৰ যদিও তাৰে আধা মানে ৫০ বছৰ নিদ্ৰা অৰ্থাৎ শুওঁতে যায়। ২০ বছৰ যায় খেল-ধেমালি, ৰং-ৰহইচ কৰোঁতে। ১০ বছৰে যায় ধন-ধান উপাজন কৰোঁতে আৰু বাকীকেই বছৰ বৃদ্ধ অৱস্থাত যায় বাবে একো কামৰ বাবে শক্তি সামৰ্থ নাইকিয়া হয়। গতিকে শিশুকালৰ পৰাই ভগৱন্তৰ চৰণত দৃঢ় মতি ৰাখি ভক্তি কৰিবলৈ অভ্যাস কৰিব লাগে।

"ভগৱন্তৰ চৰণত কেনেকৈ ভকতি হ'ব তাৰো উপায় তুমি সাৱধানে শুনি লোৱা। প্ৰথমে বিষ্ণু ভকতৰ সঙ্গ ল'বা আৰু শ্ৰদ্ধাভাৱে তেওঁলোকৰ পৰা উপদেশ গ্ৰহণ কৰি শ্ৰীহৰিক আৰাধনা কৰিবা। তেওঁলোকৰ সহায়ত শ্ৰীহৰিৰ যশ-কীৰ্তন শুনিবা। কৃষ্ণ কথা শুনিলে তোমাৰ মন নিৰ্মল হ'ব। হৃদয় কমলত শ্ৰীকৃষ্ণৰ চৰণ চিন্তা কৰিবা। কাৰণ শ্ৰীহৰি নিজৰ হৃদয়তে থাকে। সকলো প্ৰাণীৰ প্ৰতি সদ্ভাৱ ৰাখিব লাগে, তেতিয়াহে কৃষ্ণৰ প্ৰতি অনুৰক্ত হ'ব পাৰিবা। শ্ৰীহৰিৰ সেৱাত কোনো ধৰণৰ বিশেষ পৰিশ্ৰম কৰাৰ প্ৰয়োজন নাই। শ্ৰীকৃষ্ণৰ গুণ-নাম শ্ৰৱণ-কীৰ্তন কৰিলে ভগৱন্ত প্ৰভু প্ৰসন্ন হৈ কৃপা দৃষ্টি দিব। ভগৱন্ত প্ৰভু সকলো জীৱৰে সাক্ষী স্বৰূপ, তথাপি দুৰাশয়সকলে অন্য সামান্যত সেৱা কৰি জীৱন বৃথা কৰে। ধন-জন, পুত্ৰ-পৰিবাৰ সকলো অসাৰ। কেৱল হৰিসে মাত্ৰ সত্য। সেইবাবে তোমালোকে দৃঢ়মতি হৈ শ্ৰীহৰিত ভকতি কৰা। হৰিহে এই সংসাৰত আৰু পৰলোকৰো পৰম গতি। হৰি ভকতিৰ বাবে বিস্তৰ শাস্ত্ৰ পঢ়াৰো প্ৰয়োজন নাই, নাইবা দেৱ, দ্বিজ, ঋষি হোৱাৰ নিষ্প্ৰয়োজন। তপ, জপ, দান আদিও ভক্তিৰ তুলনাত তেনেই নগণ্য। যক্ষ, ৰক্ষ, স্ত্ৰী, শূদ্ৰ, পক্ষী, মৃগেও কৃষ্ণক উপাসনা কৰি কৃষ্ণৰ চৰণ লাভ কৰিবলৈ সক্ষম হৈছিল। গতিকে তোমালোকে একমত হৈ একান্তভাৱে কৃষ্ণত ভকতি কৰা। এয়ে ধৰ্ম, এইটোৱেই কৰ্ম আৰু এয়াই জীৱনৰ পৰম পুৰুষাৰ্থ।

"মহামতি প্ৰহ্লাদে দৈত্যশিশুসকলৰ আলম লৈ পৃথিৱীৰ সমস্ত শিশুসকললৈ তাৰাৰ মহান উপদেশৰাজি দি থৈ গৈছে। এইবিলাক একোপাত অব্যৰ্থ বাণ। ই কেতিয়াও লক্ষ্যভেদ নকৰাকৈ নাথাকে। ই বিদ্যুৎতকৈ শক্তিশালী। বিদ্যুৎ প্ৰৱাহিত তাঁৰত স্পৰ্শ কৰিলে পৰিণাম তৎক্ষণাত পোৰা যায়। বিদ্যুতৰ বা জগতৰ স্ৰষ্টাজন সৰাতোকৈ শক্তিশালী। তেওঁৰ চৰণত ৰতি কৰিলে পৰিণাম তাৎকালিক আৰু পৰম মধুময় হয়— ই সুনিশ্চিত।"◆



# মৌচাক

## (শিশু নাটিকা)

সৰ্বেশ্বৰ মজুমদাৰ

চৰিত্ৰ পৰিচয় ঃ

নাৰায়ণ ঃ মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ। সমবয়সীয়া। পিন্ধনত ধুতী আৰু গেঞ্জী

ভগৱান ঃ ঐ

কৃষ্ণ ঃ ঐ

যদুমণি ঃ ঐ

হৰি ঃ হাইস্কুলীয়া ছাত্ৰ। পিন্ধনত ধুতী আৰু চাৰ্ট

(মঞ্চ নিৰ্দেশনা ঃ মঞ্চৰ মাজ ভাগত বহি ১নং পৰা ২নংলৈ এই চাৰিজন বহি আলোচনা কৰি থাকে। আঁৰ কাপোৰ আঁতৰি যায়।)

নাৰায়ণ ঃ শুনা ভাইহঁত, দেউতাহঁতে কওঁতে শুনিছোঁ— ‘‘শাস্ত্ৰৰ উত্তম গীতা ভাগৱত।’’ গতিকে উত্তম শাস্ত্ৰ নিশ্চয় এই দুয়োখনে হ’ব। আকৌ দেৱৰ উত্তম দৈৱকীনন্দন। অৰ্থাৎ কৃষ্ণ।

ভগৱান ঃ কৃষ্ণ হ’ব নোৱাৰে। মই ভগৱান ক’লৈ যাম?

কৃষ্ণ ঃ এবাৰ যাতে কৃষ্ণ বুলি উল্লেখ কৰিছে, গতিকে অন্য এজন হ’ব নোৱাৰে। নহয়নে বাৰু?

নাৰায়ণ ঃ মই মানুহৰ কৃষ্ণক উত্তম বুলি উল্লেখ কৰা নাই। মই উল্লেখ কৰিছোঁ। দেৱৰ উত্তমজনকহে। তোমালোকে স্বৰ্গ আৰু মৰ্ত্ত্যক একে কিয় কৰা। বাৰু যদুমণি, উত্তৰটো তুমিয়ে দিয়া।

যদুমণি ঃ কথাটো হওঁতে হয়। তুমি কৃষ্ণ, তেওঁ ভগৱান, তেওঁ নাৰায়ণ, মই যদুমণি। গতিকে আমি একো একোটা নামৰ ব্যক্তিহে। আমাৰ শৰীৰত ঐশ্বৰিক গুণ নাই। সামান্য একোজন লোকহে।

ভগৱান ঃ যি কি নহওক, মই সৰ্বাধিকৰ্তা। মোক নভবা লোক কোনো নাই। গতিকে তোমালোকে মোৰ কথামতে চলিবা। (আটায়ে হাঁহে)।

নাৰায়ণ ঃ এৰা ভাইহঁত, মোক দেউতাই খুউব মৰম কৰে। কিয় জানা, নাৰায়ণ বোলোতে অজামিলে যমৰ দূতৰ হাতৰ পৰা ৰক্ষা পৰিছিল। গতিকে মোৰ নাম লৈ...।

কৃষ্ণ ঃ ৰ’বা তেনেহ’লে (উঠি) মই কৃষ্ণ, মোৰ নাম নলৈ কোনেও থাকিব নোৱাৰে। মোৰ নাম নোলোৱাজনক মই হ’লে সুদাই নেৰো।

যদুমণি ঃ (থিয় হৈ) ৰ’বা, মই নামাতিলেও নহ’ব। যদুমণি কোন জানা? বিশেষ নকওঁ। নিজে ভাবি চাই চাই কাম কৰিবা। মই এটা বংশৰ উত্তমজন।

আৰু ....।

নাৰায়ণ ঃ ৰ'বা ৰ'বা, সকলোৰে জন্ম মোৰ যোগেদিয়ে। বৰ বেছি ক'ব নালাগে। গতিকে সকলোতকৈ ওপৰত ময়েই।

হৰি ঃ হেৰা ভাইহঁত, আজিচোন চাৰিপুৰুষ একদেৱ কৃষ্ণ একেলগে। তোমালোকৰ আলোচনাবা কিহৰ? (আটায়ে উঠে)।

কৃষ্ণ ঃ আলোচনা হ'ল— কোন ডাঙৰ?

ভগৱান ঃ মিছা কথা। আমি দেৱতাও নহওঁ, মহাপুৰুষো নহওঁ, গতিকে আমি নৰ-মনিষ যেতিয়া আমাৰ শকতি ক'ত? অযথা গৌৰৱ-অহংকাৰ কৰি কৈ আছো ডাঙৰ বুলি।

যদুমণি ঃ এৰা, আমি সকলোৱেতো মানৱ দেহা লৈ এই পৃথিৱীলৈ আহিছোঁ, আমাৰ চাৰিত্ৰিক গুণৰ দ্বাৰা ঈশ্বৰত্ব লাভ কৰিব পাৰোঁহঁক। নৰদেহাধাৰী হৈহে এই ভাৰত বৰিষত অমৰত্ব লাভ কৰিব পাৰিছোঁ।

হৰি ঃ "ধন্য ধন্য কলিৰ কাল/ ধন্য নৰতনু ভাল/ ধন্য ধন্য ভাৰত বৰিষ।"— গতিকে এই ধন্য সময়ত আমি নিজেও ধন্যবাদৰ পাত্ৰ হৈ দেশ তথা দহৰ উন্নতিৰ হকে আগুৱাই যাব পাৰোহঁক।

নাৰায়ণ ঃ এতিয়াহে আচল কথা আহিল। ভগৱানে ইতিমধ্যে এই কথা ইঙ্গিত কৰিছেই। গুৰুজনা শ্ৰীমন্ত শঙ্কৰদেৱৰ লিখনিত সদায়ে নিজকে সামান্য বুলিহে দেখুৱাইছে। আনহাতে শ্ৰীমাধৱদেৱ মহাপুৰুষে নিজকে 'দাসৰো দাস তান দাস ভৈলো আমি' বুলি উল্লেখ কৰিছে।

কৃষ্ণ ঃ (হাতযোৰ কৰি) মই সেৱা ধৰিছোঁ আটায়ে বহা। আলোচনা কৰোঁ।

ভগৱান ঃ জ্ঞানী তথা মহাপুৰুষসকলে কেতিয়াও নিজক লৈ গৌৰৱ বা অহংকাৰ নকৰে।

হৰি ঃ (থিয় জি) আমি শঙ্কৰ-মাধৱ দেশৰ লোক। গতিকে আমি গুৰু দুজনাৰ আদৰ্শৰে আদৰ্শবান হোৱা উচিত। তাৰাৰ সাহিত্য-সংস্কৃতিৰ আৰ্হি আমাৰ বাবে অমূল্য সম্পদ। নহয়নে বাৰু? (বহে)।

নাৰায়ণ ঃ (থিয় হৈ) আমি যদি গুৰুজনাৰ কীৰ্ত্তন পুথিখনৰ কথাকে কওঁ, তাত কি পোৱা নাযায়, সকলো দিশেৰে পুথিখন ভৰি আছে।

যদুমণি ঃ (থিয় হৈ) সঁচা কথা। মই হ'লে কীৰ্ত্তনখনৰ কাহিনীবোৰ শুনি বৰ আমোদ পাওঁ। স্যমন্তক হৰণৰ কাহিনী কেনে মনোৰম।

কৃষ্ণ ঃ (থিয় হৈ) মই কিন্তু পঢ়ি পুথিখনৰ ছন্দ, অলংকাৰ আদিবোৰহে বেছি ভাল পাওঁ। যেনে— "যদুমণি যাদৱ যাদৱ যাদৱানন্দ হৰি", "চাৰু চাৰি ভূজ জ্বলে আজানুলম্বিত। কৰি কৰ সম উৰু বৰ্ত্তুল বলিত", বলভদ্ৰে জৰাসন্ধে। যুজিলন্ত মালবন্ধে।।" কেনে মনোৰম ছন্দ। "আউল জাউল হুয়া চকু ঢাকৈ জটে। বিৱস্ত্ৰে কন্যাক হৰে খেদে উলঙ্গতে।"

ভগৱান ঃ (থিয় হৈ) তোমালোক বহাচোন। মই কওঁ। (আটায়ে বহে) মই সেইবিলাক একো ভাল নাপাওঁ। মই পুথিখনৰ পৰা তত্ত্বমূলক উপদেশ জানিহে ভাল পাওঁ।

'ভাই মুখে বোলা ৰাম/ হৃদয়ে ধৰা ৰূপ/ এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।"

নাৰায়ণ ঃ (থিয় হৈ) মই ঈশ্বৰৰ মহিমা বৰ্ণিত কথাবোৰ শুনিহে বা পঢ়িহে ভাল পাওঁ। চাবা, লগৰীয়াবোৰে যশোদাৰ আগত কৃষ্ণই মাটি খোৱা বুলি উল্লেখ কৰিলে। দাদা বলোৰামেও ক'লে। এই কথা শুনি মাক যশোদাই মাটিখোৱা কথা সোধাত খোৱা নাই বুলি ক'লে। লগতে পতিয়ন নোযোৱাত মুখমেলি চাব দিলে। তেতিয়া যশোদাই মুখ মেলি চোৱাত কৃষ্ণৰ গৰ্ভত বিশ্বব্ৰহ্মাণ্ড দেখাৰ উপৰি নিজক দেখা পালে। কিমান আচৰিত।

হৰি ঃ ৰ'বা (থিয় হৈ) তোমালোকে বহা। পুথিখন, পুথিখন এৰা, আহি এই কীৰ্ত্তনপুথিখনত কি নাপাওঁ সেইটোহে চিন্তাৰ বিষয়। তাত সকলো আছে। যি বিচৰা তাকে পাবা। ভক্তি, যুগধৰ্ম, কাহিনী, সাহিত্য, তত্ত্ব, দৰ্শন, ৰসৰ উপৰি আৰু কত কিমান। ভাবিলে আচৰিত লাগে। (বহে)

যদুমণি ঃ প্ৰথম ঘোষাৰ পদতে প্ৰাৰ্থনা আছে— "প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন। সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।" কেনে সুন্দৰ স্তুতি। আকৌ মই কৈছোৰে— গাতত থাকি আঠাইশ দিন যুদ্ধ কৰা সত্যভামাক বিয়া কৰোৱা, স্যমন্তক মণি লাভ কৰা আদি কাহিনীবোৰ শুনিলে ভোক পিয়াহ আঁতৰি যায়।

ভগৱান ঃ এইখন হ'ল যুগজয়ী সাহিত্যপুথি। এইখন পুথি শ্ৰীমদ্ভাগৱতৰ চমু ৰচনা। গুণমালা আৰু কীৰ্ত্তনপুথিয়ে গুৰুজনাক অমৰ কৰি ৰাখিব।

কৃষ্ণ ঃ (উঠি) মই কৃষ্ণ নামতহে। মোৰ কোনো গুণেই ভগৱান কৃষ্ণ সদৃশ নহয়। মই কীৰ্ত্তন পাঠ কৰা শুনো, তাত থকা মিত্ৰাক্ষৰ ছন্দ, দুলড়ী, ছবি, ঝুমুৰা, লেচাৰি আদি ছন্দৰ প্ৰয়োগত বিস্ময়াভিভূত হৈ পৰোঁ।

নাৰায়ণ ঃ এই পুথি শুনি সকলোৱে আমোদ পায়। ডেকা-ডেকেৰী, বৃদ্ধ-বৃদ্ধা, শিশু সকলোকে ধৰি সকলোৰে প্ৰতি কিবা নহয় কিবা এটা মনোগ্ৰাহী দিশ প্ৰতিফলিত হৈ আছেই।

যদুমণি ঃ আমি সকলোৱে পঢ়ি ইয়াৰ ৰস আস্বাদন কৰাটো যুগুত। ইয়াক সুৰ লগাই গাব লাগে, শুনি ইমান মজা।

হৰি ঃ (উঠি) নৱ ৰসে জুমুৰি দি থকা এই পুথিখনৰ ওপৰত জ্ঞাননাথ বৰাদেৱে মন্তব্য দিছে এনেদৰে— "কীৰ্ত্তন অসমৰ মৌচাক।"

আটায়ে (উঠি) সঁচাকৈয়ে কীৰ্ত্তন মৌচাক। সকলোৰে প্ৰিয় গ্ৰন্থ।■■

(পট পৰে)

# দুই বুধিয়ক

লক্ষ্মীনাথ বেজবৰুৱা

এদিন এটা গজলীয়া ডেকাই এভাৰ কেতুৰি খানি হাটলৈ নি এদা বুলি বেচিবলৈ বুধি পাতিলে আৰু সেইদৰে সেই দিনাই আন এঠাইৰ আন এটা চেঙেলীয়া ডেকায়ো এভাৰ ভোমলতিৰ গুটি পাৰি লৈ জালুক বুলি হাটত বেচিবলৈ কাৰবাৰ কৰি হাটৰুৱা হৈ যাবলৈ ধৰিলে। জালুকৰ বেপাৰী আৰু এদাৰ বেপাৰী দুয়োৰে বাটত ভেটাভেটি হ'ল। কোনে কি বেচিবলৈ লৈ গৈছে বুলি দুয়ো সোধাসুধি কৰি জানিব পাৰি জালুকৰ বেপাৰীয়ে এদাৰ বেপাৰীক ক'লে— "এ ককাই মোৰ বাৰীত এইবাৰ জালুকেই উপচি হ'ল। আজি এইভাৰ লৈ আহিছোঁ। আধামূলীয়াকৈ পালে দি গুচি যাম; কোনেনো দুপৰলৈকে খাপ লৈ থাকিব দেওহে।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে ভাবিলে— 'ইয়াক মোৰ কেতুৰি ভাৰ দি ইয়াৰ জালুক ভাৰ লৈ যাব পাৰিলে হয়।" তাকে ভাবি সি মাত লগালে— "এৰা ভাই, মোৰো সেয়ে কথা; মোৰ বাৰীতো এইবাৰ এদা উভৈনদীকৈ হৈছিল। ময়ো সেইদেখি এইভাৰ লৈ আহিছোঁ; লৰালৰিকৈ বেচি গুচি যাব পাৰিলে ৰক্ষা পাওঁ। বেলি দুপৰলৈকে বহি থকাতকৈ ময়ো পাৰিলে আধামূলীয়াকৈ এদা ভাৰ দি গুচি যাম বুলি ভাবিছোঁ।" তাৰ কথা শুনি জালুক বেপাৰীয়ে ভাবিলে— "মোৰ ভোমলতিৰ গুটি ভাৰ ইয়াক দি ইয়াৰ এদা ভাৰ লৈ যাব পাৰিলেও বেয়া নহয়।" ইয়াকে ভাবি সি মাত লগালে— "মোৰ ঘৰতো এদা নাই, চপৰাচেৰেক ময়ো নিব লাগিবহে।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে ক'লে— "মোৰ ঘৰতো জালুক নাই, সেৰচেৰেক ময়ো নিম বুলি ভাবিছোঁ।" দুয়ো এইদৰে কথা হোৱাৰ পিছত জালুক বেপাৰীয়ে ক'লে— "ককাই তুমি যদি এদা ভাৰ আধামূলীয়াকৈ দিবলৈ ওলাইছা, ময়ো মোৰ জালুকভাৰ আধামূলীয়াকৈ দিম বুলি ভাবিছোঁ; তেন্তে আমিনো দুয়ো পোনেই সলাই নলওঁ কিয়?" এদাৰ বেপাৰীয়ে এই কথা শুনি ৰং পাই ক'লে— "বেছ কথা আহা, আমি তাকে কৰোঁ।" এইবুলি এদাৰ বেপাৰীয়ে জালুকৰ ভাৰ আৰু জালুকৰ বেপাৰীয়ে এদাভাৰ লৈ দুফালে গুচি গৈ, অলপ আঁতৰ হৈ দুয়ো দুয়োকো নেদেখা হ'লতে দুয়ো ফিৰিঙতি ভগাদি ভাগিল।

দুয়ো দুয়োকো ঠগিলোঁ বুলি ভাবি মনে মনে ৰং পাই ঘৰ পাই দুয়ো নিজৰ নিজৰ ভাৰ মেলি চাই দেখিলে যে, দুয়ো সমান কোনেও কাকো বলে নোৱাৰিলে। এই ঘটনাৰ ভালেমান দিনৰ পিছত এদিন দৈৱাৎ আকৌ সেই বাটতে দুয়োৰো দেখা হ'লত জালুকভাৰৰ গৰাকীটোৱে কেতুৰিভাৰৰ গৰাকীটোক সুধিলে— "হেৰা ককাই, সেইদিনা জালুকভাৰ কেনে পালা?" কেতুৰিৰ গৰাকীয়ে ক'লে— "এদাভাৰ যেনে পালা তেনেকুৱাই।" এইদৰে কথা-বাৰ্তা পাতি দুয়ো দুয়োকো শলাগি ক'লে— "আমি দুয়ো যোৰ হৈছোঁহঁক; আহা সখি বান্ধোহঁক।" এইবুলি দুয়ো সখি বন্ধাই লগ লাগি লোকক ঠগাই ধন ঘটিবৰ মনেৰে এঠাইলৈ ওলাই

গ'ল। দুয়ো গৈ এঘৰ বামুণৰ ঘৰ পালেগৈ। সিহঁতে বামুণক— "আমি কাম-কাজ বিচাৰি আহিছোঁ" বুলি ক'লত, বামুণে সিহঁতক নিজৰ ঘৰতে বনুৱা কৰি ৰাখিলে। জালুকৰ বেপাৰীক বামুণে তেওঁৰ কপিলী গাইজনী ৰাখিবলৈ দিলে আৰু এদাৰ বেপাৰীক তুলসীজোপাৰ গুৰিত পানী দিবলৈ লগালে। বামুণৰ গাইজনী বৰ দুষ্ট আৰু চুৰুণী; তাইক জালুক বেপাৰীয়ে এখন্তেকো এৰি দিব নোৱাৰে। দিলেই তাই লৰি গৈ লোকৰ বাৰীত সোমাই শাক-পাত, ধান-চাউল খাই আধ্যা কৰে। তুলসীজোপাও এনে আহুকলীয়া যে তাৰ গুৰিত যিমানেই পানী দিয়া সেই পানী তিতাতে নাইকিয়া হয়। সিটোৱে গুৰু ৰখি ইটোৱে তুলসীগছৰ গুৰিত পানী দি হাইৰাণ; দুয়ো ওৰে দিনটো সেই কাম দুটা কৰি সুস্থিৰকে নোপোৱা হ'ল। সেই দেখি দুয়ো পেটে পেটে ভাবিলে যে সিহঁতৰ বন দুটা সালসলনি কৰি দুয়ো দুয়োকো ঠগিব। ইয়াকে ভাবি এদিন গৰখীয়াই পানী আনি দিওঁতাক সুধিলে— "সখি, তোমাৰ কামটো কেনে? মই হ'লে মোৰটো বৰ সুখৰ পাইছোঁ। গৰুজনী হাবিলৈ খেদি দিওঁ আৰু মই ফন্তি মাৰি ওৰে দিনটো গছৰ তলত শুই থাকোঁ। গধূলি হ'লেই গাইজনী খেদি আনি গোহালিত বান্ধি থৈ দিওঁ।" তাৰ কথা শুনি পানী দিওঁতাই ক'লে— "মোৰটো কাম একোৱেই নহয় বুলিব লাগে। দিনটোৰ ভিতৰত এঘটি বা দুঘটি পানী আনি তুলসীৰ গুৰিত দিওঁ আৰু তাৰ পিছত দিনৰ দিনটো শোৱা, বহা যেই কৰা সেই।" দুয়োৰে কথা দুয়ো শুনি গৰখীয়াই পানী দিওঁতাৰ কাম আৰু পানী দিওঁতাই গৰখীয়াৰ কাম কৰি চাবলৈ মন কৰি পিছদিনা দুয়ো সালসলনি কৰি ল'লে। গধূলি দুয়োৰে দেখা হ'লত, গৰখীয়াই পানী দিওঁতাক সুধিলে— "সখি কাম কেনে পালা?" পানী দিওঁতাই উত্তৰ দিলে— "তুমি যেনে পালা।" ইয়াৰ পিছত দুয়ো দুয়োকো শলাগি ক'লে যে এই তুলসীজোপাৰ গুৰিত ইমানবোৰ পানী দিয়া যায় সেই পানীবোৰ থিতাতে ক'লৈ শুহি যায় চাব লাগিব। ইয়াকে দুয়ো পাঙি, ৰাতি বামুণ শুলত, কোৰ এখন আনি তুলসীজোপা খানি তুলি চাই দেখিলে যে তাৰ তলতে পাঁচহাতমান দ এটা ডাঙৰ গাঁত আছে। জালুক বেপাৰীক এদা বেপাৰীয়ে ক'লে— "সখি তুমি নামি চোৱাগৈ গাঁতটোত কি আছে।" জালুক বেপাৰী নামি গৈ দেখিলে যে গাঁতটোৰ তলিত কেৱাকলহো ৰূপ আছে। সি লৰালৰিকৈ গাঁতৰ পৰা উঠি আহি সেই কথা ইটোক ক'লত দুয়ো তেতিয়াই সিহঁতৰ গাৰ বৰ কাপোৰ দুখনেৰে দুটা ডাঙৰ মোনা সীলে। এদাৰ বেপাৰীয়ে জালুকৰ বেপাৰীক ক'লে— "সখি তুমি এটা মোনা লৈ গাঁতলৈ নামি যোৱা আৰু সেই মোনাত এমোনা ৰূপ ভৰাই গাঁতৰ ওপৰলৈ তুলি দিবা। তাৰ পিছত ইটো মোনাও মই পেলাই দিম আকৌ তাত তুমি ৰূপ ভৰাই তুলি দিবা।" এইদৰে আলচি জালুক বেপাৰীয়ে এমোনা ৰূপ গাঁতৰ তলিৰ পৰা ওপৰলৈ দিলত, এদা বেপাৰীয়ে সেইটো তুলি লৈ সিটো মোনা গাঁতত পেলাই দিলে। জালুক বেপাৰীয়ে ভাবিলে যদি এই মোনাটোও সি তুলি অকলে ৰূপবোৰ ল'বৰ মনেৰে এই গাঁতৰ পৰা উঠাৰ আগেয়ে লৰালৰিকৈ সি মাটি দি মোক পুতি পেলায় তেন্তে কথাৰ ওৰেই পৰিব। সেইদেখি জালুক বেপাৰীয়ে বুধি কৰি পিছৰ মোনাটোত অলপ ৰূপ ভৰাই তাতে নিজে সোমাই, সখিয়েকক মাত লগালে— "সখি এই মোনাটো তুমি টানি তোলা, বৰ গধুৰ হৈছে, মই অকলে নোৱাৰিম।" এই কথা শুনিয়েই এদাৰ বেপাৰীয়ে সেই মোনাটো টানি তুলি আৰু জালুক বেপাৰীয়ে ভবা কথাকে থিতাতে কৰিলে। গাঁততে জালুক বেপাৰীক পুতি থ'বৰ

মনেৰে সি ধুমধামকৈ গাঁতৰ পাৰৰ মাটি গাঁতত পেলাই দি তাক গাঁতত পুতিলোঁ বুলি ভাবি ভাৰ কৰি মোনা দুটা লৈ নিজৰ ঘৰমুৰা হৈ গুচি গ'ল। ভাৰখন বৰ গধুৰ। সেইদেখি সি অলপ জিৰাবৰ মনেৰে বাটৰ এঠাইত এজোপা গছৰ তলতে ভাৰখন থৈ বহিল। বৰ দুখ কৰা বাবে তাৰ পিয়াহো লাগিল, সেইদেখি সি ভাৰখন তাতে এৰি বাটৰ কাষৰে পুখুৰী এটাত পানী খাবলৈ নামিল। সি যেই পুখুৰীত নামিল, ইফালে মোনাৰ ভিতৰৰ পৰা সখিয়েক লাহেকৈ ওলাই ভাৰখন লৈ সাউৎকৰে পলাল। সি পানী খাই উভতি আহি দেখে যে ভাৰখন নাই। তেতিয়াহে সি বুজিলে যে তাক তাৰ সখিয়েকে বুধিয়ে ঠগিলে। "মই বুজিবই নোৱাৰিলোঁ যে কটাৰ-পো মোনাতে সোমাই মোৰ কান্ধত উঠি আহিছিল।" এই বুলি ইস্ আস্ আস্কৈ বেজাৰ কৰি সি নিজৰ ঘৰ পালেগৈ।

বহুত দিনৰ মূৰত আকৌ এদিন দুই সখিয়েকৰ দেখাদেখি হ'লত জালুক বেপাৰীয়ে ক'লে— "সখি তুমি মোক ভাল গাঁতত পুতি থৈ আহিছিলা?" ইটোৱে উত্তৰ দিলে— "যোৱাহে তুমি ৰূপ গালো নিলা মোৰ কান্ধতো উঠি আহিলা।" এইদৰে দুয়ো আলাপ কৰি আকৌ খন্তেকতে মহামিত্ৰ হৈ পৰিল। এদা বেপাৰীটোৰ কিন্তু মনৰ পৰা বেজাৰ নগ'ল যে জালুক বেপাৰী তাৰ কান্ধত উঠিল। ইয়াৰ কিছুদিন পিছত এদা বেপাৰীয়ে এদিন বুধি এটা সাজি তাৰ ঘৈণীয়েকক ক'লে যে— "মই শোৱাপাটীতে শুই থাকোঁ তই মোৰ মূৰে-গায়ে কাপোৰ এখন দি মোক ঢাকি দি মই মৰিলোঁ বুলি বহি কান্দ আৰু এটা মানুহ লগুৱাই সখিৰ ওচৰলৈ পঠিয়াই বাতৰি দি যে মই মৰিলোঁ। সি যেতিয়া আহি পাবহি তেতিয়া তাক ক'বি মৰিবৰ সময়ত মই তোক বিশেষকৈ কৈ গৈছোঁ যে মোক যেন আনে নুচুই কেৱল মোৰ মৰমৰ সখিয়েহে চোৱে আৰু সখিয়েহে কান্ধত তুলি পুৰিবলৈ লৈ যায়।" তাৰ ঘৈণীয়েকে সেইদৰেই সকলো কৰিলত জালুক বেপাৰী সখিয়েকে সকলো শুনি কথাটো ফাঁকি বুলি বুজিলে আৰু মিছাকৈ কান্দি চকুপানী উলিয়াই সখিয়েকৰ ঘৈণীয়েকক ক'লে— "মোৰ সখিয়েই যেতিয়া গ'ল আমাৰ সকলো শূন্য হ'ল। এই ঘৰ, এই বাৰী এইবোৰ কোনে খাব কেলৈ লাগিছে? সেইবোৰ দেখিলে সখিলৈ মনত পৰি ধমধমকৰে আমাৰ বুকুত জুইহে জ্বলিব।" এইবুলি সি মিছাকৈয়ে বুকুত ভুকুৱাই কান্দি-কাটি দাখন লৈ গৈ বাৰীত সোমাই জালুক, পাণ, টেঙা আদি লাগতিয়াল গছবোৰ ঘপ্ঘপ্ কৰে কাটি খান্তাং কৰিলে। তাৰ পিছত মৰা সখিয়েকৰ ওচৰলৈ আহি তাৰ ঘৈণায়েকক ক'লে— "মই অকলৈ মোৰ সখিক বলে নোৱাৰিম, সেইদেখি দোছোৱাকৈ কাটি এছোৱা এছোৱাকৈ দুবাৰে মৰিশালিলৈ লৈ যাওঁ।" এইবুলি মিছামিছিকৈ সি টোৱাই-ভিৰাই দাখন জোকাৰি কোব মাৰিব খোজোঁতেই ভয়ত এদাৰ বেপাৰী একেচাবেই উঠি বহিল। তেতিয়া দুয়ো হাঁহিবলৈ ধৰিলে। এদাৰ বেপাৰীয়ে ক'লে— "সখি, হৈছে আৰু নালাগে। মই তোমাৰ কান্ধত উঠিব নোৱাৰিলোঁ। লাভৰ ভিতৰত মোৰ বাৰীৰ গছ-গছনিবোৰ গ'ল, মোতকৈ তোমাৰ বুদ্ধি বেছি।"◆◆



# অঙ্কুৰ

পদ্মৰাম মহন্ত

'.... উঃ মোক আৰু নামাৰিব খুৰা। মই আৰু এনে কাম কেতিয়াও নকৰোঁ। ওঃ ওঃ ওঃ' কান্দি কান্দি কয় অৰূপে।

'নামাৰিম, বদ্‌মাইচ চোৰ। তই ইমান অঘাইটং। সৰুৰে পৰাই বাটৰ মানুহক শিলগুটি দলিয়াই, লেতেৰা কথা কৈ, এতিয়া চোৰ কৰিবলৈও শিকিচ। আমি নিজেই খোৱা নাই, তই তিয়ঁহৰ জালিটো মনে মনে ছিঙি নিচ? এই বেটাক ভাল শিক্ষা দিব লাগে।"

"ইয়াক নামাৰিব গাঁওবুঢ়া খুৰা। অৰূপ মোৰ পৰম বন্ধু. ইয়াৰ গাত দোষ নাই। দোষ সিহঁতৰ...।" অনন্তই কয় মৰম সনা মাতেৰে।

"ইয়াৰ দোষ নাই? কাৰ দোষ তেন্তে? কোন সিহঁত।" গাঁওবুঢ়াই ক্ৰোধভাৱে ক'লে।

"মই নকওঁ খুৰা। অৰূপে নিজেই ক'ব। কাৰবাবে সি আজি এনে ঘৃণনীয় কামত লিপ্ত হৈ পৰিছে। ক' অৰূপ, খুলি ক'। কিয় আজি তই ইমান ডেকা ল'ৰাটো হৈ কাম-বন নকৰি এনে নীচ কামত অগ্ৰসৰ হৈছ।"

অৰূপৰ কোনো মাত-বোল নাই। মাত্ৰ কান্দিছে আৰু কান্দিছে। তুমি মোৰ ছাত্ৰ আছিলা। অতি মৰম কৰি শিক্ষা দিছিলো তোমালোকক। অকালতে স্কুল এৰি কিয় তুমি আজি এই পথ বাচি ল'লা?" অৰূপ নিমাত।

ওচৰতে থকা দিগন্তই গৰ্জি উঠি ক'লে— ইয়াক ভাল শিক্ষা দিব লাগে ৰাইজ! নহ'লে ইয়াৰ মুখৰ মাত নোলাব। সিদিনা ৰাস্তাৰে যাওঁতে মোকো যেনেদৰে অশ্লীল ভাষাৰে গালি দিলে শুনিলে আচৰিত হ'ব।"

মাষ্টৰে পুনৰ মৰমৰ সুৰেৰে ক'লে— কোৱা অৰূপ, তোমাৰ বন্ধু অনন্তইও ক'বলৈ কৈছে। কিয় আজি এই এনে বেয়া কামত ভৰি দিলা।

সেই ঠাইত অৰূপৰ পিতাক-মাকো উপস্থিত আছিল। অৰূপক ৰাইজে আজি কি শাস্তি দিয়ে বুলি ভাবি মেললৈ আহিছিল দুয়ো। পিতাক-মাক উপস্থিত থকা বাবে সি কথাবোৰ ইমান সময় খুলি ক'বলৈ লাজ আৰু ভয় কৰি আছিল। এতিয়া সকলোৰে জেৰাত ক'বলৈ বাধ্য হ'ল।

ক'ম ছাৰ। সকলো ক'ম। আজি মোৰ চকু মেল খাইছে। মন মুকলি হৈছে। পিতা-মাতাৰ বাবেই আজি মোৰ এনে অৱস্থা হৈছে ছাৰ। বন্ধু অনন্তৰ সৈতে একেলগে স্কুললৈ গৈছিলো। সি গৈ স্কুলঘৰ পায় আৰু মই কেতিয়াবা যাওঁ, কেতিয়াবা আধা বাটৰ পৰাই গুচি আহোঁ। আমি দুয়ো খেলি থাকোতে কেতিয়াবা অলপ কাজিয়া-পেচাল কৰোঁ। মায়ে ঘৰৰ পৰা খেদি আহি অনন্তক নানা গালি-সপনি পৰাত দুয়ো ঘৰৰে মাজত ভীষণ কাজিয়া হয়। মায়ে মোক অনন্তৰ লগ হ'বলৈ বাধা দিয়ে। আমি কিন্তু পিছদিনাই

একেলগ হৈ হাঁহি-মাতি স্কুললৈ যাওঁ। খেলা-ধূলা কৰো।

এদিনৰ কথা। আমাৰ বাটেৰে মাকণি আবুৰ ল'ৰা বুবুলে কেইআখিমান চম্পাকল বজাৰলৈ লৈ গৈছিল বেচিবলৈ। মই দেখিয়েই তাৰ গালৈ শিলগুটি এটা দলি মাৰি দিলো। সি দৌৰ দিয়ে আৰু কল এআখি পৰি যায়। মই লৈ আহি মাক দিলো। মায়ে হাঁহি হাঁহি কলআখি ঘৰত নি থৈ দিয়ে। মাকনি আবুই মাক ক'ব আহোতে মায়ে আবুক নানা গালি-সপনি পাৰি খেদি পঠায়। মায়ে কয়— কল আখি সি আনিব যোৱা নাই নহয়। পৰি যোৱাতহে লৈ আহিছে। সৰু ল'ৰা মই। মোৰ মনত যে তেতিয়া কি আনন্দ।

মা-পিতাৰ সেই অন্ধ উৎসাহত উৎসাহিত হৈ আজি মোৰ এনে অৱস্থা হৈছে ৰাইজ। তেতিয়া মই বুজা নাছিলো পিতা-মাতাৰ সেই মৰমে আজি মোৰ কাল শত্ৰু হ'ল।

"শুনিলা যদু, তোমাৰ পুত্ৰৰ মুখৰ পৰা ওলোৱা স্পষ্ট সঁচা কথাবোৰ। ল'ৰা-ছোৱালীক মৰম কৰিব লাগে, উৎসাহ দিব লাগে ভাল কামতহে, বেয়া কামত নহয়। ভৱিষ্যৎ মঙ্গলৰ বাবেহে ক্ষণস্থায়ী সুখৰ বাবে নহয়।

গছপুলি এটা অঙ্কুৰতেই যত্ন নল'লে ডাঙৰ হ'লে ভাল ফল পোৱা নাযায়। তেনেদৰে সৰুৰে পৰা ল'ৰা-ছোৱালীক যদি সুপথ দেখুৱাব পৰা নাযায় ভৱিষ্যতে কুপথে গতি কৰা স্বাভাৱিক।

জয়ন্ত মাষ্টৰে কথাবোৰ গহীনভাৱে কৈ যায় অৰূপৰ পিতাক-মাকক উদ্দেশ্য কৰি। কোনো লোকে ল'ৰা-ছোৱালীক হিংসা নকৰে। অন্যায় নকৰে। কুকৰ্ম দেখিলে বা মুখত অকথ্য ভাষা শুনিলে কোনোবাই অলপ ডাবি-ধমকি দিব পাৰে। সেইবোৰ তাৰ ভালৰ বাবেহে বুলি ধৰিলৈ অভিভাৱকে তাক ভালদৰে বুজনি দিব লাগে। সতভাৱে শাসন কৰিব লাগে। তাকে নকৰি তাৰ অপকৰ্মৰ বাবে তাক যদি উৎসাহিত কৰা হয়, তাৰ মন বেয়াৰ ফালে ঢাল খোৱাটো স্বাভাৱিক। অকল স্কুলত পঠালেই ল'ৰা-ছোৱালী ভাল হ'ব নোৱাৰে। সৰুৰেপৰা ভাল ব্যৱহাৰ, অমায়িক মাত, জ্যেষ্ঠজনক সন্মান কৰা, হাত যোৰ কৰি 'কৃষ্ণ কৃষ্ণ' বোলা আদি ব্যৱহাৰেৰে সিহঁতৰ দেহ-মন, চলন-চৰিত্ৰ গঠন কৰিবলৈ যত্নপৰ হ'ব লাগে। তেতিয়া নিশ্চয় ল'ৰা-ছোৱালীৰ ভৱিষ্যত জীৱন সুখময়, আনন্দময় আৰু সকলোৰে প্ৰিয়ভাজন হ'ব পাৰিব।

বিনয় ভূষণ শ্ৰেষ্ঠ মানৱৰ সু দেহত<br>
সকলোৰে প্ৰিয় পাত্ৰ,<br>
সুগুণৰ অধিকাৰী হয় নম্ৰজন,<br>
প্ৰিয়ভাষী হোৰ শিশু অপ্ৰিয় বৰ্জন কৰা<br>
সত্যক আশ্ৰয় কৰি<br>
সকলোকে কোৱা তুমি মধুৰ বচন।"

মহৎলোকৰ বাণী 'ঘৰখনেই শিশুৰ প্ৰথম লয় আৰু পিতৃ-মাতৃয়ে প্ৰথম শিক্ষাগুৰু।◆



# পাহিৰ সপোন

মনালিছা বড়া

সপোনতে বলকি আছে তাই। “চোৰাচোন চোৰা, ফুলবোৰ ইমান ধুনীয়া লাগিছে, চোৰাচোন চোৰা।” পাহিয়ে সপোনত দেখিছে তাই বোলে সিহঁতৰ স্কুলৰ সন্মুখৰ বাগিছাখনত ফুলৰ মাজত বহি লগৰীয়াবিলাকৰ সৈতে ৰং-ধেমালি কৰি গান গাই আছে। লগতে নানা ৰঙী ফুলবোৰেও হালিছে-জালিছে। তেনেতে পাহিৰ মাকে পাকঘৰৰ পৰাই চিঞৰিছে— “পাহি উঠিলি নে তই? বেলি দুপৰ হ’লহি, দেখিছানে বাৰু ছোৱালীজনী ইমান দেৰিলৈকে উঠায়ে নাই।” ইফালে পাহি সপোন ৰাজ্যত বিভোৰ। মাকৰ মাতত পিছে পাহি ঘপহ কৰি সাৰ পাই ঘড়ীলৈ চাই দেখিলে ৬.৩০ বাজিবৰে হ’ল। ইছ্ ৰাম! বহুত দেৰি হৈ গ’ল পাই। সপোনটোও বৰ মিঠা আছিলে। ইমান ধুনীয়া ফুলবোৰৰ মাজত আৰু অলপ দেৰি থাকিবলৈ মন গৈছিল। তেনেতে পাহিৰ বায়েক চুমি ৰুমলৈ সোমাই আহি ক’লে— পাহি কি হ’ল আজি তোৰ শুৰাপাটি এৰিবলৈ মন নাই নেকি? অলপ পাছত স্কুললৈ ওলাবলৈ হ’বয়ে। আজি পিছে কিমান তাৰিখ তোৰ খবৰ আছেনে? ২০ তাৰিখ জানো বাৰু। কেৱল ২০ তাৰিখেই নে? আজি ২০ জুন ‘ৰাভা দিৱস’ এটা বিশেষ দিন। মনত আছে নাই। অ’ বা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিনটো ‘ৰাভা দিৱস’ নহয় জানো? তুমি যে শিকাইছিলা ৰাভা সংগীতবোৰ সঁচাকৈ বৰ ভাল লাগে মোৰ। ‘পৰজন্মৰ শুভ লগনত’ আৰু ‘বিশ্বৰ ছন্দে ছন্দে’— এই গীতবোৰ যে শুনিলে শুনি থাকিবৰ মন যায়। পাহি তোমালোকৰ স্কুলত আজি ৰাভা দিৱস উপলক্ষে কিবা অনুষ্ঠান পাতিছে নেকি আজি নাই বা তেনেকে একো অনুষ্ঠান পতাৰ কথা নাই। জানা নে বা আমাৰ লগৰ দুই এজনীৰ বাহিৰে কিছুমানে ৰাভা সংগীতনো কি চিনিয়ে নাপায়। মই যদি কেতিয়াবা এই গীতবোৰ গুণগুনাই থাকো সিহঁতে কিন্তু শুনিবলৈ খুব ইচ্ছা কৰে। মোৰ মনে কয় সিহঁতেও এই গীতবোৰ শিকিব বিচাৰে। তুমিহে শিকোৱা মোক সিহঁতক হয়তো কোনো শিকাই দিওঁতা নাই। পাহি ওচৰৰে চৰকাৰী প্ৰাথমিক বিদ্যালয় এখনত পঞ্চম শ্ৰেণীত পঢ়ে। স্কুলখনক তাই বৰ ভাল পাই। পঢ়াতো ভাল, ধুনীয়া গানো গায়। বায়েক চুমি একাদশ শ্ৰেণীত পঢ়ে। বায়েকে সংগীত চৰ্চা কৰে। চুমিয়ে ভনীয়েকক গান শিকায়। সিহঁতৰ চাৰি বছৰীয়া ভায়েক এটাও আছে। দেউতাক দিন হাজিৰা কৰা এজন সাধাৰণ লোক। মাক গৃহিনী, তথাপিও মাক-দেউতাকে ল’ৰা-ছোৱালীকেইটাক খুব ভালকৈ গঢ় দিছে। ‘ৰাভা দিৱস’ৰ কথা সিমানতে এৰি পাহি আৰু বায়েক চুমি দুয়োজনীয়ে দৈনন্দিন কাৰ্য কৰি স্কুললৈ ওলাল। পাহি অলপ সোনকালে স্কুললৈ যায়। সিহঁতৰ স্কুলৰ ল’ৰা-ছোৱালীবোৰে ছাৰ-বাইদেউ অহাৰ আগে আগে স্কুলটো চাফ-চিকুণ কৰি থয়। স্কুলৰ চৌহদত ভৰি দিয়েই পাহিয়ে আজি দেখা সপোনটোৰ কথা মনত পৰিল। তাই আজি সপোনত ইহঁতৰ স্কুলৰ সন্মুখত এখন ধুনীয়া ফুলনিবাৰী দেখিছিল। কিন্তু দিঠকত ইহঁতৰ স্কুলত এজোপাও দেখোন ফুলগছেই

নাই। তাই ভাবিলে সপোনত দেখাৰ দৰে স্কুলৰ সন্মুখত যদি এখন ফুলনি বাৰী হয় কিমান ধুনীয়া দেখাব। সিহঁতে ফুলনিত বহি গান গাব, খেলিব কিমান ভাল লাগিব। তাই ভাবি ভাবি থৰ লাগি ৰৈ থাকোতে তাইৰ লগৰ কৰবীয়ে পিছফালৰ পৰা তাইক জোকাৰি দিলে— 'কি হ'ল কি ভাবি থৰ লাগি আছিলি?' 'অ' কৰবী আহিলি। মই কথা এটা ভাবিছোঁ অ'। কম ৰ' তহঁতক। ব'ল এতিয়া ক্লাছলৈ যাওঁ। শ্ৰেণীত শিক্ষক সোমাল। এটা দুটা কৈ তিনিটা 'পিৰিয়ড' পাৰ হ'ল। পাহিৰ পিছে আজি পঢ়াত মন বহা নাই। লগৰবোৰক তাই ভাবি থকা কথাটো ক'ব পৰা নাই। সেইয়ে তাইৰ মনটো খেলি-মেলি লাগি আছে। ঘড়ীটোলৈ বাৰে বাৰে চাই আছে। কেতিয়া বাৰ বাজিব। কেতিয়া জিৰণি দিব। অৱশেষত জিৰণিৰ বেল পৰিল। কৰবীয়ে তাই সুধিয়ে আছে, তই কথাটো কেতিয়া কবি। ক' আক'। থিক আছে কম তই আগতে আমাৰ লগৰ সকলোকে আৰু চতুৰ্থ শ্ৰেণীৰ ল'ৰা-ছোৱালী বিলাককো ইয়ালৈ মাতি আন গৈ যা। এনেকোৰো আকৌ কি কথানো? কৰবীয়ে চিন্তা কৰি পাৰ পোৱা নাই। কম নহয় এইজনী, তই মাতি আনচোন আগতে। মাতিছো ৰ'...। এয়া আহিলে সকলো, এতিয়া ক' কি কথা? সকলো অহাত পাহিৰ মুখত হাঁহি বিৰিঙিল। তাই প্ৰথমে সকলোকে সুধিলে তোমালোকে ফুল ভাল পোৱানে? একেমুখে সকলোৱে উত্তৰ দিলে পাওঁ। আজি জানানে মই এটা বৰ ধুনীয়া ফুলনি সপোনত দেখাৰ দৰে সেই পৰিৱেশটো যদি সঁচাকৈ আমাৰ স্কুলত হৈ উঠে বৰ ভাল লাগিব। তোমালোকে কল্পনা কৰাচোন। আৰু মোক উত্তৰ দিয়া সকলোৱে মিলি এখন বাগিছা পাতিবানে? আৰু এটা কথা ক'ম বুলি ভাবিছিলো। মই যে গীতবোৰ গুণগুণাই থাকিলে তোমালোকে যে মোক কৈ থকা গোৱা গোৱা বুলি, তোমালোকৰো গীত শিকাৰ ইচ্ছা আছে নেকি বাৰু? যদি ইচ্ছা আছে তোমালোকেও শিকিব পাৰিবা। মই ভাবো আমি সকলোৱে প্ৰতিটো কামত বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাব পাৰো। মই যদি গীত গাব পাৰো তোমালোকে কিয় নোৱাৰিবা। আমি যদি পঢ়াৰ লগতে প্ৰতিটো দিশত আগৰণোৱা হওঁ স্কুলত বা অন্য কোনো অনুষ্ঠান-প্ৰতিষ্ঠানত অংশগ্ৰহণ কৰাৰ সংখ্যাও বাঢ়িব লগতে সাহসও বাঢ়িব। সকলোৱে একেলগে উত্ত দিলে— আমি তোমাৰ স'তে একমত। আমাৰো তোমাৰ দৰে জ্যোতি সংগীত, বৰগীত, ৰাভা সংগীত, আধুনিক গীত এইবোৰ শিকিবৰ মন যায় কিন্তু আমাক শিকাব কোনে? সেই কাৰণতে মই তোমালোকক সুধিছোঁ। কিয় মোক দেখোন মোৰ বায়ে শিকাই। যদি তোমালোক সকলোৱে গৈ মোৰ বাক গীত শিকাবলৈ অনুৰোধ কৰা কিয় নিশিকাব। দেওবাৰ দিনটো আমাৰ সকলোৱে বন্ধৰ দিন। সেই দিনটোতে কোনো বা এটা সময়লৈ শিকিলেই হ'ল। ঠিক আছে, এতিয়া আমাৰ সিদ্ধান্ত হৈ গ'ল আমি ফুলবাৰীও পাতিম আৰু গানো শিকিম আৰু আমাৰ লগত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰকো লগত লৈ ল'ম।

আহা, হাতে হাত ধৰি আমি আগবাঢ়ি যাওঁ। স্কুলখনক নতুনকৈ সজাই তোলো আৰু নিজেও একেলগে মিলি শপত গ্ৰহণ কৰো— "আমি দেশৰ ভৱিষ্যত, নিজৰ পৰিৱেশ আৰু নিজকে সদায় সুন্দৰ কৰি ৰাখিবলৈ আমি চেষ্টা কৰিম।"■■

# কৰ্মফল

লক্ষীমাই বৰা

'জীৱ হিংসা মহাপাপ'— এই বাণী সকলো ধৰ্মৰে মূল কথা। কাৰণ জীৱ মাত্ৰেই পৰম পুৰুষ পৰমাত্মাৰ অংশ বিশেষ। এক পৰমাত্মা স্বৰূপ বিষ্ণুৰূপৰাই জগতৰ সমস্ত জীৱাত্মাৰ উৎপত্তি হৈছে। সেয়ে আমি সকলো জীৱকে পৰমাত্মা বা বিষ্ণু জ্ঞান কৰি চলিব লাগে। মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনায়ো তাৰাৰ ৰচনাৰ যোগেদি আমাক এই শিক্ষাই দান কৰি গৈছে।

"সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সৱাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।"
— শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, চতুৰ্থ কীৰ্ত্তন

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"
— শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, চতুৰ্থ কীৰ্ত্তন

"যত জীৱ জঙ্গম কীট পতঙ্গম
অগনগ জগতেৰি কায়া।
সব কহু মাৰি পুৰত ওহি উদৰ
নাহি কৰত ভূত দায়া।।
ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ
যৈচন গগণ বিয়াপি।
নিন্দা বাদ পৈশুন্য হিংসা হৰি তেৰি
কৰোহোঁ হামু পাপী।।"
— বৰগীত

এই ভাৱৰে প্ৰতিফলন ঘটিছে গুৰুজনাৰ ৰচিত ভাগৱতৰ চতুৰ্থ স্কন্ধতো—

"ব্ৰহ্মৰেসে অংশ জীৱ জগত সকল।
ঘটে ঘটে আছে যেন জাহ্নবীৰ জল।।
যেন এক লোহিতৰ সুঁতি অসংখ্যাত।
কতো সৰু কতো বৰ দেখয় সাক্ষাৎ।।
সেহি মতে একে আত্মা জীৱ অসংখ্যত।
ঈশ্বৰৰ অংশ জীৱ অংশে ভৈলা জাত।।"

ওপৰত উল্লেখ কৰা উদাহৰণ কেইটিৰ পৰা প্ৰতীয়মান হ'ল যে, জীৱ-জন্তু, কীট পতঙ্গকে ধৰি সমস্ত জীৱই ভগৱানৰ অংশ। গতিকে ভগৱানৰ অংশ স্বৰূপ সকলো জীৱকে আমি বিষ্ণু জ্ঞান কৰা উচিত। কেতিয়াও আমি কীট-পতঙ্গ পৰ্যন্ত কোনো জীৱৰে অহিত চিন্তা অথবা অন্যায় কৰা উচিত নহয়। কিন্তু কাৰ্যতঃ দেখা যায় আমাৰ শিশুসকলৰ মাজত বহুতে নিজৰ অজ্ঞাতে সৰু সৰু কীট-পতঙ্গ ধৰি শাস্তি দি অহেতুক আনন্দ উপভোগ কৰে। উদাহৰণ স্বৰূপে মুক্ত আকাশৰ তলত উৰি ফুৰা বিচিত্ৰ ৰঙৰ পখিলা, জোনাকী পৰুৱা, জিঞা আদি ধৰি খেলা কৰাৰ কথাই ক'ব পাৰি। ভগৱানৰ সৃষ্টি এই ধুনীয়া জীৱবোৰ আমাৰ খেলাৰ সামগ্ৰী নহয়। ইহঁতক হাতেৰে চুই নহয়, চকুৰে চাইহে তৃপ্তি লভিব লাগে। হাতেৰে চুবলৈ গ'লে ইহঁতৰ সৌন্দৰ্য হানি হোৱা উপৰি মৃত্যুও হ'ব পাৰে। তেতিয়াই আমি জীৱ হত্যা মহাপাপত লিপ্ত হ'ব লগা হয়। জ্ঞাতে বা অজ্ঞাতে আমি কৰা এনে অপকৰ্মৰ বাবে

ইহজনমত বাদেই পৰজনমতো তাৰ বিষময় ফল ভোগ কৰিব লগা হ'ব পাৰে। মহাকাব্য মহাভাৰতত বৰ্ণনা কৰা এনে এক কাহিনীয়ে শিশুসকলৰ উদ্দেশ্যে তলত দাঙি ধৰা হ'ল।

এসময়ত মাণ্ডব্য নামেৰে এগৰাকী মহান তপস্বী আছিল। এদিন মাণ্ডব্য মুনিয়ে তেওঁৰ আশ্ৰমত মৌনব্ৰত পালন কৰি উৰ্দ্ধবাহু হৈ তপস্যাত মগ্ন হৈ আছিল। সেই সময়তে নগৰত উপদ্ৰপ কৰি থকা কেইটামান চোৰক নগৰৰ প্ৰহৰীয়ে খেদি আনিলে। প্ৰহৰীৰ খেদাত চোৰকেইটা আহি মুনিৰ আশ্ৰমত সোমালহি। প্ৰহৰীকেইটাই আশ্ৰমত সোমাই মুনিক দেখি চোৰকেইটাৰ কথা সুধিলে, মুনিয়ে মৌন ব্ৰত ধৰি তপস্যাত মগ্ন হৈ থকাৰ কাৰণে মুখেৰে একো নামাতিলে। ইফালে চোৰকেইটা আশ্ৰমতে প্ৰহৰীৰ হাতত ধৰা পৰিল। প্ৰথমে চোৰ কৰা বস্তুখিনি চোৰকেইটাৰ হাতত নাপায় বিচাৰ-খোচাৰ কৰি আশ্ৰমৰ ভিতৰতে পালে। গতিকে চোৰকেইটাৰ লগতে মুনিকো প্ৰহৰীয়ে ধৰি ৰজাৰ আগত ভেটিলেগৈ। ৰজাই ৰাজচ'ৰাত মুনিক সোধ-পোচ কৰাত মুনিয়ে তেতিয়াও একো নামাতিলে। মুনি মৌন হৈ থকাৰ বাবে ৰজাৰ বিচাৰত দুখী সাব্যস্ত হ'ল। গতিকে ৰজাই চোৰকেইটাৰ লগতে মাণ্ডব্য মুনিকো শূলত দিয়াৰ শাস্তি বিহিলে।

ৰজাৰ আদেশ ক্ৰমে চোৰকেইটাৰ লগতে মুনিকো শূলত বহুৱা হ'ল। চোৰকেইটাৰ শূলৰ আঘাতত ততালিকে মৃত্যু ঘটিল, কিন্তু মাণ্ডব্য মুনি শূলত বহি তপস্যা কৰিয়েই থাকিল। লাহে লাহে কথাটো ৰজাৰ কাণত পৰিলগৈ। কথাটো শুনি ৰজাই নিজে আহি মাণ্ডব্য মুনিৰ ওচৰত ক্ষমা খুজিলে আৰু চাওদাঙক মুনিক শূলৰপৰা নমাই আনিবলৈ আদেশ দিলে। ৰজাৰ আদেশত চাওদাংবিলাকে অশেষ চেষ্টা কৰিও মুনিক শূলৰপৰা নমাব নোৱাৰিলে। শেষত হাৰমানি সিহঁতে শূলদালৰ ওলাই থকাখিনি গুৰিতে কাটি পেলালে। বাকীছোৱা মুনিৰ শৰীৰৰ ভিতৰতে থাকি গ'ল। সেইদৰেই অশেষ কষ্টৰ মাজেদি মাণ্ডব্যমুনিয়ে তপস্যা কৰি জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। তেওঁৰ এই যন্ত্ৰণাময় জীৱন কি কৰ্ম ফলৰ বাবে কটাবলগীয়া হৈছে, ভাবি-গুণি নাপাই শেষত ধৰ্মৰাজৰ ওপৰচলৈ গৈ তাৰ কাৰণ সুধিলে।

তেতিয়া ধৰ্মই মাণ্ডব্য মুনিক জনালে যে— "চেঙেলীয়া অৱস্থাত থাকোতেই আপুনি এটা জিঞা ধৰি আনি, তাক খৰিকা এডালেৰে শূলত দি ৰং চাইছিল। গতিকে আপোনৰ এই যন্ত্ৰণা সেই অপকৰ্মৰে ফল।" মাণ্ডব্যই তেতিয়া ক'লে— "ধৰ্মৰাজ, আপুনি মোক লঘু পাপত গুৰু শাস্তি বিহিলে। আপুনিও ব্ৰাহ্মণ বধৰ নিচিনা ডাঙৰ পাপ কৰিছে। গতিকে মই শাপ দিলোঁ— আপুনি দাসীৰ গৰ্ভত জন্মলৈ পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব।" মাণ্ডব্যমুনি এগৰাকী মহান তপস্বী আছিল। সেই বাবে স্বয়ং ধৰ্মৰাজেও তেওঁৰ শাপৰপৰা ৰক্ষা নাপালে। এই শাপবশতঃ ধৰ্মৰাজে দাসীৰ গৰ্ভত মনুষ্যৰূপে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ ভাতৃ বিদুৰ হৈ জন্ম ল'ব লগা হ'ল।

গতিকেই আমি এই কাহিনীটোৰ পৰিণতিৰ কথা স্মৰণ কৰি সৰু-বৰ সকলো জীৱতে ভগৱৎ দৰ্শন কৰা উচিত।■■

# তিনি শিষ্যৰ কথা

খগেশ্বৰ বৰা

প্ৰাচীন কালৰ কথা। এদিন প্ৰজাপতিৰ সন্তান দেৱতা, মানুহ আৰু অসুৰসকল একেলগে গৈ পিতা প্ৰজাপতিৰ কাষত উপস্থিত হ'লগৈ। নিজ পুত্ৰসকলক একেলগে দেখি প্ৰজাপতি অতিশয় আনন্দিত হ'ল আৰু সকলোকে যথাযোগ্য আসন দান কৰি বৰ মৰমেৰে আগমনৰ উদ্দেশ্য সুধিলে। তেতিয়া সকলোৱেই মিলি ক'লে যে তেওঁলোকে পিতা প্ৰজাপতিৰ ওচৰত প্ৰকৃত সত্য সম্বন্ধে শিক্ষা লাভ কৰিবলৈ আহিছে। কথা শুনি প্ৰজাপতি আনন্দিত হ'ল। তেওঁ পুত্ৰসকলক শিষ্যত্ব গ্ৰহণ কৰি ব্ৰহ্মচৰ্য ব্ৰতাদি পালন কৰিবলৈ পৰামৰ্শ দিলে। পিতৃ প্ৰজাপতিৰ উপদেশ মানি সকলোৱেই তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে আৰু প্ৰকৃত শিষ্যৰ দৰে ব্ৰহ্মচৰ্যাদি পালন কৰি তপস্যা কৰিবলৈ ধৰিলে।

বহু বছৰ পাৰ হৈ গ'ল। সুদীৰ্ঘ বছৰৰ অন্তত এদিন হঠাতে দেৱতাসকল গৈ প্ৰজাপতিৰ আগত উপস্থিত হ'ল। তেওঁলোক সকলোৱেই বিনম্ৰভাৱে প্ৰজাপতিক ক'লে— "প্ৰভু! দয়া কৰি আমাক উপদেশ দিয়ক।' তেতিয়া প্ৰজাপতিয়ে এটি আখৰ উচ্চাৰণ কৰি ক'লে— 'দ'। এই আখৰটি উচ্চাৰণ কৰি প্ৰজাপতি মৌন হৈ থাকিল। এইদৰে কিছুসময় মৌন হৈ থকাৰ অন্তৰ মৌনতা ভঙ্গ কৰি তেওঁ দেৱতাসকলক সুধিলে— তোমালোকে কি বুজিলা? দেৱতাসকলে ক'লে— প্ৰভু! আমি বুজিছোঁ, আপুনি আমাক 'দাম্যত' অৰ্থাৎ আত্মসংযমী হ'বলৈ উপদেশ দিছে। প্ৰজাপতিয়ে ক'লে— তোমালোকে ঠিকেই বুজিছা।

আন এদিন প্ৰজাপতিৰ কাষলৈ মানুহৰ আগমন ঘটিল। তেওঁলোকেও প্ৰজাপতিৰ কাষত উপস্থিত হৈ সবিনয়ে ক'লে— প্ৰভু, দয়া কৰি আমাক উপদেশ দিয়ক। প্ৰজাপতিয়ে দেৱতাসকলক উপদেশ দিয়াৰ দৰেই উপদেশ দি ক'লে— 'দ'। ক্ষন্তেক মৌনতা অৱলম্বন কৰি তেওঁ মানুহক সুধিলে— তোমালোকে কি বুজিলা? তেতিয়া মানুহে ক'লে— আমি বুজিছোঁ, আপুনি আমাক 'দত্ত' অৰ্থাৎ দান কৰিবলৈ উপদেশ দিছে। মানুহৰ কথাতো প্ৰজাপতি সন্তুষ্ট হ'ল। তেওঁ মানুহক প্ৰশংসা কৰি ক'লে— তোমালোকে ঠিকেই বুজিছা।

তাৰ পিছত এদিন অসুৰসকলো আহি প্ৰজাপতিৰ কাষত উপস্থিত হ'লহি। তেওঁলোকেও দেৱতা আৰু মানুহৰ দৰেই বিনম্ৰভাৱে প্ৰজাপতিক ক'লেহি— প্ৰভু! আমাক উপদেশ দিয়ক। প্ৰজাপতিয়ে দেৱতা আৰু মানুহক উপদেশ দিয়াৰ দৰেই উপদেশ দি ক'লে— 'দ'। দেৱতা আৰু মানুহৰ ক্ষেত্ৰত মৌনতা অৱলম্বন কৰাৰ দৰেই কিছু সময় মৌন হৈ থাকি অৱশেষত অসুৰসকলক সেই উপদেশৰ অৰ্থ বুজিলেনে নাই

সুধিলে। অসুৰসকলে ক'লে— 'হয় প্ৰভু! আমি আপোনাৰ উপদেশৰ কথা বুজিছোঁ। আপুনি আমাক 'দয়ধ্বম' অৰ্থাৎ দয়াশীল হ'বলৈ উপদেশ দিছে। প্ৰজাপতি সন্তুষ্ট হ'ল। অসুৰসকলেও আখৰটিৰ অৰ্থ সঠিকভাৱে বুজা বুলি তেওঁলোকৰ শলাগ ল'লে।

প্ৰজাপতিয়ে দেৱতা, মানুহ আৰু অসুৰসকলক সোধা 'দ', 'দ', 'দ'— এই দৈৱবাণী হেনো আজিও প্ৰকৃতিৰ বুকুত ধ্বনিত হৈ আছে। মেঘ গৰ্জনত তাৰেই প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়— 'দ', 'দ', 'দ'। অৰ্থাৎ দমন কৰ, দান কৰ আৰু দয়া কৰ। মূক প্ৰকৃতিয়ে যেন মেঘ গৰ্জনৰ মাধ্যমেদি আমাৰ প্ৰত্যেককে হৃদয়ত খুন্দিয়াই দম, দান আৰু দয়া— এই তিনিটা মহৎ গুণৰ গৰাকী হ'বলৈ সকিয়াই দিছে।

'বৃহদাৰণ্যক' উপষিদত বৰ্ণিত উপৰিউক্ত আখ্যানটি কলেৱৰত সৰু হ'লেও ইয়াৰ তাৎপৰ্য অত্যন্ত গভীৰ। কিয়নো এটিমাত্ৰ অক্ষৰ 'দ' উচ্চাৰণৰ যোগেদিয়েই নৰ আৰু দেৱাসুৰৰ স্বভাৱৰ প্ৰকৃত স্বৰূপ প্ৰতীকি অৰ্থত প্ৰকাশ কৰা হৈছে। তদুপৰি এই অক্ষৰটিৰ যোগেদিয়েই জগতবাসীৰ পালনীয় তিনিটা মহৎ গুণৰ কথাও ঘোষিচ হৈছে। এই গুণকেইটা হ'ল— দেৱতাৰ উপলব্ধ 'দাম্যত' (দমন কৰা), মানুহৰ উপলব্ধ 'দত্ত' (দান কৰা) আৰু অসুৰৰ উপলব্ধ 'দয়ধ্বম' (দয়া কৰা)। প্ৰজাপতিৰ দ্বাৰা উচ্চাৰিত 'দ' আখৰটোকে দেৱতা, মানুহ আৰু অসুৰসকলে বেলেগ বেলেগ অৰ্থত গ্ৰহণ কৰাৰ কাৰণ হ'ল— দেৱতাসকল আত্মসংযমী নহয়, যিকোনো পৰিস্থিতিতে তেওঁলোকে সংযমৰ বান্ধোন ছিঙি চূড়ান্ত অসংযমীৰ পৰিচয় দি ফুৰে। সেয়ে প্ৰজাপতিয়ে 'দ' আখৰ উচ্চাৰণ কৰাত দেৱতাসকলে ভাবিলে প্ৰজাপতিয়ে তেওঁলোকক 'দাম্যত' অৰ্থাৎ আত্মসংযমী হ'বলৈ উপদেশ দিছে। আনহাতে মানুহ হ'ল চূড়ান্ত স্বাৰ্থপৰ, আত্মকেন্দ্ৰীক আৰু লুব্ধমতি। গতিকেই তেওঁলোকে অতিশয় কৃপণ স্বভাৱৰ। প্ৰজাপতিয়ে তেওঁলোকৰ আগত 'দ' আখৰ উচ্চাৰণ কৰাৰ লগে লগে সেয়েহে তেওঁলোকে 'দত্ত' অৰ্থাৎ দান কৰিবলৈ উপদেশ দিয়া বুলি ভাবি ল'লে। অসুৰসকলৰ আকৌ স্বভাৱতে নিষ্ঠুৰ। তেওঁলোকৰ মাজত দয়াৰ নাম গোন্ধেই নাই। সেয়ে 'দ' উচ্চাৰণ কৰাৰ লগে লগে পিতৃ প্ৰজাপতিয়ে তেওঁলোকক 'দয়ধ্বম' অৰ্থাৎ দয়াশীল হ'বলৈ উপদেশ দিয়া বুলি ভাবি ল'লে। যি কি নহওক, এই সৰু আখ্যানটিত প্ৰজাপতিৰ দ্বাৰা উচ্চাৰিত 'দ' আখৰটিক লৈ দেৱতা, মানুহ আৰু অসুৰসকলৰ উপলব্ধিৰ মাজেদি প্ৰজাপতিয়ে তিনিটি মহৎ গুণ প্ৰকাশ কৰি থৈ গ'ল। যি কেইটা গুণ সমগ্ৰ জগৎবাসীৰে গ্ৰহণীয় আৰু পালনীয়। তদুপৰি কাহিনীৰ অন্তত প্ৰজাপতিৰ দ্বাৰা ঘোষিত এই দৈৱবাণী প্ৰাকৃতিক পৰিঘটনা মেঘ গৰ্জনৰ মাজেদি অদ্যাপি ধ্বনিত হৈ থকা বুলি ঘোষণা কৰি সমস্ত জগতবাসীকে সততে সংযমী, দানী আৰু দয়াশীল হ'বলৈ পৰামৰ্শও দি থৈ গ'ল।■■

# যেনে কৰ্ম তেনে ফল

স্বৰ্ভানু নাথ ডেকা

বহুদিনৰ আগতে এখন হাবিত এটা বান্দৰ পোৱালিয়ে বাস কৰিছিল। বান্দৰটো আছিল মহা অঘাইটং। তাৰ মূৰটো আছিল গোটেই জগতৰ দুষ্ট বুদ্ধিবোৰৰ বাহ। দিনৰ দিনটো সি ধিতিঙালি কৰি, আন জীৱ-জন্তুবোৰক নগুৰ-নাগতি কৰি ফুৰিছিল। হাবিখনৰ যিডাল গছত সি মাক-দেউতাকৰ সৈতে বাস কৰিছিল, তাৰে এটা ডালত এদিন সি এখন ঝুলনা সাজি ল'লে। তাৰ পাছত যেন ৰূপত ৰহণহে চৰিল। বান্দৰ পোৱালিটোৱে গোটেই দিনটো তাৰ ঝুলনাখনত উঠি ঝুলি থাকিবলৈ ল'লে। মাকে তাক বিচাৰি চিঞৰি গছৰ পাত সৰুৱালেও সি কাণ নিদিয়া হ'ল।

এদিন এটা বুঢ়া ভালুক সেই ফালে গৈছিল। বান্দৰটোৱে ঝুলি থকা দেখি ভালুকৰো সৰুকালৰ কথা মনত পৰিল। ঝুলনাখনত এবাৰ উঠি চাবলৈ তাৰো বৰ মন গ'ল। বান্দৰটোক বৰ মৰম লগাকৈ মাতি সি ক'লে— 'হেৰা কণমানি, মোক বাৰু এবাৰ ঝুলনাখনত উঠি চাবলৈ দিবানে?' তাকে শুনি বান্দৰে ক'লে— 'খুৰা, আহক আহক। আপুনি ঝুলনাত উঠিলে মই অকণো বেয়া নাপাওঁ। কিন্তু এটা কথা, আপোনাৰ গাটো মোতকৈ বহুত ডাঙৰ। আপুনি উঠিলে ঝুলনাখন ছিগি পৰিব পাৰে। সেয়ে আপুনি অলপ সময় ইয়াতেই ৰওক। মই গছৰ ওপৰলৈ গৈ ঝুলনাখনৰ বান্ধটো কটকটীয়া কৰি দিওঁ।' এই বুলি কৈ সি একেলৰে গছৰ ওপৰ পালেগৈ।

কিন্তু বান্দৰ পোৱালিৰ মনত আছিল দুষ্ট বুদ্ধি। ঝুলনাখনৰ ৰছীডাল টান নকৰি সি সেইডাল দাঁতেৰে কামুৰি কামুৰি ঢিলাহে কৰিবলৈ ধৰিলে। ভালুকে কিন্তু সেই কথা ধৰিবই নোৱাৰিলে। বান্ধটো যেতিয়া ভালেখিনি ঢিলা হ'ল, তেতিয়া বান্ধৰটোৱে ভালুকক ক'লে— 'খুৰা, মই ৰছীডালৰ গাঁঠিটো টান কৰি দিলোঁ। এতিয়া আপুনি ঝুলনাখনত উঠিব পাৰে।' তাৰ পাছতে সি তাৰ ঘৰৰ ভিতৰ পালেগৈ আৰু ভাবিবলৈ ধৰিলে— 'আৰু কিছু সময়ৰ পাছতে মূৰ্খ ভালুকটো ঝুলনাৰ পৰা পৰি মৰি থাকিব। তাৰ মাংসৰে মই সুখেৰে এসাঁজ টেটুলৈকে খাম।' এনেদৰে নিজৰ বদমাছি বুদ্ধিক নিজেই প্ৰশংসা কৰি থাকোঁতেই সি এটা ডাঙৰ শব্দ শুনা পালে। ভালুকটো পৰিল বুলি ভাবি সি লৰালৰিকৈ ওলাই আহিল। কিন্তু 'ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি'। বান্দৰ পোৱালিয়ে দেখিলে যে অকণমান আঁচোৰ খোৱাৰ বাহিৰে ভালুকটোৰ একোৱেই হোৱা নাই। তাতে আকৌ ভালুকটো প্ৰচণ্ড খং উঠি থকা দেখি তাৰ হিয়া কঁপি গ'ল। দুষ্ট বন্দৰটোৱে ভয়তে কঁপি কঁপি ভালুকক ক'লে— 'ইচ ৰাম ৰাম, এয়া কি হ'ল? খুৰা, আপুনি পৰিল কেনেকৈ? বৰকৈ খুন্দা খালে নেকি খুৰা? ৰ'ব

আপুনি অলপ জিৰণি লওক। মই এতিয়াই গৈ আপোনাৰ বাবে অলপ খোৰাবস্তু লৈ আহিম। খাই-বৈ আপুনি কিছু আৰাম পাব।'

কিন্তু ভালুকটো সহজ-সৰল হ'লেও বুৰ্বক নাছিল। বান্দৰ পোৱালিৰ ধূৰ্তালিৰ কথা ভালুকে বুজি পাবলৈ বাকী নাথাকিল। সি খঙেৰে বান্দৰক ক'লে— 'ঠগ, কটা নিধক, মোক ঠগাই তই নিজৰ বিপদ নিজেই মাতিলি। তই যে ৰছীডাল ঢিলাহে কৰি দিলি, মই সেয়া ভালকৈয়ে বুজি পালোঁ। এতিয়াই তোক এটা ভাল শিক্ষা দিম।' তাকে কৈ সি বান্দৰটোক খেদি গ'ল। বান্দৰটোৱে একেলৰে গৈ এডাল বৰ ওখ বটগছৰ আটাইতকৈ ওপৰৰ ডালটোত উঠিলগৈ। তাক ধৰিব নোৱাৰি ভালুকে খঙতে তাৰ ঘৰত সোমাই গোটেই ঘৰ লণ্ডভণ্ড কৰি পেলালে। লগতে বান্দৰটোৰ বাবে মাকে ৰান্ধি থোৱা ভাত-দাইল-ভাজিও ভালুকে খাই শেষ কৰি গুচি গ'ল। নিজৰ দুষ্টালিৰ বাবেই বান্দৰে খোৰাবস্তুও হেৰুৱালে।◆◆

---

# জীৱজগত

জীৱজগতৰ নামৰ অধ্যায় তোমালোকে ভালদৰে পঢ়িবা। আজি পাঠটিৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া হ'ল—

প্ৰশ্ন ঃ কলা গঠন নোহোৱা উদ্ভিদখিনিক কি বুলি কোৱা হয়?

উত্তৰ ঃ কলা গঠন নোহোৱা উদ্ভিদখিনিক সমাংগদেহী উদ্ভিদ বুলি কোৱা হয়।

প্ৰশ্ন ঃ সমকায় বুলিলে কি বুজা?

উত্তৰ ঃ সমাংগদেহী বিভাগৰ অন্তৰ্গত উদ্ভিদখিনিৰ কলাৰ গঠন নহয়, সেয়েহে দেহৰ গঠন সৰল পৰ্যায়ৰ অৰ্থাৎ কাণ্ড, ডাল, পাত, মূল আদিৰ দৰে অংগ নাথাকে। এনে গঠনৰ উদ্ভিদদেহক সমকায় বোলে।

প্ৰশ্ন ঃ ফাইলইড, কৌলইড আৰু ৰাইজইড কি?

উত্তৰ ঃ মছজাতীয় উদ্ভিদৰ পাতৰ নিচিনা অংগক ফাইলইড, কাণ্ডৰ নিচিনা অংগক কৌলইড আৰু শিপা বা মূলৰ নিচিনা চুলিৰ দৰে অংগক ৰাইজইড বোলে।

প্ৰশ্ন ঃ বীজপত্ৰ কি?

উত্তৰ ঃ যিখিনি বীজ সমানে দুভাগ হৈ সেইখিনিয়ে দ্বিবীজপত্ৰী উদ্ভিদৰ বীজ। সমানে দুভাগ হোৱা ভাগটোৰেই একোটা বীজপত্ৰ।

প্ৰশ্ন ঃ তামোলৰ বৈজ্ঞানিক নাম কি?

উত্তৰ ঃ তামোলৰ বৈজ্ঞানিক নাম এৰিকা কোটছু (Areca Catechu)

প্ৰশ্ন ঃ নাৰিকলৰ বৈজ্ঞানিক নাম কি?

উত্তৰ ঃ নাৰিকলৰ বৈজ্ঞানিক নাম ক'ক'ছ নুছিফেৰা (Cocos-nucifera)।

প্ৰশ্ন ঃ জীৱবৈচিত্ৰ্য বুলিলে কি বুজা?

উত্তৰ ঃ কোনো এটা নিৰ্দিষ্ট অঞ্চলত বসবাস কৰা বিভিন্ন অনুজীৱ, কীট-পতঙ্গ, চৰাই-চিৰিকতি, মাছ, কাছ, উদ্ভিদ-প্ৰাণী আদিৰ সকলো জাতি আৰু প্ৰজাতিৰ সংখ্যাৰ প্ৰাচুৰ্য, পৰস্পৰৰ মাজত থকা ভিন্নতা আৰু সিহঁত বাস কৰা অঞ্চলটোৰ পৰিস্থিতি তন্ত্ৰৰ জটিলতাকে সেই নিৰ্দিষ্ট অঞ্চলটোৰ জীৱবৈচিত্ৰ্য বুলি কোৱা হয়।

প্ৰশ্ন ঃ সমগ্ৰ বিশ্বত মুঠ কিমানটা জীৱবৈচিত্ৰ্য অঞ্চল আছে? ভাৰতবৰ্ষত থকা এনে দুটা অঞ্চলৰ নাম লিখা।

উত্তৰ ঃ সমগ্ৰ বিশ্বত মুঠ ২৫টা অঞ্চলক জীৱ বৈচিত্ৰ্যৰ প্ৰাচুৰ্য অঞ্চল বুলি চিহ্নিত কৰিছে। ভাৰতবৰ্ষত থকা এনে অঞ্চল দুটা হ'ল— পূব হিমালয়ৰ পাদদেশ আৰু দক্ষিণ ভাৰতৰ পশ্চিমঘাট অঞ্চল।◆

# শিক্ষাৰ সুফল

নৰেন্দ্ৰনাথ ডেকা

মণি আৰু ফণী দুয়ো ভাই-ভনী আছিল। মণিমালা হ'ল ডাঙৰ আৰু ফণী হ'ল সৰু। মণিমালাই পঞ্চম মানত আৰু ফণীৰামে চতুৰ্থ মানত পঢ়ে। দুয়ো বায়েক-ভায়েকৰ খুউব মিলা-প্ৰীতি। ইজনে-সিজনক নেদেখিলে থাকিবই নোৱাৰে। শান্তিৰাম মণি আৰু ফণীৰ দেউতাক। শান্তিৰাম এজন প্ৰাইমাৰী স্কুলৰ শিক্ষক আৰু এজন ভাল আদৰ্শৱান খেতিয়ক। কোনো বস্তুৰ অসুবিধা নোহোৱাকৈ ঘৰখন বেচ্ আটোমটোক কৰি ৰাখিছিল। ৰাতিপুৱা বিছনাৰ পৰা উঠি শৌচ-পেচাব কৰি গা-পা ধুই গলত গামোচাখন লৈ নামঘৰত সোমাই বন্তি এগছি, ধূপ-ধূনা জ্বলাই ভগৱানৰ নামত কঁপালখন মাটিত লগাই প্ৰাৰ্থনা এটি গালে এনেদৰে—

“শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাহি নাহি নাহি
আমাৰ পৰম গুৰু।।
— কৃষ্ণ, অ' হৰি অ' ৰাম.....।

ইপিনে শান্তিৰামৰ পত্নী জোনালীয়ে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি মচি-কাচি গলত গামোচাখন লৈ গিৰীয়েক শান্তিৰামৰ পিছফালে সেৱা লৈ একেলগে প্ৰাৰ্থনাত বহিলগৈ। তাকে দেখি মণিমালা আৰু ফণীৰেও গা-পা ধুই একেলগে দৌৰাদৌৰি কৰি মাক-দেউতাকৰ লগত প্ৰাৰ্থনাত বহিল। এয়ে আছিল আদৰ্শবাদী পিতৃ-মাতৃ আৰু এখন আদৰ্শৱান ঘৰৰ আদৰ্শ।

আজি মণিমালাৰ মনত বৰ আনন্দ। তাইৰ মাহীয়েক আহিছে লগতে তাইৰ কাণসমনীয়া মাহীয়েকৰ ল'ৰা দুলুও আহিছে। দুলুৰ আগত সিহঁতৰ আইতাকৰ কথা কৈয়ে অন্ত পেলাব পৰা নাই। মণিমালাই দুলুক কৈছে— জানা দুলু! আমাৰ আইতা ৰসকীৰ পেটটো সাধুৰ ভঁৰাল। ইমান সাধুকথা জানে বাব্‌ৰে। আজি আইতাক সাধু ক'বলৈ কমদেই। এইবুলি মণি-ফণী-দুলু তিনিওৰে ঢৰা-পিৰা-পাটী আনি চোতালত পাৰিলেহি। লগতে আইতাকক তামোলৰ সঁজুলিটো আনি থ'বলৈও নাপাহৰিলে। আইতাক অহা দেখি আইতাকৰ আঁচলত ধৰি টানি-টানি মাতিলে— আইতা আহক আকৌ, সাধু ক'বলৈ সময় পাৰ হৈয়ে যাব দেখোন? নাতিয়েকহঁতৰ কথাত আইতাক বন্দী হৈ পৰে, সিহঁতে আইতাকক পাৰেমানে সোতোৰা-সোতৰি গাল দুখনত চুমা খালে। উপাই নাপাই আইতাকে বল্ বল্ কমদে, সাধুকথা কম— এইবুলি বুঢ়ীয়ে নাতিয়েকহঁতক লগত লৈ হাতত বাঁহৰ এখন বিছনী লৈ গোলাকাৰ হৈ বহি পৰিল। সন্মুখত নামঘৰটো, পিছফালে সিহঁতৰ আকৌ ৰান্ধনি ঘৰটো, দেখিবলৈ বৰ সুন্দৰ, দেউতাক শান্তিৰামে বৰ পৰিপাতিকৈ ঘৰখন তৈয়াৰ কৰিছে। পিছে আতিাকে আটাইকেইজনক ক'লে যে— নামঘৰৰ ফালে পিছ দি বহিব নাপায়, সদাই শাৰীপাতি সেৱা লৈ বহিব লাগে। কথাৰ মাজতে মণিমালাই আইতাকক সুধিলে— 'আইতা, এই

নামঘৰত যে আছে এইবোৰ কিহৰ আসন, কাঠৰ যে মূৰ্তিকেইটা আছে- এইবিলাক কি হয়? কওকনা আইতা। আইতাকে ইস্‌ৰাম তহঁতে যে আৰু কি প্ৰশ্ন কৰ। ক'ব লাগে মই সাধুৰ কথা এতিয়া ক'বলৈ দিছা গুৰু আসনৰ কথা। বাৰু বাৰু বাৰু, এই সম্পৰ্কে যদি মই ক'ব লাগে তহঁতে কিন্তু মনোযোগেৰে শুনিব লাগিব। আইতাকৰ কথাত তিনিওটাই শুনিম্ শুনিম্ বুলি মুখলৈ একধ্যান একমনে চাই থাকিল। পিছে আইতাকে ক'লে যে নামঘৰৰ কথা ক'বলৈ যোৱাৰ আগতে ঈশ্বৰক কাকুতি অৰ্থাৎ ভকতি কৰিব লাগিব এনেদৰে। আইতাকে মিঠালগা সুৰ লগাই গাই গ'ল—

"কিমতে ভকতি কৰিবো তোমাত হৰি এ
মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহাবলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ
আমাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম।।
তোমাৰ মায়য়ে মন মুহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাঞ ৰাম ৰাম।।"

অ' হৰি, অ' ৰাম....... কৃষ্ণ।

— তিনিওজনে ইমান ভাল লাগে আইতা। আমাক আপুনি শিকাই দিব লাগিব কিন্তু পিছত। এতিয়া নামঘৰৰ বিষয়ে কওক। এই বুলি আইতাকে পুনৰ কৈ গ'ল—

পূবা-পশ্চিমাকৈ নিৰ্মাণ কৰা হয় দুচলীয়া আকাৰৰ এটি গৃহ, উত্তৰা-দক্ষিণাকৈ নিৰ্মাণ কৰা হয় 'মণিকূট'। আকৌ মণিকূটৰ সোঁমাজত স্থাপন কৰা হয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ 'গুৰু আসন'। সেই আসনত গুৰু শঙ্কৰদেৱে বাঙ্ময়ৰূপে অধিষ্ঠিত হয় অৰ্থাৎ অশৰীৰি ৰূপে থাকে। পিছে আসন হ'ল চাৰিবিধ, যেনে— সিংহাসন, গড়ুৰ আসন, ময়ুৰাসন আৰু শৰাই আসন। আমাৰ নামঘৰত বা কীৰ্তনঘৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘই সিংহাসনকে প্ৰতিষ্ঠিত কৰিবলৈ অনুমোদন জনাইছে। এই আসনখন হ'ল সাত খলপীয়া, এই আসনখনকে সাত বৈকুণ্ঠৰ প্ৰতীক হিচাপে ধৰা হয়। এই সপ্ত বৈকুণ্ঠ হ'ল— শ্বেতবিলাস, শান্তনুবিলাস, পঙ্কজবিলাস, পুষ্পবিলাস, কনক দত্ত, সনাতন আৰু গোলক। সাত খলপাৰ ওপৰত প্ৰতিষ্ঠা কৰা হয় 'গুণমালা' শাস্ত্ৰ। এই শাস্ত্ৰখন হ'ল ঈশ্বৰৰ অধিষ্ঠান বা অশৰীৰি প্ৰতীক। ইয়েই হ'ল বিষ্ণু/ কৃষ্ণৰ বাঙ্মময় ৰূপ।

কাঠৰ মূৰ্তি সিংহ হ'ল নামৰ প্ৰতীক, বইঠ পৰা হাতীটো হ'ল বশীভূত পাপৰ প্ৰতীক আৰু শুই থকা কাছটো হ'ল ইন্দ্ৰিয় নিগ্ৰহৰ প্ৰতীক। মাজে মাজে বুঢ়ীয়ে বিছনীখনেৰে দীঘলকৈ বিছি দি মহ-মাখিবোৰ খেদি দিয়ে। দেউতাক শান্তিৰামে কান্ধত গামোচাখনলৈ আৰাম বেঞ্চখনত বহি ল'ৰা-ছোৱালীকেইটিৰ কথা শুনি মনে-মনে হাঁহি থাকে।

মণিমালাই কিন্তু আইতাকৰ কথা একাণপতীয়াকৈ শুনি থাকে আৰু এটি দীঘলকৈ হামি কাঢ়ি খুউব ভাল লাগে আইতা বুলি কৈ সদায় আমাক ভগৱানৰ কথা, শঙ্কৰদেৱৰ কথা ক'বাদেই। পিছত বুঢ়ীয়ে তোমালোক ডাঙৰ হ'লে গুৰু শঙ্কৰদেৱৰ জীৱনী, সাহিত্য-সংস্কৃতি, ধৰ্ম, কীৰ্তন, দশম, ভাগৱত শাস্ত্ৰ আদিৰ কথা পঢ়ি সৎপ্ৰকৃতিৰ মানুহ হ'ব পাৰিবা, ভগৱানক সদায় বিশ্বাস কৰিবা, সত্য কথা ক'বা, মিছা কথা কেতিয়াও নক'বা ইত্যাদি কই উপদেশমূলক কথা নাতিয়েকহঁতক কৈ গ'ল। এনেতে মণিমালাৰ মাকে আটাইকেইজনকে ভাত খাবলৈ ৰান্ধনি ঘৰলৈ মাতিলে। সিহঁতে আইতাকক হাতত ধৰি

দাঙি তুলি দিলে। বুঢ়ীমাক আইতাকে নাতিয়েকহঁতক ভালকৈ হাত-মুখ-ভৰি পৰিষ্কাৰকৈ ধুব ক'লে আৰু কথা মতে মণি, ফণী, দুলুৱে হাত-মুখ পৰিস্কাৰকৈ ধুই কাঁহীৰ কাষত বহিল। তেতিয়া আইতাকে— 'কৃষ্ণ, অ' হৰি অ' ৰাম' বুলি ক'বলৈ কৈ ভাত খাবলৈ ধৰিলে। ভাত-পানী খোৱা হোৱাৰ পিছত পুনৰ চোতালত আটাইকেইজনে এইবাৰ বুঢ়ীৰ মুখৰপৰা সাধু কথা শুনিবলৈ ইচ্ছা কৰিলে। সময় অৱশ্যে তেতিয়া ৰাতি ৮.৩০ মান হৈছিল। বুঢ়ীয়ে এইবাৰ নাতিয়েকহঁতক কেপ্‌কেপাই নাথাকিবলৈ সাৱধান বাণী শুনালে আৰু এটি ৰগৰ উঠা কথা ক'লে এইবুলি— "যতেক পাৱে ধন, ততেক বাঢ়ে মন"। গতিকে বুঢ়ীয়ে এইবাৰ মহাভাৰতৰ শান্তি পৰ্বত থকা এটি আখ্যান সাধুকথা কোৱাৰ ছলেৰে ৰস ৰচনাৰ সৃষ্টি কৰিলে এইদৰে— নাৰদ আৰু পৰ্বত মুনি সম্বন্ধত মোমাই-ভাগিন আছিল আৰু দুয়ো লগৰীয়া আছিল। পিছে স্বৰ্গৰ ভোগ খাই আমনি লাগি দুয়োৰো ঘিউ-ভাত খাই কিছুদিন পৃথিৱীত থকাৰ মন কৰিলে আৰু শপত খাই কোনোৰে কাৰো মনৰ ভাৱ কেতিয়াও নুলুকাও বুলি কথা বান্ধি দুয়ো আহি পৃথিৱীৰ সঞ্জয় ৰজাৰ ঘৰত আলহী হৈ পৰিলহি। পিছে ৰজাই নিজৰ কন্যা সুকুমাৰীক আলহী দুয়োজনৰ আলপৈচান ধৰিবলৈ আদেশ কৰিলে আৰু সেইমতে জীয়েকে যোগাৰ ধৰিলে। কিছুদিন যোৱাৰ পিছত নাৰদ মুনি সুকুমাৰীৰ প্ৰতি মনে মনে আসক্ত হ'ল, কিন্তু পৰ্বত মুনিক হ'লে নাৰদে ব্যক্ত নকৰিলে। কিন্তু পৰ্বত মুনিও পিছে কম নহয়, তেওঁ তপৰ বলতে গোপন তথ্যৰ কথা গম পাই প্ৰতিজ্ঞা ভঙ্গ কৰা দোষত পৰ্বত মুনিয়ে নাৰদক বান্দৰৰ দৰে মুখ হ'বলৈ অভিশাপ দিলে। পিছত নাৰদেও পৰ্বত মুনিক খঙৰ ভকতকে বান্দৰৰ দৰে মুখ হ'বলৈ অভিশাপ দিলে। এনেকৈ দুয়োজনে দুয়োজনক শাপা-শাপি কৰাৰ ফলত দুয়ো মুনিৰ মুখ দুখন বান্দৰৰ দৰে হ'ল। তাকে দেখি কন্যা সুকুমাৰী আৰু পিতৃ সঞ্জয় ৰজাই এনে ঘটনা হোৱাত বৰ বিস্ময় মানিলে। কিন্তু আন আন মানুহবিলাকে দুয়ো মুনিৰ মুখ দুখন বান্দৰৰ দৰে হোৱাত সকলোৱে হাঁহিবলৈ ধৰিলে। পিছে দুয়োমুনিয়ে বৰ লাজ পাই শেষত দুয়ো দুয়োৰো অভিশাপ উঠাই লৈ পুনৰ আগৰ দৰে হ'ল, শেষত বিদায়লৈ স্বস্থানলৈ গমন কৰিলে।

গতিকে মইনাহঁত! তোমালোক ডাঙৰ হ'লে কোনো মানুহক কোনো ক্ষেত্ৰতে ফাঁকি-ফুকা, গঠ-প্ৰবঞ্চনা নকৰি সত্যপথত চলি জীৱ-জন্তু আদি সকলোকে শ্ৰদ্ধা জনাই পৰম কৃপালু গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ উপদেশ, নীতি-নিয়ম, ওপৰত কোৱা সকলো তত্বমূলক আদৰ্শবাণী হৃদয়ত লৈ পঢ়া-শুনা, সৎকৰ্মত আগবাঢ়ি গৈ জীৱন সাৰ্থক হ'ব বুলি বুঢ়ীয়ে আজিলৈ ইমানতে সাধুকথাৰ সামৰণি মাৰিলে। নাতিয়েকহঁতে আইতাকৰ মুখৰপৰা ধৰ্মমূলক নীতি শিক্ষাৰ উপদেশ-আদৰ্শ আৰু জ্ঞান লাভ কৰি পৰৱৰ্তী জীৱনত সফলতা লাভ কৰিবলৈ সমৰ্থৱান হ'বলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। ইফালে ৰাতিও হৈ অহাত আইতাকে আটাইকেইজনক আঁঠুল'বলৈ ক'লে আৰু সেইমতে মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষাৰ এটি প্ৰাৰ্থনা গাই বিছনালৈ ঢাপলি মেলিলে—

"নজানোহো আৱাহন নজানোহো বিসৰ্জন
পূজা মন্ত্ৰ নজালো কিঞ্চিত।"
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।।"◆◆

# ডাঙৰ হ'লে মই কি হ'ম?

টুটুমণি লহকৰ

আৰম্ভণি ঃ নিজে চিন্তা কৰিব পৰা হ'লে বা বুজি পোৱা হ'লে জীৱনত কি হ'ব খোজে ল'ৰা-ছোৱালীয়ে থিৰ কৰি লয়। জীৱনত কি হ'ব বিচাৰে নাইবা কি কৰিব বিচাৰে সেইটোৱেই জীৱনৰ লক্ষ্য। গতিকে প্ৰতিগৰাকী সুস্থ মানসিকতাৰ অধিকাৰী ব্যক্তিৰে একোটা সুনিৰ্দিষ্ট লক্ষ্য থাকে। জ্ঞানীসকলে কয়— লক্ষ্যহীন জীৱন হৈছে কাণ্ডাৰীবিহীন নাৱৰ দৰে। লক্ষ্যত উপনীত হ'বলৈ মানুহে যৎপৰোনাস্তি চেষ্টা কৰে; লক্ষ্যত উপনীত হ'ব পাৰিলে জীৱন সাৰ্থক হয়। এই লক্ষ্য থিৰ কৰি লোৱাৰ ক্ষেত্ৰত মাক-দেউতাসকলেও ল'ৰা-ছোৱালীক সহায় কৰিব পাৰে।

মোৰ লক্ষ্য ঃ মা-দেউতাই উপদেশ, পৰিচালনা আৰু মই নিজে কি কৰিব পৰা চিন্তাৰে এজনী ছাত্ৰী হিচাপে ময়ো এটা লক্ষ্য থিৰ কৰি লৈছোঁ। দেউতাৰ পৰা জানিব পাৰিছোঁ যে এটা লক্ষ্য থিৰ কৰি ল'লে নহ'ব, সেই লক্ষ্যত উপনীত হ'বলৈ নিজে উপযুক্ত হওঁ নে নহওঁ তাক ভালকৈ বুজিব লাগিব। পোনছাটেই এজন ডাক্তৰ বা অভিযন্তা বা প্ৰশাসনিক বিষয়া হোৱাৰ লক্ষ্য থিৰ কৰাৰ আগতে নিজকে যুকিয়াই চাব লাগিব যে সেই বিষয়ত নিজৰ বুদ্ধি-বৃত্তিয়ে বলে পাৰিব নে নোৱাৰে। সাধাৰণতে আন ছাত্ৰ-ছাত্ৰী মনে নিবিচৰা এটি লক্ষ্যহে মই থিৰ কৰিছোঁ। মই থিৰ কৰা লক্ষ্যটো হ'ল জীৱনৰ এজন আদৰ্শ শিক্ষক হোৱাটো। মই দেখিবলৈ পাইছোঁ যে শিক্ষাগুৰুসকল কোনোদিনেই বিলাসী নহয়। অজস্ৰ অৰ্থ উপাৰ্জন কৰি মই বিলাসী জীৱন-যাপন কৰাৰ লক্ষ্য ল'ব বিচৰা নাই। আদৰ্শ শিক্ষক হিচাপে নিজকে গঢ়িব পাৰিলে আমাৰ উত্তৰ-পুৰুষসকলক সুশিক্ষা দিয়াৰ ক্ষেত্ৰত আত্মনিয়োগ কৰিব পাৰিম।

লক্ষ্যৰ কাৰণ ঃ সমাজ সংস্কাৰ বা নিকা কৰাৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব কম নহয়। শিক্ষক এজন প্ৰকৃততে সমাজ সংস্কাৰক। মই এজন আদৰ্শ শিক্ষক হ'ব পাৰিলেও সমাজখন যে অকলে নিকা কৰিব নোৱাৰোঁ সেই কথাও মই বুজিছোঁ। কিন্তু মই জানো এজন আদৰ্শ শিক্ষক ছাত্ৰ-ছাত্ৰীৰ আদৰ-সমাদৰৰ পাত্ৰ হয়। মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ঘটি থকা অপ্ৰীতিকৰ ঘটনাৰ সংখ্যা নিশ্চয় কিছু কমি যাব। এজন শিক্ষকে সমাজৰ প্ৰতি কৰা ই এক মহৎ উপকাৰ।

সমাজৰ আন মানুহে নোৱাৰা কামো একোজন শিক্ষকে কৰিব পাৰে। কাৰণ অইন মানুহক অমান্য কৰিব বিচাৰিলেও ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক অমান্য কৰিব নিবিচাৰে। অৱশ্যে সুশিক্ষাৰ অভাৱত আৰু দুষ্টলোকৰ সঙ্গত পৰি কিছু ছাত্ৰ-ছাত্ৰী শিক্ষকৰ অবাধ্য হোৱা দেখা যায়।

লক্ষ্যত উপনীত হোৱাৰ আঁচনি ঃ কথাতে কয়— জুইশালত গঢ়িব পাৰিলে কমাৰশালতো গঢ়িব পাৰি। গতিকে এজন আদৰ্শ ছাত্ৰ হ'ব লাগিব। গতিকে মই নিজকে এজনী আদৰ্শ ছাত্ৰী হিচাপে গঢ়ি তোলাৰ যত্ন কৰিছোঁ। নিজৰ পাঠ নিয়াৰিকৈ আয়ত্ত কৰা,শিক্ষাগুৰুৰ শ্ৰদ্ধাশীল আৰু বিনয়ী হোৱা, বিদ্যালয়ত নিয়মিতভাৱে উপস্থিত থকা, সদায় সঁচা কথা কোৱা, দুৰ্গতজনক সহায় কৰা আদি গুণবোৰৰ অনুশীলন কৰাৰ বাবে মই যত্ন কৰিছোঁ। কাৰণ মোৰ বিশ্বাস যে এজন ভাল ছাত্ৰহে এজন ভাল শিক্ষক হ'ব পাৰে আৰু বিষয়বস্তুৰ প্ৰকৃত জ্ঞানে এইক্ষেত্ৰত সগায় কৰে। মোৰ লক্ষ্যত উপনীত হ'বলৈ মই সম্প্ৰতি হাইস্কুল লিভিং পৰীক্ষাত ডিষ্টিংছন নম্বৰ লৈ প্ৰথম বিভাগত সুকলমে কৃতাকাৰ্য হোৱাৰ বাবে যত্ন কৰিছোঁ। উত্তীৰ্ণ হোৱাৰ পিছত কলা শাখাত উচ্চতক মাধ্যমিক শ্ৰেণীত পঢ়ি অসমীয়া বিষয়ত মেজৰ লৈ স্নাতক হোৱাৰ পিছত অসমীয়াতে স্নাতকোত্তৰ ডিগ্ৰী শেষ কৰি শিক্ষকতাৰ প্ৰশিক্ষণ লোৱাৰ আশা পুহি ৰাখিছোঁ।

সামৰণি ঃ যদি মই স্থিৰ কৰি লোৱা মতে শিক্ষা লাভ কৰাৰ পিছত শিক্ষক হিচাপে কোনো বিদ্যালয়ত নিযুক্তি নাপাওঁ, তেন্তে মই আমাৰ ৰাজ্যৰ ভিতৰুৱা অঞ্চলত নিজে এখন স্কুল স্থাপন কৰি গাঁৱৰ দুখীয়া-নিচলা ল'ৰা-ছোৱালীবোৰক সুশিক্ষা দিয়াৰ যত্ন কৰিম।

বিদ্যালয় স্থাপনৰ বাবে মই কোনো দান-বৰঙণি সংগ্ৰহ কৰাৰ কথা চিন্তা কৰা নাই। মই এটি উদ্যোগ স্থাপন কৰি সেই উদ্যোগৰ ৰাহি ধনেৰে স্কুল পৰিচালনাৰ ব্যৱস্থা কৰিম। মোৰ এই সপোনক বাস্তৱ ৰূপ দিয়াৰ বাবে সদায় ভগৱানৰ ওচৰত নতশিৰ হৈ প্ৰাৰ্থনা জনাই আছোঁ।◆◆

---

# শিশুৰ সুস্থতাৰ বাবে

গৰমৰ দিনকেইটাৰ যিকোনো বীজাণুৱে মানুহক সহজে আক্ৰমণ কৰে। এইক্ষেত্ৰত শিশুকলৈ নানান সমস্যাৰ সৃষ্টি হয়। এই দিনকেইটাত খোৱা-থকা আদিৰ ক্ষেত্ৰত সাৱধান নহ'লে সহজেই নানান ৰোগত শিশু আক্ৰান্ত হোৱা দেখা যায়। প্ৰচণ্ড গৰমতো বিদ্যালয়লৈ সন্তানক পঠিয়াবই লাগিব। কিন্তু পিতৃ-মাতৃ হিচাপে এই দিনকেইটাত সন্তানৰ খাদ্য-পানী খোৱাৰ ক্ষেত্ৰত আপুনি বিশেষ সাৱধানতা অৱলম্বন কৰিলে বহু সমস্যাৰপৰা ৰক্ষা পাব পাৰিব। অধিক মছলা জাতীয় বা ভজা খাদ্য খাবলৈ নিদিব। ফাষ্টফুড সম্পূৰ্ণ বৰ্জন কৰিব। এই সময়ত যিমান পাৰে পেট ঠাণ্ডা ৰখা খাদ্য সন্তানক খুৱাওক। প্ৰচুৰ পৰিমাণে পানী খুৱাব। মিচিৰি মিহলি পানী আৰু নেমুৰ চৰবত শিশুক অধিক খুৱাব। ইয়াৰ উপৰি তৰমুজ, মৌচমীৰ ৰস শিশুৰ বাবে অতি উপকাৰী। বাহিৰৰ দোকানৰ পৰা কেতিয়াও নুখুৱাব। এনে কৰিলে শৰীৰত পানীৰ মাত্ৰ কেতিয়াও হ্ৰাস নহয় আৰু সহজে ৰোগতো আক্ৰান্ত নহয়।◆

# বৰষুণ

নিহাৰজ্যোতি চহৰীয়া

বৰষুণ বৰষুণ ৰিম্‌ঝিম্ বৰষুণ
ধৰণীক সজীৱ কৰা
আমাৰ মনবোৰ জীপাল কৰি
পানীৰে উপচি পৰা।
আহাৰ-শাওণত বিজুলী ঢেৰেকণিৰে
প্ৰবল বৰষুণ হয়
বুকু ভৰা নদ-নদীয়েও
প্ৰচণ্ড সোঁতত বয়।
বৰষুণৰ আগমনৰ ফলত
বাৰিষাৰ সৃষ্টি কৰে
খেতিয়কৰ মন সেইবাবে
আনন্দৰে উপচি পৰে।
লগ-সমনীয়াৰ লগত আমি
খেল খেলিবলৈ যাওঁ
বৰষুণ অহা দেখা পাই
দৌৰা-দৌৰি লগাওঁ।
নেৰানেপেৰা বৰষুণৰ বাবে
বানপানীৰ সৃষ্টি হয়
নাও-ভেল ব্যৱহাৰ কৰি
সকলোৰে নিৰাপদ স্থানত ৰয়।
পৃথিৱীখনক ধুনীয়া কৰিবলৈ
বৰষুণ তুমি আহিবা
শান্তি-প্ৰেম ভাতৃত্বৰ বাণী
তুমিয়েই বিলাবা।■



# আহ্বান

শূলধৰ হাজৰিকা

হে প্ৰভু ভগৱন্ত!
নীল আকাশতে আছা তুমি
তৰালিৰ স'তে কথাপাতি
বাৰে বাৰে মই
মাতিছোঁ তোমাক
নাপাওঁ তোমাৰ একো সঁহাৰি
পৃথিৱীৰ এই কদৰ্যৰূপ দেখি
যোৱা নাই নে তোমাৰ
পুনৰ জন্ম ল'বলৈ?
হিংসা-দ্বেষেৰে ভৰা
সমাজখনক উদ্ধাৰ কৰিবলৈ??
নৈতিকতাৰ স্খলন দেখি
উঠিছে মোৰ বুকু কঁপি
সেয়েহে তোমাক কাবউ কৰিছোঁ
লোৱা পুনৰ জনম তুমি
তোমাৰ প্ৰেমময় অমৃত সাগৰত
অৱগাহন কৰি উদ্ভাসিত হওক
মানৱ জাতি। ■



# কম্পিউটাৰ সম্পৰ্কে কিছু কথা

স্বৰ্ণলতা দাস

বৰ্তমান যুগত কম্পিউটাৰে মানুহৰ মাজত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। Education, Science, Research, Engineering, Medicine, Banking, Communication, Transportation, Retailing, Entertainment, Business, Defence, Weather, forecasting আদি বিভিন্ন ক্ষেত্ৰত কম্পিউটাৰ অপৰিহাৰ্য অংগ হিচাপে পৰিগণিত হৈছে। সময়ৰ সোঁতত আহি আহি বৰ্তমান সময়ত কম্পিউটাৰ এনেকুৱাভাৱে প্ৰচলন হৈছে যে কম্পিউটাৰ অবিহনে কিছুমান ক্ষেত্ৰ অচল হৈ পৰিছে।

কম্পিউটাৰনো কি? ই কেনে ধৰণে কাম কৰে এই কথা আমাৰ বহুতৰে অজ্ঞাত। সাধাৰণতে আমাৰ মাজৰ বেছিভাগে কম্পিউটাৰ বুলি ক'লে মানুহতকৈ বেছি খৰকৈ কাম কৰিব পৰা এবিধ মেচিন বা যন্ত্ৰ বুলিয়ে জানে। যিহেতু কম্পিউটাৰ বৰ্তমান যুগৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে; গতিকে ইয়াৰ বিষয়ে সাম্যক হ'লেও জ্ঞান আহৰণ কৰাটো আমাৰ নিতান্তই প্ৰয়োজন।

কম্পিউটাৰ হৈছে এটা Electronic Machine যাৰ সহায়ত আমি বিভিন্ন তথ্য-পাতি সংৰক্ষণৰ উপৰিও গণনা কৰা কামো কৰিব পাৰো। Computer শব্দটোৰ সম্পূৰ্ণ অৰ্থ হ'ল Commonly Opearated Machine pruposely Use for Training Education Research. এই কম্পিউটাৰে একেদিনেই বৰ্তমানৰ অৱস্থা পোৱা নাছিল। খ্ৰীঃ পূঃ ৩০০০ত চাইনিজ বিজ্ঞানী আবাকাচে প্ৰথমবাৰৰ বাবে গাণনিক মেচিনৰ আৱিস্কাৰ কৰিছিল। এই মেচিনটো এখন বেৰৰ সমান ডাঙৰ আছিল আৰু ইয়াৰ বাবে বিভিন্ন অসুবিধাৰো সন্মুখীন হৈছিল। এনেদৰে আহি আহি ১৮৮৩ চনত ইংৰাজ বিজ্ঞানী চাৰ্লচ বেবেজে প্ৰথম অট'মেটিক কম্পিউটাৰৰ আৱিস্কাৰ কৰে। চাৰ্লচ বেবেজক এই কাৰণে Father of Modern Computer বুলিও কোৱা হয়। ১৯৯০ চনত ভাৰতবৰ্ষই Super Computer ৰ আৱিস্কাৰ কৰিছিল। কম্পিউটাৰ আৱিস্কাৰ হোৱা এই সময়খিনিক কিছুমান ভাগত ভাগ কৰা হৈছিল। ১৯৫১ চনৰ পৰা ১৯৫৯ চনলৈ এই সময়খিনিক Ist Generation বুলি কোৱা হৈছিল। য'ত A/C থকা কম্পিউটাৰ আৱিস্কাৰ হৈছিল আৰু ইয়াৰ Speed বহুত কম আছিল। ইয়াৰ পিছত ১৯৫৯ চনৰ পৰা ১৯৬৪ চনলৈ আৱিস্কাৰ হোৱা কম্পিউটাৰবিলাকো প্ৰায় একে ধৰণৰ আছিল যদিও Ist Generation তকৈ অলপ fast আছিল আৰু ইয়াত A/C প্ৰয়োজনীয় আছিল। 3rd Generation ৰ সময় আছিল ১৯৬৮ ৰ পৰা ১৯৭০ লৈ। এই সময়ছোৱাত প্ৰথমবাৰৰ বাবে Desktop Machine ৰ আৱিস্কাৰ হৈছিল আৰু ইয়াত A/C ৰ প্ৰয়োজন নাছিল। ১৯৭০ ৰ পৰা ১৯৮০ লৈ 4th Generation ত high speed ৰ কম্পিউটাৰৰ আৱিস্কাৰ হৈছিল আৰু বৰ্তমানলৈও কম্পিউটাৰৰ আৱিস্কাৰ হৈয়ে আছে। মুঠৰ ওপৰত কম্পিউটাৰ কোনে আৱিস্কাৰ কৰিছিল বুলি ক'লে এজন মানুহৰ নাম উল্লেখ কৰাটো টান হৈ পৰে। এই কম্পিউটাৰ তিনিটা ভাগত ভাগ হৈছে—

1. Analog Computer
2. Digital Computer
3. Hybrid Computer

কম্পিউটাৰৰ কিছুমান প্ৰধান বৈশিষ্ট্য আছে

তাৰ ভিতৰত তিনিটা বৈশিষ্ট্য হ'ল— ইয়াৰ গতিবেগ বেছি, ই নিৰ্ভুলভাৱে কাম কৰে, কম্পিউটাৰে কোনো সময় অপব্যয় নকৰাকৈ অবিৰতভাৱে কাম কৰি যায়। কম্পিউটাৰ কিছুমান সৰু সৰু মেচিনৰ সমষ্টি, যাক জনাৰ সুবিধাৰ বাবে ইয়াক দুটা ভাগত ভাগ কৰা হৈছে।

1. Hardware, 2. Software

Hardware হৈছে কম্পিউটাৰ Physical Parts, Machanical, Electrical, Electronic Parts বিলাকেই হ'ল Hardware। আনহাতে Software হৈছে কিছুমান function ৰ সমষ্টি, যাৰ সহায়ত কম্পিউটাৰৰ ভিতৰত সকলো কাম নিয়াৰিকৈ সম্পন্ন হয়। ইহঁত দুয়োটাই দুয়োটাৰ পৰিপূৰক।

কম্পিউটাৰ বুলি ক'লে আমি অকল এটা ক'ব নোৱাৰো। Monitor, CPU, Keyboard আৰু Mouse এই চাৰিটা প্ৰধান বস্তুক লৈ কম্পিউটাৰটো সম্পূৰ্ণ হয়। এই বস্তুবিলাকক আকৌ দুটা ভাগত ভগাব পাৰি—

1. Input Device আৰু 2. Output Device

Input Device ৰ সহায়ত কম্পিউটাৰৰ ভিতৰৰ সকলো কাম নিয়াকৈ কাৰিব পাৰো। যেনে— Keyboard ৰ সহায়ত কম্পিউটাৰক ভিতৰত লিখিব পাৰো। এনে ধৰণৰ কিছুমান Input Device ৰ উদাহৰণ হ'ল— Scanner, Mouse আদি। আনহাতে Output Device ৰ সহায়ত আমি কাম এটা কৰাৰ পিছত তাৰ result টো চাব পাৰো। উদাহৰণ স্বৰূপে Monitorত আমি সকলোবোৰ দেখা পাওঁ। Speaker, Printer আদি Output Device ৰ উদাহৰণ।

আজিৰ যুগত Internet মানুহৰ মাজত বহুত পৰিমাণে প্ৰচলন লাভ কৰিছে। এই Internet হৈছে এক প্ৰকাৰৰ Electronic Communication যাৰ সহায়ত বিভিন্ন ধৰণৰ Information সংগ্ৰহ কৰা, বিশ্বৰ বিভিন্ন দেশৰ লগত যোগাযোগ স্থাপন কৰা, গান বা চিনেমা উপভোগ বা আহৰণ কৰা আদি কাম আমি সহজতে কৰিব পাৰো। Internet আৱিষ্কাৰৰ পৰা যোগাযোগ ব্যৱস্থা ৰক্ষা কৰা আৰু তথ্য সংগ্ৰহ কৰাটো অতি সহজ হৈ পৰিছে। Internet বুলি ক'লে সাধাৰণতে বিশ্বৰ অসংখ্য কম্পিউটাৰৰ মাজত থকা Connection ক বুজা যায়। Cable, Telephone আৰু Satelite এই তিনিটাৰ মাজত থকা Connection ৰেই হ'ল Internet।

Internet Connection ৰ বাবে Modern এক অপৰিহাৰ্য অংগ যিয়ে আমাক তথ্য-পাতিবোৰ যোগান ধৰাত সহায় কৰে। আজিৰ যুগত খুব কম খৰচ আৰু কম সময়ৰ ভিতৰত বিইভন্ন ঠাইৰ বা মানুহৰ মাজত যোগাযোগ স্থাপন কৰা আৰু তথ্য সংগ্ৰহ কৰা অতি সফল সুবিধা ৰূপে Internet পৰিগণিত হৈছে। দেশ-বিদেশত কি ঘটি আছে Internet ৰ সহায়ত আমি পলকতে জানিব পাৰো।

Computer আৰু Internet অবিহনে বৰ্তমান সময়ত আমি এক জটিল সমস্যাৰ সন্মুখীন হ'ব লাগিব। দিনে দিনে কম্পিউটাৰৰ প্ৰচলন যিহেতু আমাৰ মাজত বাঢ়ি গৈছে, গতিকে ইয়াৰ সহায়ত বিভিন্নজনে কৰ্ম সংস্থাপনো পাইছে। কম্পিউটাৰ শিক্ষাৰ পাঠ মুকলি কৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলোৱে এই শিক্ষা পাইছে আৰু ভৱিষ্যতলৈও এই শিক্ষাৰ জৰিয়তে আগবাঢ়ি যাব পাৰিব। গতিকে পুৰণি কালত মানুহৰ যিবোৰ অসুবিধাৰ সন্মুখীন হৈছিল বৰ্তমান সময়ত তাৰ বহু পৰিমাণে লাঘৱ হ'ল আৰু ভৱিষ্যতলৈও ই বহুত সাফল্য লাভ কৰিব বুলি আমি আশা কৰিব পাৰো।◆



# কাগজ, কমল আৰু চিয়াঁহীৰ ইতিহাস

বৰ্তমান শিক্ষাৰ অবিচ্ছেদ্য অংগ কাগজ, কলম আৰু চিয়াঁহী— এই তিনিওবিধ সামগ্ৰী অবিহনে মানৱ সভ্যতাৰ প্ৰগতিৰ কথা ভাবিবই নোৱাৰি। এই তিনিওবিধ বস্তুৰ আৱিষ্কাৰে শিক্ষা ব্যৱস্থাৰো, আমূল পৰিৱৰ্তন সাধন কৰিছে। মহান গ্ৰন্থ ৰচয়িতাসকলে নিশ্চয় এই তিনিওবিধ বস্তু অবিহনে তেওঁলোকৰ ৰচনাসম্ভাৰ মানুহৰ হাতত তুলি দিবলৈ বহুখিনি কষ্ট স্বীকাৰ কৰিব লগা হ'লহেঁতেন। এই তিনিওবিধ বস্তু হাততে পোৱাৰ বাবে মানৱ সভ্যতাৰ বিকাশ দ্ৰুতগতিত হ'বলৈ ধৰিছে আৰু মানুহে যিকোনো কথা, গল্প, প্ৰবন্ধ, মনৰ ভাব উপন্যাস, গণনা কৰা আদি বিভিন্ন ধৰণৰ লেখা থাউকতে লিখি সযতনে ৰাখিব পৰা হৈছে।

মানৱ সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ মনলৈ লেখা-মেলাৰ ধাৰণা আহিল। প্ৰথমাৱস্থাত মানুহে শিলৰ ওপৰত নক্সা আঁকিবলৈ আৰু ছবি আঁকিবলৈ ধৰিছিল, তাৰ পিছত পশুৰ ছাল, গছৰ ছাল, গছৰ বহল পাতত মনৰ ভাৱ-ভঙ্গী লিখিবলৈ প্ৰয়াস কৰিছিল। এসময়ত মানৱ সভ্যতাৰ দ্ৰুত গতিত বিকাশ ঘটিল আৰু মানুহেই উন্নত চিন্তা-চৰ্চা কৰিবলৈ ল'লে। এই চিন্তা-চৰ্চাৰ ফলতে কাগজ, কলম আৰু চিয়াঁহীৰ আৱিষ্কাৰ হৈছিল বুলি ক'লে ভুল কোৱা নহ'ব। ১৫০ খ্ৰীষ্টাব্দত পোনপ্ৰথমতে চীন দেশত কাগজ আৱিষ্কাৰ হৈছিল। চীন দেশত আৱিষ্কৃত কাগজ আজি সমগ্ৰ পৃথিৱীতে অতি গুৰুত্বপূৰ্ণ আহিলা হিচাপে পৰিগণিত হৈছে। প্ৰাচীন কালত মিছৰ দেশত 'পেপিৰাছ' নামৰ এবিধ গছৰ পাতত মানুহে নিজৰ ভাবধাৰা লিখি ৰাখিছিল আৰু সেই 'পেপিৰাছ'ক পৰাই বৰ্তমানৰ কাগজৰ ইংৰাজী নাম 'পেপাৰ' উৎপত্তি হৈছে বুলি জনা যায়। ভাৰতবৰ্ষৰ শ্ৰীৰামপুৰত প্ৰথমে কাগজ তৈয়াৰ কৰা হৈছিল আৰু অসমৰ জাগীৰোড, যোগীঘোপা আৰু পাঁচগ্ৰামত কাগজ কল আছে। কাগজ প্ৰস্তুত কৰা প্ৰধান উপাদানবিধ হ'ল— 'চেলুল'জ'। এই চেলুল'জ হ'ল উদ্ভিদ-পদাৰ্থ।

কাগজ বিভিন্ন প্ৰকাৰৰ। খবৰ কাগজৰ বাবে ব্যৱহাৰ কৰা কাগজ, পৰীক্ষাৰ বহীত ব্যৱহাৰ কৰা কাগজ আদি প্ৰকাৰৰ কাগজে আমাৰ চাহিদা পূৰণ কৰিছে। আমেৰিকাৰ ৱাটাৰমেনে কলম আৱিষ্কাৰ কৰি মানৱ সভ্যতাৰ প্ৰগতিৰ বাবে বহুমূলীয়া অৱদান আগবঢ়াই থৈ গৈছে। কমলৰ চাহিদা মানৱ সমাজত কোনোদিনে কম হোৱা নাই। কলমক অস্ত্ৰতকৈ শক্তিশালী বুলি বিভিন্ন সময়ত গুণী-জ্ঞানীজনে মন্তব্য কৰি আহিছে। বৰ্তমান বিভিন্ন প্ৰকাৰৰ কলমেৰে দোকান-বজাৰ ভৰ্তি হৈ আছে পূৰ্বতে মানুহে লিখাৰ সঁজুলি হিচাপে পাখি কলম ব্যৱহাৰ কৰিছিল। বিদ্যা শিক্ষাৰ অত্যাৱশকীয় কমলৰ সৈতে অত্যাধুনিক কম্পিউটাৰক তুলনা কৰিলেও মানৱ সমাজত

'কলম'ৰ এক সুকীয়া স্থান আছে। 'চিয়াঁহী প্ৰথমতে কোনে আৱিষ্কাৰ কৰিছিল, তাৰ সঠিক বিৱৰণ পোৱা নাযায় যদিও ৪,০০০ বছৰৰ পূৰ্বে চীন আৰু ইজিপ্তত চিয়াঁহীৰ ব্যৱহাৰৰ কথা প্ৰমাণ পোৱা গৈছে। চিয়াঁহীক মহী বা কালি বুলিও কোৱা হয়। অতীজতে নেমু ৰস আৰু পিয়াজৰ ৰসেৰেও চিয়াঁহী তৈয়াৰ কৰিছিল বুলি জনা যায়। অৱশ্যে এই চিয়াঁহীৰে লিখা আখৰবোৰ শুকালে দেখা নগৈছিল, কাগজখন গৰম কৰিলেহে আখৰবোৰ স্পষ্টভাৱে দেখা পোৱা হৈছিল। খ্ৰীষ্টপূৰ্ব ২০০০-৩০০০ বছৰৰ আগতে চীন দেশত পোনপ্ৰথমে পানীত বিয়পি নোযোৱা চিয়াঁহীৰ আৱিষ্কাৰ হৈছিল।

বৰ্তমান বিভিন্ন ধৰণৰ চিয়াঁহী পোৱা যায়। সাধাৰণতে নলী কলমৰ চিয়াঁহী ৪৫%, এৰাগুটিৰ তেল ২৩%, ক্ল'ফনি নামৰ পদাৰ্থ ১৭%, বিশেষ এচিড আৰু ১৫% ৰঙৰ গুড়িৰে বনোৱা হয়। কলম, কাগজ আৰু চিয়াঁহী তিনিওটাই এটাই আনটোৰ পৰিপূৰক। এই তিনিবিধ সামগ্ৰী বৰ্তমান এদিনৰ বাবেও অভাৱ হ'লে শিক্ষা গ্ৰহণ কৰা, ব্যৱসায় প্ৰতিষ্ঠান চলোৱা আৰু প্ৰশাসনো অচল হৈ পৰিব।

গুণী-জ্ঞানীজনৰ পৰা আদি কৰি সমাজৰ পিছপৰা শ্ৰেণীৰ লোকলৈকে এই তিনিওবিধ সঁজুলি অতি প্ৰয়োজনীয়। এক কথাত কাগজ, কলম আৰু চিয়াঁহী মানৱ সভ্যতা বিকাশৰ চালিকা শক্তি।◆

*সংগ্ৰহ*

---

# সাঁথৰ

১। চাৰিটা আখৰে নামটি হয়, প্ৰথম দুই আখৰে এবিধ ৰঙক বুজায়, শেষ দুই আখৰে হয় অলংকাৰ।

২। চকা আছে গাড়ী নহয়, দৰা-কইনা আছে মানুহ নহয়। লগুণো আছে বামুণ নহয়, শব্দ কৰে যদিও জীৱ-জন্তু নহয়।

৩। চকামকা দুডাল লতা, নহ'লেই নামে বিষণ্ণতা।

উত্তৰ ঃ

১। নীলমণি

২। যঁতৰ

৩। বিজুলী বাতি

# কৌতুক

➡ শিক্ষক ঃ বিজয়, তাজমহল ক'ত?
বিজয় ঃ মই নাজানো ছাৰ।
শিক্ষক ঃ বেঞ্চত উঠা।
বিজয় ঃ ছাৰ, বেঞ্চত উঠিলে তাজমহলটো দেখা পোৱা যাব নেকি ছাৰ?

➡ মাক ঃ ৰাজু, তুমি পৰীক্ষাত বৰ কম নম্বৰ পাইছা।
ৰাজু ঃ মা, তুমিয়েইটো কৈছিলা, সদায় অলপতে সন্তুষ্ট হ'ব লাগে।



# ছোৱাইন ফ্লু

বংকিম দাস

বৰ্তমান 'ছোৱাইন ফ্লু' এক ভয়ংকৰ ৰোগ ৰূপে পৰিগণিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ইয়াক প্ৰাকৃতিক দুৰ্যোগ বুলি অভিহিত কৰিছে। ছোৱাইন ফ্লুৰ ভাইৰাছবিধ হ'ল $H_1N_1$। এই ৰোগ অতি সোনকালে এজন মানুহৰ পৰা আন এজন মানুহলৈ বিয়পি যায়। 'ছোৱাইন ফ্লু' গাহৰিৰ পৰা হয়। গাহৰিৰ মল মূত্ৰ সাৰ হিচাপে দিয়া শাক-পাচলি খালেও ছোৱাইন ফ্লু ৰোগ হ'ব পাৰে। ছোৱাইন ফ্লু লক্ষণবোৰ হ'ল— পানীলগা জ্বৰ, কাঁহ, সাধাৰণ জ্বৰ আদি। এইৰোগ এনেয়ে গম পোৱা নাযায়। তেজ পৰীক্ষাৰ দ্বাৰাহে এইৰোগ ধৰিব পৰা যায়। সেয়েহে জ্বৰ, কাঁহ হ'লেই তেজ পৰীক্ষা কৰিব লাগে।

আমি কিছুমান সাধাৰণ উপায়েৰে ছোৱাইন ফ্লুৰ পৰা আঁতৰি থাকিব পাৰো আৰু এইৰোগ বিয়পাৰ প্ৰতিৰোধ কৰিব পাৰোঁ। সেইবোৰৰ ভিতৰত—

১। জনবহুল ঠাইৰপৰা নিজকে আঁতৰাই ৰাখিব লাগে।

২। জ্বৰ হ'লে ৰাজহুৱা স্থানত যাব নালাগে আৰু ডাক্তৰৰ পৰামৰ্শ ল'ব লাগে।

৩। কোনো জ্বৰ হোৱা ব্যক্তিৰ পৰা ১ মিটাৰ আঁতৰত থাকিব লাগে।

৪। কাঁহিলে বা হাচিয়ালে মুখখন ৰুমালেৰে ঢাকি ল'ব লাগে।

৫। বাৰে বাৰে চাবোনেৰে ভালকৈ হাত পৰিষ্কাৰ কৰিব লাগে।

৬। কোনো ব্যক্তিৰ লগত হাত মিলোৱাৰ পৰা আঁতৰি থাকিব লাগে।

৭। ৰাজহুৱা স্থানত থু-খেকাৰ পেলাব নালাগে।

৮। ডাক্তৰৰ পৰামৰ্শ নোলোৱাকৈ ঔষধ ব্যৱহাৰ কৰিব নালাগে।

৯। পুষ্টিকৰ খাদ্য আৰু যথেষ্ট পৰিমাণে পানী খাব লাগে।◆

---

# ছেকাৰিণ কি ?

ছেকাৰিণ হ'ল খোৱাবস্তু মিঠা কৰিবলৈ ব্যৱহাৰ কৰা উপাদান। ছেকাৰিণৰ কোনো খাদ্যমূল্য নাই আৰু ই কাৰ্বহাইড্ৰেট নহয় কাৰণে ডায়েবেটিছ ৰোগীয়েও ইয়াক চেনিৰ পৰিৱৰ্তে ব্যৱহাৰ কৰিব পাৰে। ১৮৮৬ চনত আমেৰিকাৰ হপকিন্‌ছ বিশ্ববিদ্যালয়ৰ গৱেষক ফালবাৰ্গে ছেকাৰিণ আৱিষ্কাৰ কৰে।◆

# ই-বেংকিং

ৰিংকু

কম্পিউটাৰ প্ৰযুক্তিৰ দ্ৰুত বিকাশে আধুনিক বিশ্বৰ সেৱাক্ষেত্ৰসমূহলৈ আমূল পৰিৱৰ্তন আনি দিছে। যাৰ পৰিপ্ৰেক্ষিতত পূৰ্বতকৈ অধিক গতিশীল আৰু দ্ৰুতবেগী হৈ পৰিছে সেৱাসমূহ। ভাৰ্চুৱেল ৰিয়েলিটি (বাস্তৱ ভ্ৰম)ৰ দৰে ধাৰণাৰ সহায়ত আনকি আপোনাৰ বেংকটোকো লৈ আনিবৰ পৰা হৈছে আপোনাৰ ঘৰৰ কোঠালৈ, আপোনাৰ ম'বাইল ফোনটোলৈ। হয়, ক'ব খোজা হৈছে ই-বেংকিং অথবা অনলাইন বেংকিঙৰ কথা। সহজ ভাষাত ই-বেংকিং বা ইণ্টাৰনেট বেংকিং হ'ল যিকোনো এজন গ্ৰাহকে ব্যক্তিগত কম্পিউটাৰত বেংকটোৰ ৱেবচাইট খুলি যিকোনো ধৰণৰ ভাচুৱেল বেংকিং কাৰ্য সমাধান কৰা ব্যৱস্থা। ইয়াৰ বাবে বেংকটোৱে সকলোবোৰ তথ্য (ডাটাবেচ) কেন্দ্ৰীভূত কৰি ৱেব-সক্ষম কৰি ৰাখে। যাতে সেই তথ্যবোৰ ৱেব-চাইটত প্ৰদৰ্শিত হয়। বেংকটোৱে আগবঢ়োৱা সকলোবোৰ সেৱা ৱেব-চাইটটোত প্ৰদৰ্শিত কৰা থাকে। ইয়াৰ পৰা প্ৰয়োজন হোৱাটোত ক্লিক কৰি সোমাই গ'লেই সেই সেৱাবিধ লাভ কৰা যায়।

ই-বেংকিঙৰ জৰিয়তে আমি বহু সেৱা লাভ কৰিব পাৰো। তাৰ ভিতৰত সৰ্বসাধাৰণ মাজত শেহতীয়াকৈ জনপ্ৰিয় হ'বলৈ আৰম্ভ কৰিছে আৰ্থিক লেনদেন সেৱাবিধ। ইয়াৰ জৰিয়তে বেংকৰ এটা একাউণ্টৰপৰা আন এটা একাউণ্টলৈ ধন পঠিওৱা, বিল পৰিশোধ কৰা, নতুন একাউণ্ট খোলা, ঋণৰ বাবে আবেদন আদি উল্লেখযোগ্য। আনহাতে তৃতীয় পক্ষক ধন পৰিশোধ, পুঁজি হস্তান্তৰ, বিনিয়োগৰ ক্ৰয়-বিক্ৰয় ইত্যাদিও ইয়াৰ জৰিয়তে ঘৰ বা নিজৰ কাৰ্যালয়ৰ কোঠাত বহিয়েই সম্পন্ন কৰিব পাৰি। ই-বেংকিঙৰ জৰিয়তে শেহতীয়া লেনদেন সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰি। তদুপৰি বেংক ষ্টেটমেণ্ট ছপা কৰাৰ বাবে ডাউনলোড কৰক আৰু প্ৰিণ্ট কৰক। বচ, কেইটামান মিনিটতে হৈ গ'ল আপোনাৰ কাম। এই বেংকিং ব্যৱস্থা আৰশ্যে এদিন হঠাতে আৰম্ভ হৈ যোৱা নাই। ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল আশী দশকতে। প্ৰথমে ইয়াক কোৱা হৈছিল হোম বেংকিং। অনলাইন বেংকিং শব্দশাৰীয়ে আশী দশকৰ শেষৰফালে জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰে। ১৯৮১ চনত এই হোম বেংকিং আৰম্ভ কৰিছিল নিউয়ৰ্ক চহৰৰ চিটিবেংক, চেজ মনহাট্টান, কেমিকেল আৰু মেনিফেকচাৰাৰ হেনঅভাৰ নাম চাৰিটা প্ৰধান বেংকে। ইয়াৰ বাবে গ্ৰহণ কৰা হৈছিল 'ভিডিঅ'টেক্স প্ৰযুক্তি। অৱশ্যে আজিকালি ইয়াৰ ব্যৱহাৰ নহয়। ইণ্টাৰনেট বেংকিং অথবা অনলাইন বেংকিঙৰ আটাইতকৈ ডাঙৰ সীমাবদ্ধতাটো হ'ল এই ব্যৱস্থাৰ জৰিয়তে আমি নগদ ধন লাভ কৰিব নোৱাৰো। তথাপি ভাবকচোন, আপোনাৰ ল'ৰাটো বা ছোৱালীজনী বাহিৰত উচ্চশিক্ষাৰ বাবে আছেগৈ। বেংকলৈ গৈ দীঘলীয়া ট'কেনৰ শাৰী লৈ বহি থাকি সন্তানৰ একাউণ্টত ধনকেইটা ভৰাবলৈ আপুনি নষ্ট কৰে নুন্যতম দুইৰপৰা তিনি ঘণ্টা। কিন্তু অনলাইন বেংকিঙৰ জৰিয়তে ঘৰতে বহি ল'ৰাটোলৈ ধন পঠিয়াব পাৰে মাত্ৰ দুটামান মিনিটৰ ভিতৰতে। চাওকচোন কিমান সহজ হৈ আহিছে ই-পৃথিৱী।■■